# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

**THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE ELEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA**

**BUDGET SESSION**

**NO.........20....................**

**THE 8TH APRIL, 2002**

**PRICE ......53.00.........**

# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

**THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE ELEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA**

## BUDGET SESSION

**NO.............20...................**

**THE 8TH APRIL, 2002**

**PRICE ......53.00.........**

# CONTENTS

BUDGET SESSION

NO.20

**Dated, the 8th April, 2002**


| | | Page No. |
|---|---|---|
| 1. | Questions and Answers | 1-69 |
| 2. | Discussion on Zero Hour Matter | 70-80 |
| 3. | Point of Order | 81 |
| 4. | Call Attention Notice | 82-83 |
| 5. | Matter under Rule 301 | 84-85 |
| 6. | Consideration and Passing of Government Bill | 86-116 |
| 7. | Statement by Minister of State | 117-120 |
| 8. | Obituary reference | 121-122 |
| 9. | Adjournment | 123 |
| 10. | Annexures--I to IX | 124-169 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Monday, the 8th April, 2002

The House met at 9 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Prithibi Majhi, Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

(To which Oral replies were given)

Mr. Speaker: Now starred question No.341, Hon'ble Member, Shri Parimal Suklabaidya.

**শ্ৰীপবিমল শুক্লবৈদ্যয়ে সুধিছে ঃ**

✫৩৪১. মাননীয় গৃহ মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) ধলাই সমষ্টির অন্তর্গত রাম মানিকপুর, মনিয়ারখাল, ভূবনহিল, প্রভৃতি অঞ্চলে উগ্রপন্থী সমস্যা সম্পর্কে সরকার অবগত আছেন কি ?

(খ) যদি আছেন তবে সরকার তা নিরসনে কি ব্যৱস্থা নিচ্ছেন ?

(গ) মনিয়ার খালে থাকা আসাম পুলিশ বেটেলিয়ান ব্যেরেক কেন তুলে নেওয়া হয়েছেন, এটা পুনস্থাপনের ব্যৱস্থা সরকার নেবেন কি ?

**শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰীয়ে) উত্তৰ দিছে ঃ**

(ক) ধলাই সমষ্টিৰ অন্তৰ্গত ৰাম মানিকপুৰ, মনিয়াৰখাল, ভূবনহিল ইত্যাদি অঞ্চলৰ উগ্ৰপন্থী সমস্যা সম্পৰ্কে চৰকাৰ অবগত ।

(খ) ৰাজ্য চৰকাৰে উক্ত এলেকাবোৰ আৰু অন্যান্য উগ্ৰপন্থী অঞ্চলবোৰ চিনাক্ত কৰি সমগ্ৰ অসমতেই ইউনিফাইড কমাণ্ড ষ্ট্ৰাকচাৰৰ অধীনত পুলিচ, সেনা আৰু অৰ্দ্ধ সামৰিক বাহিনীৰ দ্বাৰা জনগণৰ নিৰাপত্তাৰ বাবে উপযুক্ত ব্যৱস্থা কৰাৰ উপৰিও প্ৰত্যেক জিলাৰ আৰক্ষী অধীক্ষকক সঘনে নিজ নিজ এলেকাৰ পৰিস্থিতি পৰ্য্যালোচনা কৰি যাবতীয় ব্যৱস্থা লোৱাৰ বাবে দিহা পৰামৰ্শ দি থকা হৈছে ।

(গ) মনিয়াৰখাল অঞ্চলত ১৯৯২ চনলৈকে এটা অস্থায়ী পুলিচ কেম্প আছিল। কিন্তু মিজোৰাম ৰাজ্যৰ সীমান্তৱৰ্ত্তী এলেকা সমূহত বিভিন্ন উগ্ৰপন্থী সংগঠনৰ কাৰ্য্য-কলাপ হ্ৰাস হোৱাৰ পৰিপ্ৰেক্ষিতত উক্ত পুলিচ কেম্পটো

সেই এলেকাৰ পৰা উঠাই নিয়া হয় । বৰ্ত্তমান নিকটৱৰ্ত্তী দলাখাল এলেকাত থকা বেটেলিয়ান পোষ্টৰ দ্বাৰাই এই অঞ্চল সমূহত ৰক্ষনাবেক্ষনৰ দিশটো চোৱা-চিতা কৰি থকা হৈছে । জিলা প্ৰশাসনৰ পৰা প্ৰস্তাৱ পালেই মনিয়াৰখাল অঞ্চলত এটি স্থায়ী পুলিচ আউট পোষ্ট (আৰক্ষী চকী) স্থাপন কৰাৰ বিষয়টো বিবেচনা কৰা হব ।

✡**শ্ৰীপৰিমল শুক্লবৈদ্য** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰ 'ক' ত ধলাহি সমষ্টিৰ অন্তৰ্গত ৰাম মানিকপুৰ, মনিয়াৰখাল, ভূবনহিল অঞ্চলত উগ্ৰপন্থী সমস্যা সৰ্ম্পকত চৰকাৰ অৱগত বুলি জানিবলৈ পাই মই ভাল পাইছো, আৰু এই কথাখিনি জানি উত্তৰ দিয়াৰ বাবে বিভাগীয় মন্ত্ৰী মহোদয়ক মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ 'গ' প্ৰশ্নৰ উত্তৰত কৈছে যে মনিয়াৰখাল অঞ্চলত ১৯৯২ চনলৈকে এটা অস্থায়ী পুলিচ কেম্প আছিল । কিন্তু মিজোৰাম ৰাজ্যৰ সীমান্তবৰ্ত্তী এলেকা সমূহত বিভিন্ন উগ্ৰপন্থী সংগঠনৰ কাৰ্য্য-কলাপ হ্ৰাস হোৱাৰ পৰিপ্ৰেক্ষিতত উক্ত পুলিচ কেম্পটো সেই এলেকাৰ পৰা উঠাই নিয়া হয় । কিন্তু অধ্যক্ষ মহোদয়, মিজোৰাম সীমান্তৰ 'বাহৰেন্টি' অঞ্চলৰ পৰা অলপতে নিপকোৰ কৰ্ম্মচাৰী কেইজনমানক আপহৰণ কৰা হৈছে । এই অঞ্চলটো অকল মিজোৰামৰে নহয় মণিপুৰৰো বৰ্ডাৰ এলেকা আৰু এই অঞ্চলটো গোটেই বিলাক 'ইনচাৰজেণ্টি গ্ৰুপৰ' বিচৰণ ক্ষেত্ৰ । মোৰ প্ৰশ্নৰ উত্তৰত আৰু কৈছে যে, জিলা প্ৰশাসনৰ পৰা এটা প্ৰপজাল পালেই মনিয়াৰখাল অঞ্চলত এটি স্থায়ী পুলিচ আউটপোষ্ট স্থাপন কৰাৰ ব্যৱস্থা কৰা হ'ব । এতিয়া মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো, জিলা প্ৰশাসনৰ পৰা এটা 'প্ৰপজাল' অনাই সেই অঞ্চলত সোনকালে এটা আৰক্ষী চকী স্থাপনৰ ব্যৱস্থা কৰিব নেকি ?

✡**শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (ৰাজ্যিক মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মনিয়াৰখাল অঞ্চলত থকা অস্থায়ী পুলিচকেম্পটো উঠাই অনা হৈছে । বৰ্ত্তমান উগ্ৰপন্থীৰ সমস্যাটো গোটেই অসমতে ইউনিফাইড কমাণ্ড ষ্ট্ৰাকচাৰৰ অধীনত ষ্ট্ৰেটেজি গ্ৰুপৰ দ্বাৰা চোৱাচিতা কৰি থকা হৈছে । এই ষ্ট্ৰেটেজি গ্ৰুপে বিভিন্ন অঞ্চলত অধ্যয়ন কৰি উগ্ৰপন্থী অধ্যুষিত এলেকা চিনাক্ত কৰি পুলিচ কেম্প আদি স্থাপনৰ বাবে পৰামৰ্শ দিয়ে । তাৰোপৰি জিলা পৰ্য্যায়তো একোখনকৈ ডি. এল. চি. চি. আছে আৰু এই কমিটিত আৰক্ষী, সেনাবাহিনী চি. আৰ. পি. এফ. আদি বিভিন্ন নিৰাপত্তা বাহিনীৰ বিষয়া সকল থাকে । এই কমিটিয়ে জিলাপৰ্য্যায়ত পৰ্য্যালোচনা কৰি চৰকাৰক পৰামৰ্শ আগবঢ়ায় । আজি মাননীয় সদস্যজনে যিটো

✡ Speech not corrected

দৃষ্টি আৰ্কষণ কৰিছে, সেই বিষয়ত জিলা-প্ৰশাসনৰ লগত আলোচনা কৰি ব্যৱস্থা লোৱা হ'ব ।

Mr. Speaker :- Starred question No.342, Hon'ble Member, Shri Girindra Kumar Baruah

**বিষয় ঃ কাজিৰঙা অভয়াৰণ্য ।**

**শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

✡৩৪২ ঃ মাননীয় পৰ্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সৰ্বমুঠ কিমানজন পৰ্য্যটকে বৰ্ত্তমান বছৰত কাজিৰঙা অভয়াৰণ্য দৰ্শন কৰিলে ? (অনুগ্ৰহ কৰি দেশী আৰু বিদেশী পৰ্য্যটকৰ সংখ্যা বেলেগে দেখুৱাব)

(খ) বৰ্ত্তমান কাজিৰঙাৰ পৰ্য্যটক গৃহ কেইটা আছে ?

(গ) পৰ্য্যটকৰ দৰ্শনৰ বাবে কেইখন গাড়ী আছে ?

(ঘ) ২০০১-২০০২ বিত্তীয় বৰ্ষত কাজিৰঙা অভয়াৰণ্যৰ পৰা সৰ্বমুঠ কিমান পৰিমাণৰ ৰাজহৰ আয় হ'ল ?

**শ্ৰীতৰুণ গগৈ,** (পৰ্য্যটন বিভাগৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্ৰীয়ে উত্তৰ দিছে ঃ-

(ক) ২০০১-২০০২ চনত সৰ্বমুঠ ৪৪,৫১৪ জন পৰ্য্যটকে কাজিৰঙা অভয়াৰণ্য দৰ্শন কৰিছে । ইয়াৰ ভিতৰত ১৭৮২ জন বিদেশী আৰু ৪২৭৩২ জন দেশী পৰ্য্যটক।

(খ) বৰ্ত্তমান কাজিৰঙাত অসম পৰ্য্যটনৰ মুঠ ১০ (দহ) টা পৰ্য্যটক গৃহ আছে।

১) পৰ্য্যটক নিবাস — ৩ (তিনিটা)

২) ডৰ্মিটৰি — ১ (এটা)

৩) কটেজ — ৬ (ছয়টা)

(গ) পৰ্য্যটকৰ দৰ্শনৰ বাবে কাজিৰঙাত অসম পৰ্য্যটন বিভাগৰ দুখন গাড়ী আছে ।

(ঘ) ২০০১-০২ বিত্তীয় বৰ্ষত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা বন বিভাগে মুঠ ৩১,০৭,২৮৪/- টকা ৰাজহ আয় কৰিছে ।

**✡শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ যি উত্তৰ সদনৰ মেজত দাখিল কৰিছে, তাত মই সন্তোষ পাইছো। কিন্তু মই মুখ্যমন্ত্ৰী মহোদয়ক এটা কথা জনাব বিচাৰিছো যে, আমাৰ কাজিৰঙা অভয়াৰণ্যত বহুতো দেশী আৰু বিদেশী পৰ্য্যটকে ভ্ৰমণ কৰে কিন্তু তাৰ বিপৰীতে গাড়ীৰ সংখ্যা মাত্ৰ দুখন। তাত যদিও ব্যক্তিগত খণ্ডত হোটেল আদি কৰিছে, কিন্তু গাড়ীৰ ব্যৱস্থা মুঠেই সন্তোষজনক নহয়। তাত পৰ্য্যটন বিভাগে ব্যক্তিগত মালিকৰ গাড়ী ভাৰাত চলাব লাগে। তাত চৰকাৰী গাড়ী যি দুখন আছে সেই গাড়ী দুখনৰ অৱস্থাও বৰ ভাল নহয়। গতিকে মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, তাত পৰ্য্যটকৰ বাবে আৰু দুখন মান ভাল চৰকাৰী গাড়ীৰ ব্যৱস্থা কৰিব নেকি?

**✡শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে কোৱা কথাটো সঁচা। তাত দুখন গাড়ী পৰ্য্যাপ্ত নহয়। পুজি সাপেক্ষে তাত গাড়ী দিয়াৰ ব্যৱস্থা কৰিম।

**✡শ্ৰীদিলীপ কুমাৰ শইকীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে কাজিৰঙালৈ, ১৭৮২ জন বিদেশী আৰু ৪২৭৩২ জন দেশী পৰ্য্যটক অহা বুলি কৈছে। কিন্তু বিদেশী পৰ্য্যটক সকল অসমলৈ আহিলে তেওঁলোক নানা হাৰাশাস্তিৰ সন্মুখীন হব লগীয়া হয়। যত এখন গাড়ীৰ ভাৰা ১০০ টকা হয়, তেওঁলোকৰ পৰা ১০০০ টকা লোৱা হয়। লণ্ডনৰ পৰা অহা এগৰাকী পৰ্য্যটকে এই অভিযোগ আনিছিল। আমি কাকতে পত্ৰই এনে অভিযোগ পাই থাকো আৰু অসম চৰকাৰটো বহুত অভিযোগ দাখিল কৰিছে। এনে হাৰাশাস্তি বিলাক বন্ধ কৰাৰ বাবে মুখ্যমন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা কৰিব নেকি?

**✡শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিদেশী পৰ্য্যটকক হাৰাশাস্তি কৰা কথাটো মিছা নহয়। এই বিষয়ত আমাৰ দৃষ্টিগোচৰ কৰিলে আমি চাব পাৰিম আৰু কাৰোবাৰ হাতত যদি স্পেচিফিক অভিযোগ থাকে, চৰকাৰক জনালে ব্যৱস্থা লোৱা হ'ব।

**✡শ্ৰী গুনীন হাজৰিকা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, কাজিৰঙালৈ দেশী-বিদেশী পৰ্য্যটকৰ সংখ্যা বাঢ়ি আছে কিন্তু পৰ্য্যটকৰ বাবে কাজিৰঙা দৰ্শণৰ সময় নবেম্বৰৰ পৰা এপ্ৰিললৈ মাত্ৰ পাঁচ মাহ মোৰ বোধেৰে কম হৈছে, এইটো বঢ়াই আঠ মাহ মান কৰিব পৰা যায় নেকি?

---

✡ Speech not corrected

✡শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী) ঃ এইটো কৰিব নোৱাৰি বুলি তেওঁলোকে জনাইছে। কাৰণ অক্টোবৰ মাহলৈকে ববযুণ থাকেই আৰু পানীৰ বাবে অভয়াৰণ্যৰ ভিতৰলৈ যাব নোৱাৰি।

Mr. Speaker started question No.343, Hon'ble Member, Shri Bimolangshu Roy.

**Sub : Assam Petrochemicals Ltd.**

**Shri Bimolangshu Roy** asked :

✡343 : Will the Minister of Industry be pleased to state :

a) Is the Government aware of the present status of the Assam Petrochemicals Ltd. Namrup & Cachar Sugar Mill ?

b) If so, what steps Government have taken so far for revitalisation of the said industries?

**Shri Tarun Gogoi,** (Minister of Industries) replied :

a) Yes.

b) The Govt. of Assam is taking all necessary steps including giving benefits of incentives under N.E. industrial police to save Assam Petrochemicals Ltd. from imminent closure. The State Government has also taken up issue of concessional Gas price for APL with Govt. of India.

The Govt. is examining the various alternatives including the revival of the Cahar Sugar Mill.

✡**Shri Bimalangshu Roy** : Minister has replied in regard to my second question that the Govt. of Assam is taking all necessary steps including giving benefits of incentives under N.E. industrial police to save Assam Petrochemicals Ltd. from imminent closure. The State Government has also taken

✡ Speech not corrected

up the issue of concessional Gas price for APL with Govt. of India and his reply as the Govt. is examining the various alternatives including the revival of the Cachar Sugar Mill.

Now Sir, Govt. is committed to take all necessary steps including awarding benefits of incentives and also trying to save Assam Petrochemicals Ltd. from imminent closure. Now I want to know from the Hon'ble Minister what steps he has taken to save the Petrochemicals Ltd. ? Secondly, whether the Govt. is aware that Bengaigaon Refinary and Petrochemicals Ltd. was one of the main consumer of Methanol supplied by Assam Petrochemical Ltd. Due to hike in Sales Tax of Assam Govt. to 20% BRPL has ceased to take Mathanal from APL and used to bring Mathanol from other parts of Northern India where rate of sales tax is only 4% within the State BRPL is to give sales tax on Methanol @ 22% and in outside the State @ 4% only. Whether Govt. is aware of this?

Whether the Government is aware that BRPL has claimed transport subsidy of Rs.2.50 Crores that is pending with the Office of the Directorate of Industries, Government of Assam for long ? So, with regard to this I want a categorical reply from the Hon'ble Minister in this regard.

**✡শ্ৰী প্ৰদ্যুৎ বৰদলৈ (বাণিজ্যিক উদ্যোগ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম পেট্ৰোকেমিকেল লিমিটেড নামৰ অনুস্থানটো ১৯৭১ চনত শতকৰা ৮৮ ভাগ ইকুইটি চেয়াৰত গঠন কৰি দিয়া হৈছিল । গঠন হোৱাৰে পৰা এই অনুস্থানটোৱে অসমত অৰ্থনৈতিক উন্নয়নৰ অৰিহনা যোগাই আহিছিল । এই পেট্ৰোকেমিকেল লিমিটেডত ক্ৰমে ২১ আৰু ৩৬ ই, পি, ডি উৎপাদন কৰে । বিশেষকৈ নামৰূপ এ পি এল এ মেথোনেল উৎপাদন কৰে । যিটো বি. আৰ. পি. এল ৰ কাৰণে এইবাইপ্ৰডাক্টটো ৰমেটেৰিয়াল হয় । কিন্তু ইয়াৰ চাহিদা সমগ্ৰ ভাৰতবৰ্ষতেই কমি আহিছে । আনহাতে যিহেতুই ৰিলাইয়েন্স কোম্পানী

---

✡ Speech not corrected

আদিৰ লগত ফেৰ মাৰিব লগা হ'ল । সেই কাৰণে চাহিদা কমি গৈছে । এই নামৰূপৰ এপিএলটোৱে ফৰমেলিনো উৎপাদন কৰিছিল যিটো প্লাইউড ইণ্ডাষ্ট্ৰী বিলাকে ব্যৱহাৰ কৰিছিল । ১৯৯৬ চনত এই প্লাইউড ইণ্ডাষ্ট্ৰী বন্ধ হৈ যোৱা কাৰণে এই ফৰমেলিনোৰো চাহিদা কমি গ'ল । এ. পি. এল. এ যিটো মেথোনেল উৎপাদন কৰে এইটো বি. আৰ. পি. এলক দিয়াৰ উপৰিও দিল্লী, পাঞ্জাবক দিব লগীয়া হৈছিল । ঠিক তেনেকৈ উৎপাদিত ফৰমেলিনটো বিহাৰ, বেংগল, উৰিষ্যাত দিয়া হৈছিল । কিন্তু এই উৎপাদনত সামগ্ৰী সমূহ সৰবৰাহৰ ক্ষেত্ৰত যথেষ্ট খৰছ বাঢ়ি আহে । সেই কাৰণে অসম চৰকাৰে কেইটামান ব্যৱস্থা লৈছিল । জানুৱাৰী মাহৰ ২০০০ চনৰ পৰা অসম চৰকাৰে এই উৎপাদিত সামগ্ৰীৰ ওপৰত শতকৰা ২০ ভাগ কৰ বঢ়াই দিলে । বৰ্ত্তমান অসম চৰকাৰে পেট্ৰোকেমিকেল সংক্ৰান্তত ভালেমান ব্যৱস্থা হাতত লৈছে । আমাৰ মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই ভাৰতৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়ালৈ কেইবাখনো চিঠি লিখিছে । অসমে ব্যৱহাৰ কৰা নেচাৰেল গেছৰ মূল্য কমাবলৈ অনুৰোধ জনাইছে । পেট্ৰোলিয়াম মন্ত্ৰী ৰাম নায়ককো যোৱা ২৩ মাৰ্চ তাৰিখে চিঠি যোগে জনোৱা হৈছে । যাতে উত্তৰ পূৰ্বাঞ্চলীয় নীতিৰ অধিনত শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰে। ইতিমধ্যে অসম চৰকাৰে মেথোনেলৰ ওপৰত কনচেচেনল ৰেট দিবলৈ ব্যৱহাৰ কৰি আছে ।

**☆শ্ৰীবিমলাংশু ৰয় ঃ** সকলো কথা ভাৰত চৰকাৰক এৰি দিলে নহ'ব । অসম চৰকাৰৰো কৰিবলগীয়া আছে । অসম চৰকাৰে যে চেলটেক্স শতকৰা ২০ বঢ়ালে সেইটো কমোৱা হ'ব নে নাই সেইটো মন্ত্ৰী মহোদয়ৰ পৰা আশ্বাস বিছাৰিছো ।

**☆শ্ৰী প্ৰদ্যুৎ বৰদলৈ (মন্ত্ৰী) ঃ** অসম পেট্ৰোকেমিকেলটো হৈছে অসম ৰাজহুৱা খণ্ডৰ গুৰুত্বপূৰ্ণ অনুস্থান । তাক পুনৰ জীৱিত কৰি লাভজনক কৰিবৰ কাৰণে অসম চৰকাৰে সকলো ব্যৱস্থা লব ।

**Shri Bimalangshu Roy :** Thank you. I would like to know from the Minister whether the Hon'ble Minister is aware that the condition of Cachar Sugar Mill is very very pathetic. There are as many as 103 employees and out of these 85 employees are not getting their salaries for the last 36 months and 18 employees for the last 70 months.

---

☆ Speech not corrected

In the meantime, 6 persons already died because of the non-payment of salaries, because there was no ways and means for their livelihood. They filed cases in the Human Rights Commission and also in the Hon'ble Gauhati High Court. Both High Court and Human Rights Commission have given their verdict against the Government, but unfortunately Sir, the Government is not taking care of the employees. This is an Assam Government Subsidary Unit and Government of Assam has a major share on it. There is no Managing Director in the Directorate for the last few years.

So, I want to know from the Hon'ble Minister what steps he has taken for payment of salaries to the employees?

**✡শ্ৰী প্ৰদ্যুৎ বৰদলৈ (মন্ত্ৰী)** : কাছাৰ চুগাৰ মিলটো হৈছে অসমৰ অন্যান্য নিগমৰ নিচিনা চাবচিডেৰী কোম্পানী । কাছাৰ চুগাৰ মিলটো ১৯৭৭ চনত স্থাপন কৰা হৈছিল। স্থাপন হোৱাৰে পৰা এতিয়ালৈ স্পেচিয়েল টাৰ্ম লোন পাই ৩২৩ কোটি টকা বিনিয়োগ হৈছিল । অসম চৰকাৰে প্ৰতি বছৰে চুগাৰ মিলটোলৈ বাজেটেৰী চাবচিডি দি আহিছে। কিন্তু জন্ম লগ্নৰে পৰা মিলটোৱে লোকচান ভৰি আহিছে । ১৯৭৭/৭৮ চনত ১৯.৫০ লাখ টকা আৰু ১৯৭৮/৭৯ চনত ১৪ কোটি টকা ১৯৭৯/৮০ চনত ১২৩ লাখ টকা প্ৰতি বছৰে লোকচান ভৰি ভৰি আহি আছে । ১৯৯৪/৯৫ চনত মুঠ ২৪ কোটি লোকচান হৈছে । আজিৰ দিনত এই মিলটোৱে ৩২ কোটি টকা লোকচান কৰিছে । ১৯৮৫/৮৬ চনৰ পৰা এই মিলটো বন্ধ হৈ আছে । ইয়াত ১০৩ জন কৰ্মচাৰী আছিল। এই ১০৩ জনৰ ৮৫ জন কৰ্ম্মচাৰী ২৮ মাহ ধৰি তেওঁলোকৰ চেলাৰী আৰু ওৱেজ পোৱা নাই । ১৮ জন কৰ্ম্মচাৰীয়ে ৭০ মাহ দৰমহা পোৱা নাই । এনেকুৱা অৱস্থাত চৰকাৰে মিলটো বচাই ৰখা অসম্ভৱ হৈ পৰিছে । অৱশ্যে সকলো ৰাজহুৱা খণ্ডই লোকচান ভৰি আহিছে । শ্ৰীহৰেন দাসৰ নেতৃত্বত গঠন হোৱা ফিচকেল ৰিৰ্ফমচ কমিটিয়ে এই মিলটো অধ্যায়ন কৰিছিল । অধ্যয়ন কৰি পৰামৰ্শ দিছে যে কাছাৰ চুগাৰ মিলটো ডিচইনভেষ্ট কৰি পুনৰ জীৱিত কৰিব লাগে । ফিচকেল ৰিৰ্ফমচ কমিটিৰ পৰামৰ্শ চৰকাৰে বিবেচনা কৰি আছে ।

---

✡ Speech not corrected

✡শ্ৰী বিমলাংশু ৰয় ঃ বৰ্ত্তমানলৈকে এ. আই. ডি. চি ৰ অধীনত যিবিলাক অৰগানাইজেচন আছে তেওঁলোকক অলপ অলপ টকা দি থকা হৈছে যোৱা ৫ বছৰত। কাক কিমান টকা চাবচিডি হিচাবে দিয়া হ'ল আৰু কাছাৰ চুগাৰ মিলক কিমান টকা দিয়া হ'ল মন্ত্ৰী মহোদয়ে জনাব নে ?

✡শ্ৰী প্ৰদ্যুৎ বৰদলৈ (মন্ত্ৰী) ঃ ৰাজহুৱা খণ্ডৰ অনুষ্ঠান সমূহক কিছু কিছু টকা দি থকা হৈছে । কিন্তু ক'ত কিমান টকা দিয়া হৈছে বেলেগ এটা প্ৰশ্ন পালে মই জনাব পাৰিম।

✡শ্ৰী বিমলাংশু ৰয় ঃ বৰ্ত্তমান উচ্চ ন্যায়লৰ যিটো ৰায় হ'ল সেই সংক্ৰান্তত চৰকাৰে কি কৰিব ? ১০৩ জন কৰ্ম্মচাৰী – I want to know whether the Government will allow then to survive or let them die ? – এই কথাটো কব লাগে ।

✡শ্ৰী প্ৰদ্যুৎ বৰদলৈ (মন্ত্ৰী) ঃ ৰাজহুৱা খণ্ডৰ কাছাৰ চুগাৰ মিলকে ধৰি যিসকল নিগম কৰ্ম্মচাৰীয়ে দৰমহা পোৱা নাই এইকথাটোত আমাৰ চৰকাৰ যথেষ্ট উৎবিগ্ন এই কথাটোৰ সংগতি ৰাখিয়েই কি কৰিব পৰা যায় চিন্তা চৰ্চ্চা কৰি থকা হৈছে ।

**Mr. Speaker :** Now started question No.344, Hon'ble Member, Shri Utpal Dutta to ask.

**বিষয় ঃ বিধায়ক এলেকা উন্নয়ণ পুঁজি ।**

**শ্ৰী উৎপল দত্তই সুধিছে ঃ**

✡৩৪৪ ঃ মাননীয় পৰিকল্পনা আৰু উন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯৯-২০০০ আৰু ২০০০-২০০১ চনৰ লক্ষীমপুৰ বিধানসভা সমষ্টিৰ বিধায়ক এলেকা উন্নয়ণ পুঁজিৰ কিছুমান আঁচনিৰ টকা এৰি নিদিয়াৰ বিষয়টো চৰকাৰৰ অৱগতনে ?

(খ) যদি অৱগত কোন কোন আঁচনিৰ কিমান টকাকৈ বৰ্ত্তমানও পাবলৈ আছে?

(গ) উক্ত আঁচনিৰ পাব লগা টকা সমূহ কিমান দিনৰ ভিতৰত এৰি দিয়াৰ ব্যৱস্থা কৰিব ?

---

✡ Speech not corrected

(ঘ) বিধায়ক এলেকা উন্নয়ণ পুঁজিৰ পৰা উপায়ুক্ত কাৰ্য্যালয়ে ২% টকা আৰু তদাৰকী বিভাগ Lakhimpur Block, Telahi Block আৰু PHC বিভাগে ২% কৈ Contingency amount কাটি ৰাখে, এই ৪% টকা দুয়োটা বিভাগে চৰকাৰৰ নিয়ম অনুযায়ী কৰ্ত্তন কৰিব পাৰেনে ?

**শ্ৰীতৰুণ গগৈ,** (পৰিকল্পনা আৰু উন্নয়ণ বিভাগৰ মন্ত্ৰী তথা মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ-

(ক) হয় ।

(খ) কোন কোন আঁচনিৰ বিপৰীতে কিমান টকাকৈ বৰ্ত্তমানেও পাবলৈ আছে তাৰ তথ্য তালিকা 'ক' উল্লেখ কৰা হ'ল । (See Annexure - I)

(গ) ইতিমধ্যে মুকলি কৰি দিয়া ধনৰ খৰছৰ প্ৰমান পত্ৰ তথা আঁচনিসমূহৰ কামৰ অগ্ৰগতিৰ খতিয়ান ৰূপায়ণকাৰী বিভাগ/সন্থাৰ পৰা পোৱাৰ পিছতেই এই ধন মুকলি কৰি দিয়া হব ।

(ঘ) নিৰ্দ্দেশাৱলীৰমতে বিধায়ক পুঁজিৰ অন্তৰ্গত যিকোনো আঁচনিৰ প্ৰাকলনত অতি বেছি ২% Contingency ধন অন্তৰ্ভূক্ত কৰিব পাৰি । সংশ্লিষ্ট জিলা উপায়ুক্তৰ পৰা পোৱা তথ্য এই সীমা কোনো আঁচনিৰ ক্ষেত্ৰতে অতিক্ৰম ক্ষেত্ৰতে অতিক্ৰম কৰা হোৱা নাই । কিন্তু এনেধৰণৰ কোনো নিৰ্দ্দিষ্ট অভিযোগ যদি আহে তেতিয়াই তাৰ সংশোধনৰ ব্যৱস্থা লোৱা হয়।

**✡শ্ৰীউৎপল দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী মহোদয়ে ১৯৯৯/২০০০ চনত ১,৬৫,০০০ টকা ২০০০/২০০১ চনত এক লাখ ৫ হাজাৰ টকা দিবলৈ বাকী আছে বুলি মুখ্যমন্ত্ৰীয়ে জনাইছে । লগতে ৰূপায়নকাৰী সন্থাই হিচাব দিলে টকা মোকলাই দিয়া হ'ব বুলি কৈছিল । মই মূখ্যন্ত্ৰীক জনাব বিছাৰিছো ৰূপায়নকাৰী সন্থাই হিচাব দিয়াৰ পিচতো, মই উপায়ুক্তক চাৰি বাৰ লগ ধৰিছোঁ কিন্তু টকা ঘূৰাই দিয়া নাই । খণ্ড উন্নয়ন বিষয়াই কাগজ পাতি ঠিক কৰোতে এমাহ লাগে আৰু জিলা উপায়ুক্তলৈ যোৱাৰ পাচত তাতো বহু দিন ধৰি পৰি থাকে সামান্য ১০/১২ হাজাৰ টকাৰ কাৰণেও উপায়ুক্ত গৰাকীক ব্যক্তিগত ভাৱে লগ ধৰিব লাগে তেনে পৰিস্থিতিত তৎকালীন ভাৱে অন্ততঃ এসপ্তাহৰ ভিতৰত টকা মোকলাই দিবলৈ নিৰ্দ্দেশ দিবনে? দ্বিতীয়তে এই কামৰ দায়িত্বৰ বিধয়ক উন্নয়ন পূজিৰ টকা খৰছৰ দায়িত্ব বি. ডিওক নিদি যিসকল বিষয়াৰ কাম কম তেওঁলোকক দিয়াৰ ব্যৱস্থা কৰিব

✡ Speech not corrected

নে । তৃতীয়তে মূখ্যমন্ত্ৰীয়ে কৈছে যে শতকৰা ২ ভাগৰ বেচি কাটি ৰাখিব নোৱাৰে । কিন্তু আমি জনাত ডেৰ লাখ টকাৰ আচনি এটাত শতকৰা দুভাগ হলে ১৫ শ টকা হয় কিন্তু ২০০০ হাজাৰ টকা উপায়ুক্তই কাটি ৰাখিছে । আনহাতে বি. ডিও শতকৰা ২ ভাগ কাটি ৰাখে । গতিকে টকাটো একেবাৰ নকটাৰ ব্যৱস্থা কৰিব নে ?

☆**শ্ৰীতৰুণ গগৈ (মূখ্যমন্ত্ৰী) ঃ** মই সকলো কথাই নাজানো । আঁচনিটো সম্পূৰ্ণ কৰিলে টকাটো ৰিলিজ কৰিব লাগে । আৰু শতকৰা ২ ভাগৰ বেচি কাটিব নালাগে । তেনে হৈছে যদি নিশ্চয় মই ব্যৱস্থা লম ।

☆**উৎপল দত্ত ঃ** মোৰ এইটো নিৰ্দ্দিষ্ট অভিযোগ ডেৰ লাখ টকীয়া আঁচনি এটাত (এ, এচ, টি, চৰ সন্মুখত) নিয়ম মতে ২ ভাগ শতকৰা ১৫ শ টকা কাটিব লাগিছিল । কিন্তু ২০০০ হাজাৰ টকা কাটিছে । মোৰ প্ৰশ্নটো হৈছে শতকৰা ২ ভাগ বুলি নহয় কাটি নৰখা ব্যৱস্থা কৰিব নোৱাৰিনে ? দ্বিতীয় প্ৰশ্ন হৈছে ১০ লাখ টকাৰ আঁচনি এটা ২ মাহ আগতে দি থৈছো । কিন্তু জিলা উপায়ুক্তই পি. এইচ. চিক দিয়া টকাটো ৰিলিজ এতিয়াও কৰা নাই । গতিকে টকাটো ৰিলিজ কৰাৰ কাৰণে ততকালীন ব্যৱস্থা লবনে?

☆**শ্ৰীতৰুণ গগৈ (মূখ্যমন্ত্ৰী) ঃ** নিৰ্দ্দিষ্ট অভিযোগ থাকিলে নিশ্চয় ব্যৱস্থা লম। কিন্তু গোটেই আঁচনি বিলাক তেখেত মন্ত্ৰী হৈ থকাৰ আঁচনি ।

☆**শ্ৰীএটোৱা মুণ্ডা ঃ** এই কথাটোৰ লগত সংহতি ৰাখি মই এটা পৰিপূৰক প্ৰশ্ন কৰিব বিছাৰিছো । বিধায়ক উন্নয়ন পূজিৰ টকাখিনি উপায়ুক্ত সকলে এবাৰ শতকৰা ২০ ভাগ এবাৰ শতকৰা ৩০ ভাগ মুকলাই দিয়াৰ ফলত সূচাৰুৰূপে কাম সম্পন্ন হোৱাত পলম হয় । কিন্তু এম. পি. ফাণ্ডৰ টকাটো পাবলিক কমিটিৰ হাতত চেকৰ যোগেদি টকা বিতৰণ কৰা যিটো ব্যৱস্থা আছে । এম. এল. একাউণ্ডৰ ক্ষেত্ৰতো একে ব্যৱস্থা কৰিব নোৱাৰিনে ?

☆**শ্ৰীতৰুণ গগৈ (মূখ্যমন্ত্ৰী) ঃ** এম. পিৰ ক্ষেত্ৰত আছে যেতিয়া আমি এম. এলএৰ ক্ষেত্ৰতো কৰিব পাৰো ।

☆**শ্ৰীবিমলাংশু ৰয় ঃ** মাননীয় অধ্যক্ষ মহোদয়, আগতে আমাৰ এম. এল. এ. ফাণ্ডৰ টকা বেংকত ৰখা হৈছিল যেনেকৈ এম. পি. ফাণ্ডৰ টকা বেংকত ৰখা হৈছিল । বেংকত টকাটো ৰাখিলে সুত পোৱা যায় । কিন্তু বিত্ত বিভাগৰ পৰা অৰ্ডাৰ গৈছে এই টকা ৰেভিনিউ ডিপোজিটত ৰাখিব । তেতিয়া হলে বেংকৰ

---

☆ Speech not corrected

সুত পোৱাটো বন্ধ হ'ব । এইটো গুৰুত্বপূৰ্ণ বিষয় । মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই ক্ষেত্ৰত বিবেচনা কৰিব পাৰে, এম. পি. সকলে যেনেকৈ পায়, এম. এল. এ. সকলে কিয় এই সুবিধা নাপাব । এই কথাটো চিন্তা কৰি মাননীয় মুখ্যমন্ত্ৰীয়ে কব নেকি ?

**✡শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এইটো চোৱা হ'ব ।

**✡শ্ৰীআলি আকবৰ মিঞা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এম. এল. এ. ফাণ্ডৰ ক্ষেত্ৰত মনিটৰিং কৰি এবছৰ লগাই দিয়ে । গতিকে মনিটৰিঙৰ নামত বছৰৰ পিচত বছৰ লগায় । এই ক্ষেত্ৰত চৰকাৰে সময় বান্ধি দিব নেকি কিমান দিনৰ ভিতৰত দিব লাগিব। এইটো জনাব নে ?

**✡শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো হৈছে লক্ষীমপুৰৰ, মাননীয় সদস্যগৰাকীয়ে কোৱা কথাটো ৰিলেটেড নহয় ।

**মাননীয় অধ্যক্ষ ঃ** যিহেতু এইটো ৰিলেভেন্ট নহয়, উত্তৰৰ কথা নাহে । ইয়াৰ বাবে বেলেগ প্ৰশ্ন হ'ব লাগিব ।

Mr. Speaker : Started question No.345, Hon'ble Member, Shri Dilip Kumar Saikia, Hon'ble Chief Minister to reply.

**বিষয় ঃ অনুসূচীত জাতি / জনজাতি কৰ্ম্মচাৰীৰ পদোন্নতি ।**

**শ্ৰী দিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ**

✡৩৪৫ ঃ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অনুসূচীত জাতি, অনুসূচীত জনজাতি চৰকাৰী চাকৰীয়াল সকলৰ জেষ্ঠ্যতা, পদোন্নতি সংৰক্ষিত ৰোষ্টাৰ পদ্ধতি কাৰ্য্য কৰাৰ বাবে ভাৰতীয় সংবিধানৰ ৮৫ তম্ সংশোধনী অনুসৰি ২০০১/১/২০০১ ই এ এইচ (ডি) ২০০২ ৰ ২১ জানুৱাৰী অফিচ মেমোৰেণ্ডাম খনৰ সম্বন্ধে চৰকাৰ অৱগতনে ?

(খ) এই অফিচ মেমোৰেণ্ডাম যোগে ১৯৯৫ চনৰ ১৯ জুনৰ পৰা কাৰ্য্যকৰী কৰিব পৰাকৈ অনুসূচীত জাতি, অনুসূচীত জনজাতিৰ চৰকাৰী চাকৰিয়াল সকলৰ জেষ্ঠ্যতা নিৰ্দ্ধাৰণ কৰি সেই সকল এ. চি. এচ বিষয়াকে ধৰি অন্যান্য চৰকাৰী কৰ্মচাৰীৰ পদোন্নতিৰ ব্যৱস্থা চৰকাৰে কৰিছেনে (ক) ত উল্লেখিত অ' এম অনুসৰি)

(গ) যদি কৰিছে – কোন কোন বিষয়াৰ (এ. চি. এচ) নামৰ তালিকা প্ৰস্তুত

✡ Speech not corrected

কৰিছে? (সেই সকলে সদ্যহতে কাৰ্য্যনিৰ্বাহি কৰি থকা বিভাগ আৰু পদবীৰ কথা জনাব)

(ঘ) যদি কৰা নাই কিয় কৰা হোৱা নাই ?

(ঙ) উল্লেখিত অফিচ মেমোৰেণ্ডাম পোৱাৰ পিচতে অসম চৰকাৰে অনা অনুসূচীত জাতি আৰু অনা অনুসূচীত জনজাতিৰ বিষয়া কিছুমানৰ পদোন্নতি দিবলৈ লোৱা কথাটো সঁচানে ?

শ্ৰীযুত তৰুণ গগৈ, মুখ্যমন্ত্ৰীয়ে উত্তৰ দিছে ঃ

(ক) হয় ।

(খ) সংবিধান (৮৫ তম্) সংশোধন আইনৰ অনুসাৰী অসম চৰকাৰে ১২/৩/২০০২ তাৰিখে এ. বি. পি. ৫৯/৯৬/১৫৩ নং কাৰ্য্যালয় স্মাৰকখন জাৰি কৰিছে । এই স্মাৰকৰ মতেই অনুসূচীত জাতি অনুসূচীত জনজাতিৰ এ. চি. এচ বিষয়াকে ধৰি অন্যান্য চৰকাৰী কৰ্মচাৰীৰ জেষ্ঠ্যতা পূণৰ নিৰ্দ্ধাৰিণ কৰি বিধিমতে পদোন্নতিৰ ব্যৱস্থা কৰা হ'ব ।

(গ) জেষ্ঠ্যতা পুণৰ নিৰ্দ্ধাৰণৰ প্ৰক্তিয়াটো সম্পূৰ্ণ হলেই প্ৰয়োজনীয় পদোন্নতিৰ বাবে এ. চি. এচ বিষয়া সকলৰ নামৰ তালিকা চূড়ান্ত ভাৱে প্ৰস্তুত কৰিব পৰা হব ।

(ঘ) জেষ্ঠ্যতা পুণনিৰ্দ্ধাৰণৰ কাম সম্প্ৰতি চলি আছে ।

(ঙ) সচাঁ নহয় ।

**✡শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে (ক) প্ৰশ্নৰ উত্তৰত সত্য বুলি কৈছে । যিখন ভাৰতীয় সংবিধানৰ ৮৫ তম্ সংশোধনী অনুসৰি ২০০১/১/২০০১ ই. এ. এইচ (ডি) ২০০২ ৰ ২১ জানুৱাৰীৰ অফিচ মেমোৰেণ্ডাম আছে, অবগত বুলি কৈছে । কিন্তু ইমান সময় কিয় লৈছে ? এইটো জৰুৰী প্ৰশ্ন । এক মাহ ১৯ দিন কিয় লাগিছে ? অধ্যক্ষ মহোদয়, বিভিন্ন সময়ত জনজাতি সকল, অনুসূচিত জাতি, অনুসূচিত জনজাতি চাহ জনজাতিয়েই হওঁক কামখিনি নোহোৱাৰ কাৰণে বিভিন্ন সময়ত বিষয়া সকলক প্ৰতিৰোধ কৰি আহিছে । এইটো ব্যৱস্থা লব লাগে । বিভিন্ন বিভাগৰ প্ৰথম শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰীলৈকে বেক্ লগ আছে । এইখিনি ফিলআপ কৰিব লাগে ।

---

✡ Speech not corrected

**✡শ্ৰীতৰুণ গগৈ (মূখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ব্যৱস্থা লৈ থকা হৈছে । এ. চি. এচ সকলৰ হৈ যাব, বাকী বিলাকৰ তিনি মাহৰ ভিতৰত সম্পূৰ্ণ হ'ব ।

**✡শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ লগত লিষ্ট আছে । বিশেষকৈ ফৰেষ্ট বিভাগত ২৫৪ জন আছে, ১৪৪ জন কৰ্ম্মচাৰীৰ এতিয়ালৈকে ফিল আপ হোৱা নাই । ডবলিউ. পি. টি. এণ্ড বি. চি বিভাগটো মাননীয় মন্ত্ৰী ভৰত নৰহ ডাঙৰীয়াৰ, এই বিভাগতে ৩২৫ টা বেক্ লগ্ আছে । লেটেষ্ট পজিচন কিমান হৈছে নৰহ ডাঙৰীয়াই কব । এই বেক্ লগ সমূহ ফিল আপ কৰাৰ ব্যৱস্থা লব নেকি ?

**✡শ্ৰীতৰুণ গগৈ (মূখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, এই ব্যৱস্থা লোৱা হব ।

**✡শ্ৰীসৰ্বানন্দ সনোৱাল ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, অসমৰ ২৩ খন জিলাৰ কিমান জন অনুসূচিত জাতি আৰু জনজাতিৰ ডি. চি. আছে ?

**✡শ্ৰীতৰুণ গগৈ (মূখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, এই বিষয়ে এতিয়াই মই জনাব নোৱাৰিম পিচত জনাম, দুই চাৰিখন জিলাত ডি. চি. আছে, লক্ষীমপুৰতো আছে।

**✡শ্ৰীপানীৰাম ৰাভা ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য শ্ৰীদিলীপ কুমাৰ শইকীয়াই কৈছেই, অনুসূচিত জাতি, জনজাতিৰ যি বেক্ লগ আছে, তেওঁলোকক জেষ্ঠতাৰ ভিত্তিত দিয়া হব নেকি ? এনেকুৱা বেক্ লগ বহুত আছে, নতুন পোষ্ট পূৰণ কৰিব নেকি, জনাব নে ?

**✡শ্ৰীতৰুণ গগৈ (মূখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, উত্তৰ আগতে দিছো ।

Mr. Speaker : Started question No.346 by Hon'ble Member, Shri Gunin Hazarika, Hon'ble Minister, MAD to reply.

**Sub : Declaration of Municipal Town.**

Shri Gunin Hazarika asked :

✡346. Will the Minister of MAD be pleased to state :

(a) Is there any proposal to declare Jakhalabandha as Municipal Town ?

---

✡ Speech not corrected

(b) If so, will Government take immediate steps ?

**Shri Anjan Dutta,** (Minister of State (Independent) Municipal Administration Department) replied :-

(a) Yes, a proposal has been initiated by the Sub-Divisional Officer (Civil), Kaliabor.

(b) The proposal is under consideration of Government.

**✡শ্ৰীঅঞ্জন দত্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মেজত দিয়া আছে ।

**✡শ্ৰীগুনীন হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে প্ৰস্তাৱটো বিবেচনা কৰি আছে বুলি কৈছে । সেই হিচাবে ২০০৩ চনত সিদ্ধান্ত লব পাৰিব নেকি, এই বিষয়ে অবগত কৰিব নে ?

**✡শ্ৰীঅঞ্জন দত্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, নতুনকৈ টাউন কমিটি গঠন কৰিবলৈ হলে দীঘলীয়া প্ৰচেজ হব । ইয়াত কিছুমান ক্ৰাইটেৰিয়া আছে। ২০০৩ চনত হব বুলি প্ৰতিশ্ৰুতি দিব পাৰিম বুলি নকওঁ । নগাওঁ চাবডিভিজনৰ বিষয়াই নগৰ সমিতি খন কৰিবলৈ প্ৰস্তাৱ দিছে । কিন্তু এই ক্ষেত্ৰত কিছুমান অবজেক্চন দিছে, এই ক্ষেত্ৰত পুনৰ ন'টিফিকেশ্বন কৰিব লাগিব । যিখিনি লাগে সেইখিনি ২০০৩ চনত হলেও নিশ্চয় নগৰ সমিতি বিলাক গঠন কৰাৰ বাবে ঘোষনা কৰিব পৰা হব ।

(Starred Question No.347 was not taken up as the questioner was not present in the House when called for. However, the replies to the said question deemed to have been laid on the table of the house with replies there to)

**বিষয় ঃ কাহঁ শিল্প নগৰী ।**

ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ

✡৩৪৭ ঃ মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ ঐতিহ্য মণ্ডিত কাহঁ শিল্প নগৰী হিচাবে খ্যাত সৰ্থেবাৰী অঞ্চলৰ জনসাধাৰণে এতিয়াও বহু ঘাট-প্ৰতিঘাট, নানা বাধা বিঘিনীৰ মাজেৰে বচাই

---

✡ Speech not corrected

ৰখা কাহঁ শিল্পটোৰ সন্মুখত দেখা দিয়া সমস্যা সমূহ চৰকাৰ অৱগত নে?

(খ) কাহঁ শিল্পটো বিকাশৰ বাবে উন্নত কাৰিকৰী প্ৰশিক্ষণ, অনুদান আৰু প্ৰয়োজনীয় কেচা মাল যোগান ধৰাৰ ব্যৱস্থা চৰকাৰে লবনে ?

**শ্ৰীতৰুণ গগৈ,** (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয় । অৱগত ।

(খ) লোৱা হৈছে ।

**Mr. Speaker :** Now, starred question No.348, Hon'ble Member Shri Manilal Gowala, Hon'ble Minister, Industries to reply.

**Sub : Assam Tea Corporation.**

**Shri Manilal Gowala** asked :

✡348. Will the Minister of Industry be pleased to State :

(a) Whether the Government knows that the quarters of daily rated workers, staff and sub-staffs have not been repaired by the Assam Tea Corporation managed Tea Gardens for the last two (2) consequtive years ?

(b) If so, what steps have been taken by the Government for repairing those quarters by the Assam Tea Corporation ?

(c) Whether it is also a fact that sub-staff and staff of the Tea Gardens of Assam Tea Corporation have not been paid their monthly salaries for the last seven (7) months ?

(d) What step is taken by the Government of Assam for the revival of those Tea Gardens under Assam Tea Corporation Ltd. ?

Shri Tarun Gogoi, (Minister of Industries) replied :

(a) The quarters of daily rated workers, staff and sub-staff of the gardens of Assam Tea Corporation Ltd. have been partially repaired during the last 2 years.

(b) Due to paucity of funds, the Assam Tea Corporation is not in a position to take steps for repairing of the quarters fully. However, steps are being taken to provide the minimum basic needs at present.

(c) Yes, Govt. is examining different option for revitilisation of the Assam Tea Corporation and Govt. has recently released some fund to Assam Tea Corporation Ltd. for payment of salaries & wages.

(d) Government has decided to revitalise Assam Tea Corporation Ltd. by associating financially sounds and technically equipped parties through disinvestment of its Shares long term lease or by outright sale of Gardens.

✡**Shri Manilal Gowala :** Sir, it is clear that the quarters of the daily rated workers / staff and sub-staff of the Assam Tea Corporation managed tea gardens have not been reparied for the last 2 years and that they have not been paid their monthly salaries for the last 11 months. Now the Govt says that steps are being taken to revive the tea gardens properly. Now, my question is that how much amount of money has been spent in this regard so far ?

2. What action is being taken for revival of the tea gardens under Assam Tea Corporation Ltd. ?

✡**শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চাহ নিগমক পুনৰ সঞ্জিৱীত কৰিবৰ কাৰণে চৰকাৰে ব্যৱস্থা লৈছে । আৰু ইতিমধ্যে আমাৰ চৰকাৰখন অহাৰ পিচত যোৱা ফাইনেন্‌চিয়েল ইয়েৰত প্ৰায় ১২ কোটি টকা

---

✡ Speech not corrected

মোকলাই দিয়া হৈছে। অসম চাহ নিগমৰ অৱস্থা বেয়া, লায়েবুলিটি ১১৪ কোটি টকা হয় । অসম চৰকাৰে কেনেকৈ পাৰে বিভিন্ন প্ৰকাৰে চেষ্টা চলাই আহিছে। আমি আশা কৰিছো এই সম্পৰ্কে অদূৰ ভৱিষ্যতে ব্যৱস্থা লব পৰা হব ।

**Shri Manilal Gowala :** Sir, thanks to the Government for taking various steps. Whether the Govt. will finalise the valuation of the Tea Gardens and its liabilities, individual garden-wise.

**✡শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, গাইগুটীয়া যোগানৰ কথা আছে। কিন্তু এচেচ এগু লায়েবিলিটিচ যি বিলাক আছে সেই বিলাকো কৰিবৰ কাৰণে চৰকাৰে চাই আছে ।

**Sub : Repair and cleaning of drain.**

**Dr. Kalyan Kr. Gogoi** asked :

✡349 . Will the Minister of MAD be pleased to state :

(a) What plan Government is taking to repair and cleaning of main drain of Dibrugarh Town ?

(b) Is the Government aware that due to non-cleaning and non-repairing for last few years of the drain the water overflows during monsoom and create artificial flood in Dibrugarh town and near by villages ?

**Shri Anjan Dutta** (Minister of State (Independent) Municipal Administration Department) replied :

a) At present there is no plan for repair and cleaning of main drain of Dibrugarh by Dibrugarh Municipal Board.

b) Yes, it is a fact.

**✡ডাঃ কল্যাণ কুমাৰ গগৈ ঃ** মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰিছো ডিব্ৰুগড়ৰ কাৰণে এই টকাৰ ব্যৱস্থা লোৱা নাই । এইটো কিয় ব্যৱস্থা লোৱা নাই মন্ত্ৰী মহোদয়ে জনাবনে ?

✡ Speech not corrected

✡শ্ৰীঅঞ্জন দত্ত (মন্ত্ৰী) ঃ চাৰ, সাধাৰণতে পৌৰসভাৰ এলেকাৰ উন্নয়ণৰ কাৰণে পৌৰ প্ৰশাসনৰ নিজা আচনি সময়ে সময়ে লৈ আহে । সেই মতে পুজিৰো যোগান ধৰা হয়। প্ৰত্যেকখন চহৰৰ পৌৰ প্ৰশাসনক চৰকাৰৰ ফালৰ পৰা সহায় কৰে । আমি ইতিমধ্যে সিদ্ধান্ত লৈছো যে কেৱল গুৱাহাটীয়েই নহয় অসমৰ বিভিন্ন চহৰৰ কাৰণে ড্ৰেইনেজৰ ক্ষেত্ৰত থকা অসুবিধা বিলাক কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি নন্‌লেলচেব'প ফাণ্ডৰ পৰা ব্যৱহাৰ কৰি থকা হৈছে । ডিব্ৰুগড়ৰ পৰা তেনে প্ৰস্তাৱ পোৱা নাই । টাউন এণ্ড কান্ট্ৰি প্লেনিং বিভাগে চাৰ্ভে কৰে । ইঞ্জিনীয়াৰিং ষ্টাফ নাই কাৰণে ড্ৰেইনেজ এটা বনোৱা সম্ভৱপৰ নহয় । তথাপি আঁচনি সমূহ পৰ্য্যায়ক্ৰমে লোৱাৰ ব্যৱস্থা কৰা হৈছে ।

✡ডাঃ কল্যাণ কুমাৰ গগৈ ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে আঁচনি বিলাক কৰা হব । অহা বাৰিষাৰ আগত ডিব্ৰুগড় অঞ্চলত বাকী পৰি থকা এই আঁচনি বিলাক কৰাৰ কাৰণে ব্যৱস্থা লোৱাৰ অনুৰোধ কৰিব পাৰোনে?

✡শ্ৰীঅঞ্জন দত্ত (মন্ত্ৰী) ঃ ডিব্ৰুগড়ৰ ড্ৰেইনেজ ইত্যাদিৰ কাৰণে এজন এক্সিকিউটিভ অফিচাৰ আছে । চৰকাৰৰ তৰফৰ পৰা এক্সিকিউটিভ অফিচাৰলৈ নিৰ্দ্দেশ দিয়া হৈছে আৰু ড্ৰেইনেজ সমূহ পৰিস্কাৰ কৰা সম্ভৱ হয় নে নহয় তাৰ কাৰণেও নিৰ্দ্দেশ দিয়া হব।

**Mr. Speaker :** Starred question No.350, Hon'ble Member, Smti. Pramila Rani Brahma.

**Sub : T. L. Barua Committee.**

**Smti. Pramila Rani Brahma** asked :

✡350. Will the Minister of Planning & Development be pleased to state.

(a) Whether it was a fact that the T. L. Barua Committee has submitted any proposal for the devolution of fund for the BAC ? (Bodo Land Autunomous Council)

(b) If it was true what was the total budgetted fund as submitted in the proposal to the Assam Government and it was also recommended in the Cabinet Meeting ?

---

✡ Speech not corrected

(c) If so whether it is being carried out by the consequtive Government of Assam.

**Shri Tarun Gogoi** (Minister of Planning & Development and Chief Minister of Assam) replied :

(a) Yes

(b) The fund proposed by the Committee and recommended by the Cabinet for the year 1994-95 was as follows :

| | | |
|---|---|---|
| General | : | Rs. 31.52 crore |
| TSP | : | Rs. 30.06 " |
| SCCP | : | Rs. 02.37 " |
| Total | : | Rs. 63.95 crore |

(c) Yes, the proportionate devolution of fund to BAC is being carried out in the successive years.

✡ **শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম ঃ** চাৰ আমি, পি. এণ্ড. ডি ৰ পৰা বিচাৰিছিলো কিন্তু ডব্লিউ. পি. টি লৈ পঠিয়াইছে চৰকাৰে । প্ৰশ্নৰ উত্তৰ বিচাৰিছো পি. এণ্ড. ডিৰ পৰাহে ।

**শ্ৰীভৰত নৰহ (মন্ত্ৰী) ঃ** চাৰ, পি. এণ্ড. ডিয়ে আমাৰলৈ দিছে ।

**মাননীয় অধ্যক্ষ ঃ** কোনো বিভাগে যদি উত্তৰটো তেওঁলোকৰ বিভাগত সদৰি নহ'ব বুলি অনুভৱ কৰে তেনে সংশ্লিষ্ট আন বিভাগটোলৈ পঠাব পাৰে । আৰু পঠাই দিয়ে ।

✡**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম ঃ** অধ্যক্ষ মহোদয়, 'এ' প্ৰশ্নৰ উত্তৰত ডি. টিয়ে দিয়া ফাণ্ডৰ ক্ষেত্ৰত ৰেপুলেন্সন কৰাৰ পৰামৰ্শ দিছিল । কিন্তু কিমান টকা দিয়া হৈছে সেই কথা মই জানিব বিচাৰিছো । টি. এল বৰুৱা কমিটিয়ে যিটো পৰামৰ্শ দিছিল সেই মন্ত্ৰী মহোদয়ে সেইটোয়েই কৰিছে । তেখেতৰ প্ৰস্তাৱ মতে জেনেৰেল এৰিয়াত ৩১.৩২ কোটি টকা আৰু টি. এচ. পি এৰিয়াত ৩০.৩৬ কোটি টকা আৰু এচ. চি. চিপি এৰিয়াত ২.৩৭ কোটি টকা মজুৰ কৰা হৈছিল বুলি কৈছে । মই জনাত এই টি. এল. বৰুৱা কমিটিয়ে টি. এচ. পি. এলেকাত ৬৩ কোটি টকা আৱন্টন দিয়াৰ প্ৰস্তাৱ দিছিল কিন্তু দেখা গৈছে যে মন্ত্ৰী

✡ Speech not corrected

মহোদয়ৰ উত্তৰত টি. এচ. পি এলেকাত ৬৩.৯৫ কোটি টকা দিয়া হৈছে বুলি কৈছে । এই টকাতো একোৱেই নহয় । ১৯৯৪-৯৫ বছৰটোত আৱন্টন দিছিল ৩৪.২৫ কোটি টকা আৱন্টন দিছিল । বি. এ. চি. এলেকাৰ কাৰণে ইমান নগণ্য টকাৰে কাম নহয় । গতিকে টি. এল বৰুৱা কমিটিয়ে দিয়া মতামত অনুসৰি অসম চৰকাৰে বি. এ. চি এলেকাত সেই টকাতো নিদিলে । তাৰ পৰা মাত্র ১৮.৬০ লাখ টকাহে দিছে । টি. এল বৰুৱা কমিটিয়ে বি. এ. চি এলেকাৰ কাৰণে ধাৰ্য্য কৰা ৩২৩.৮১ লাখ টকা আজিও মোকোলাই দিয়া নাই। তাৰ বিপৰীতে প্রতি বছৰে ১০৯.৩৭ কোটি টকাহে পাইছে । উন্নয়ণৰ কাৰণে দিয়া টকাৰ পৰাই আমি বুজি পাইছো ট্রাইবেল এৰিয়াৰ উন্নয়ণৰ কাৰণে অসম চৰকাৰৰ কোনো সদিচ্ছা নাই । আন্তৰিকতা নাই । বি. এ. চি এলেকাত এখনো দলং নির্মাণ কৰা হোৱা নাই । এটাও ৰাস্তা পকী কৰা হোৱা নাই সেই কাৰণে মই কব খুজিছো অসম চৰকাৰ ট্রাইবেল বিৰোধী চৰকাৰ । যিমানখিনি টকা ধাৰ্য্য কৰা হয় তাৰ শতকৰা পঞ্চাশ ভাগো আমালৈ দিয়া নাই। মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো আমাক এলোকেশ্বন দিয়াৰ পিচত যিটো কম টকা দিলে সেইটো ক'ত জমা আছে ? ৰেভিনিউ ডেপ'জিটত আছে নেকি ? এইটো মুকলি কৰি দিব নে উত্তৰ দিব লাগে ।

**✡শ্রীভৰত চন্দ্র নৰহ (মন্ত্রী) ঃ** ইতিমধ্যে মাননীয় সদস্যা গৰাকীক জনোৱা হৈছে যে টি. এল. বৰুৱা কমিটিয়ে বি. এ. চি এলেকাৰ কিমান টকা ৰিক'মেণ্ড কৰিছিল । ইতিমধ্যে জেনেৰেলৰ কাৰণে ৩১.৫২ কোটি টকা টি. এচ. পিৰ কাৰণে ৩০.০৬ কোটি টকা এচ. চি. পিৰ কাৰণে ২.৩৭ কোটি টকা মুঠতে টোটেল ৬৩.৯৫ কোটি টকা । এইটো আমাৰ অসম চৰকাৰৰ প্রিন্সিপ'ল । অসম চৰকাৰৰ পি. এণ্ড. ডিক দিয়া হয় ।

কিন্তু অধ্যক্ষ মহোদয়, প্রতি বছৰে বাজেটত ৰিভিজন হৈ প্লেন কাট হোৱা কাৰণে পৰিমাণ বেলেগ বেলেগ হয় । বিধান সভাৰ বাজেটত পাচ কৰাটো ৰিভিউ হয় । সেই কাৰণে যিমান টকা ধৰা তাতকৈ কেতিয়াবা কম হৈ যায় । ইতিমধ্যে নন্ লেবচেব'ল ফাণ্ডৰ অৰ্থাৎ প্রধান মন্ত্রীৰ ফাণ্ডৰ পৰা কেবাটাও ৰাস্তা আৰু বহুত আঁচনি বি. এ. চি এলেকাৰ কাৰণে লোৱা হৈছে । ইয়াৰ বাবে আমি বহু কোটি টকা চেংশ্বন পাইছো । গতিকে মাননীয় সদস্য গৰাকীয়ে যিটো শংকা বা সংশয় প্রকাশ কৰিছে সেইটো নহয় । আগৰ পাচ বছৰৰ যিমান কম টকা আহিছিল সেই কাৰণে বি. এ. চি ত টকা দিয়া নহয়। কিন্তু আগন্তুক চাৰি বছৰত যথোচিত গুৰুত্ব দিয়া হব আৰু সময়মতে টকা দিয়া হব ।

✡ Speech not corrected

✡**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল বাকী থকা টকাটো মোকলাই দিয়া হ'ব নে নহ'ব ? আমি বহুখিনি টকা পোৱা নাই । যি নগন্যমাত্ৰ টকা আমাক এলকেশ্যন কৰা হয় সেইখিনিও সম্পূৰ্ণকৈ নাপাওঁ । ১৯৯৪-৯৫ চনত প্লেনত কিমান আৰু ননপ্লেনত কিমান আছিল এই কথাবিলাক মন্ত্ৰী মহোদয়ে উত্তৰত উল্লেখ কৰা নাই । বি এ চি এলেকাৰ কাৰণে যি ৬৩.৯৫ কোটি টকা আবন্টন কৰা হৈছিল । তাৰ পৰা বি. এ. চি এলেকা উন্নয়ণৰ কাৰণে কিমান টকা ৰিলিজ কৰি দিয়া হ'ল সেইটোও মন্ত্ৰী মহোদয়ে উত্তৰত উল্লেখ নকৰিলে, সেই কাৰণে মই কব বিচাৰিছো যে মন্ত্ৰী মহোদয়ৰ উত্তৰটো অসম্পূৰ্ণ উত্তৰ, সেয়ে মন্ত্ৰী মহোদয়ে এই বিষয়ৰ তথ্যাপাতি সদনত দাখিল কৰিবলৈ আমি অনুৰোধ জনাইছো । জেনেৰেল ফাণ্ডৰ যিমানখিনি টকা এলকেশ্যন কৰিছে তাৰ যিমানখিনি ৰিলিজ কৰিছে সেইটোও ইয়াত তিৰফেত ৰিফ্লেক্ট হোৱা নাই । সেয়ে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে টি এল বৰুৱা কমিটীয়ে যি পৰামৰ্শ আগবঢ়াইছিল তাৰ ড্ৰাফ প্ৰপজেলৰ কপি এটা সদনত দাখিল কৰিব নে ?

✡**শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দাখিল কৰা হ'ব । মই মাননীয় সদস্যা গৰাকীক কব খুজিছোঁ যে উদাহৰণ স্বৰূপে মই এটা কথা কব পাৰো যে ২০০১-২০০২ চনৰ আমাৰ সমবায় বিভাগৰ বাবে টোটেল ২৫ কোটি টকা ধাৰ্য্য কৰা আছিল কিন্তু ৰিভিউ কৰাৰ পিচত বাজেটৰ কাট হৈ আমি মাত্ৰ ৯ কোটিহে পালো । বি. এ. চি এলেকাৰ উন্নয়ন কাৰণে ধাৰ্য্য কৰা টকাৰো প্ৰতি বছৰে বাজেট ৰিভিউ হোৱাৰ পিচত টকাৰ পৰিমান কমি যায় । কাট হোৱা টকাটো আৰু আমি উভতাই নাপাওঁ ।

✡**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়, প্ৰধান মন্ত্ৰীৰ ফাণ্ডৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ পৰা গোটেই অসমৰ কাৰণে ৬ হাজাৰ কোটি টকা অসমলৈ আহে । এইটো আহে ননলেপচেবল্ ফাণ্ডৰ পৰা দিয়ে । প্ৰধান মন্ত্ৰীৰ এলকেশ্যনৰ টকা হোম মিনিষ্ট্ৰীৰ পৰা পৰামৰ্শ দিয়াৰ পিচত এইটো আমি পাইছোঁ । তিনি বছৰৰ পিচতহে পাইছোঁ । এইটো দুৰ্ভাগ্যজনক কথা । আমাৰৰ অসমৰ পৰা যিখিনি টকা পাওঁ তাৰ পৰা বি. এ. চি. এলেকাৰ একো উন্নয়ন হোৱা নাই সেইকথাটো স্বীকাৰ কৰিবলৈ টান পাইছে কিয় ?

---

✡ Speech not corrected

**Mr. Speaker :** Started question No.351 by Shri Ali Akbar Miah.

**বিষয় ঃ দুখীয়াৰ ওপৰত ভূপতি সকলৰ অত্যাচাৰ ।**

**শ্ৰীআলী আকবৰ মিঞাই** সুধিছে ঃ

✫৩৫১ ঃ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চিঠি নং PLA.405/2001/12 dated 27.08.2001 ৰ বিপৰীতে প্ৰতিবেদন পোৱা হল নে (পোৱা হলে প্ৰতিবেদনৰ কপি সংলগ্ন কৰি আৰু যদি পোৱা হোৱা নাই তাৰ কাৰণ কি ব্যাখ্যা কৰি উত্তৰ দিব) ?

(খ) উপৰোক্ত প্ৰসংগটোৰ ওপৰত ধুবুৰী জিলা প্ৰশাসন তথা দিশপুৰৰ পৰা কিবা ব্যৱস্থা গ্ৰহণ কৰা হল নে – যদি হোৱা নাই, ইয়াৰ বাবে আৰু কিমান দিন সময় লাগিব ?

**শ্ৰীতৰুণ গগৈ,** (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বিভাগীয় চিঠি PLA.405/2001/12 dated 27.08.2001 ৰ বিপৰীতে ধুবুৰী জিলাৰ উপায়ুক্তই পঠোৱা বিলাসীপাৰা মহকুমাধিপতি আৰু বিলাসীপাৰা মহকুমা আৰক্ষী বিষয়াৰ প্ৰতিবেদন যোৱা ১/৪/২০০২ তাৰিখেহে পোৱা হয় ।

উক্ত প্ৰতিবেদন পৰীক্ষা কৰি থকা হেতু বিচৰামতে কপি সংলগ্ন কৰিব পৰা নগল ।

(খ) প্ৰতিবেদন পৰীক্ষা কৰি অনতি পলমে বিহীত ব্যৱস্থা লোৱা হ'ব ।

**✫শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (গৃহ বাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনত দিয়া হৈছে ।

**✫আলী আকবৰ মিঞা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰ মন্ত্ৰী মহোদয়ে কলে যে প্ৰতিবেদনখন পৰীক্ষা কৰি থকা কাৰণে প্ৰতিবেদনৰ কপি দিব পৰা নহল। কিন্তু মোৰ প্ৰশ্নটো হল যে এই প্ৰতিবেদনৰ কপি এটা মন্ত্ৰী মহোদয়ে মোক কালি পৰহিৰ ভিতৰত দিব পাৰিবনে? এইটো মোৰ সমষ্টিৰ কথা, বিলাসীপাৰাত পুলিচে মানুহক মৰিয়াইছে, লাঠীৰে কোৱাইছে বহু মানুহক ঘূণীয়া কৰি দিছে। পুলিচে সেই ভূপতি সকলৰ লগহৈ দুখীয়া মানুহখিনিক কোৱাইছে মৰিয়াই ঘূণীয়া কৰিছে, আহত কৰিছে সেয়ে ৰাইজ ইয়াৰ বাবে

✫ Speech not corrected

চৰকাৰৰ ওচৰত এখন মেমৰেন্ডাম দিছে, মই বিধায়ক হিচাপে এই মেমৰেন্ডামৰ কপি এটা চাব বিচাৰিছোঁ, চোৱাটো মোৰ বাবে প্ৰয়োজন সেয়ে মই এইটো মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছোঁ।

✡**শ্ৰী প্ৰদ্যুৎ বৰদলৈ (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰ যেতিয়া এখন মেমৰেন্ডাম দিয়া হয়, বিশেষকৈ গৃহ বিভাগৰ ক্ষেত্ৰত ইয়াৰ বিশেষভাৱে বিশ্লষণ, পৰীক্ষণ, অনুবীক্ষন, পুনৰীক্ষন ও পুং খানু পুখভাৱে পৰীক্ষা কৰিহে ব্যৱস্থা লবলৈ দিয়া হয়। সেয়ে তেখেতে কোৱা এই প্ৰতিবেদনৰ ক্ষেত্ৰতো অলপ সময় লৈছে । আমি যোৱা এক এপ্ৰিলতহে এই মেমৰেন্ডাম পাইছোঁ, পৰীক্ষা শেষ হোৱাৰ পিচত ব্যৱস্থা লোৱা হব।

✡**শ্ৰী আলী আকবৰ মিঞা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ কথাটো আছিল মই মেমৰেন্ডামৰ কপি এটা বিচাৰিছোঁ। বিধায়ক হিচাপে মোক কপি এটা দিয়াত আপত্তি কিয়? এইটো অপেন্ চিক্ৰেট, পাব্লিকৰ লগত সম্বন্ধ থকা কথা এইটো জনাৰ মোৰ অধিকাৰ আছে। বহুত মানুহক গুলীয়াইছে, মাৰিছে, ঘৃণীয়া কৰি দিছে গতিকে এই প্ৰতিবেদনখনৰ মই এটা কপি পাব লাগে। বিভাগে পৰীক্ষা নিৰীক্ষা কৰি থাকক মই মাত্ৰ কপি এটাহে বিচাৰিছোঁ। আজি সদনত তথ্য জনাৰ অধিকাৰ সৰ্ম্পকীয় বিল পাছ কৰা হৈছে, গতিকে এই কথাটো মই পোৱা উচিত। নহলে এই বিলৰ অৰ্থ কি থাকিব ?

✡**প্ৰদ্যুৎ বৰদলৈ (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰতিবেদন দাখিল কৰাত আপত্তি নাই।

বিষয় ঃ- প্ৰধানমন্ত্ৰী ৰোজগাৰ যোজনা।

**শ্ৰী খলিলুৰ ৰহমান চৌধুৰীয়ে** সুধিছে ঃ

✡৩৫২ ঃ মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) বৰ্ত্তমান অৰ্থ বছৰত নগাওঁ জিলাত প্ৰধানমন্ত্ৰী ৰোজগাৰ যোজনাই কোন কোন পৰিকল্পনাত কিমানজনক মনোনীত কৰিছে?

খ) এই ঋণ লোৱা সকলৰ নাম, ঠিকনা আৰু অৰ্থৰ পৰিমাণ ইত্যাদি বিশদ তথ্য সদনৰ মেজত দাখিল কৰিব?

**শ্ৰী প্ৰদ্যুৎ বৰদলৈ** (উদ্যেগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) বৰ্ত্তমান অৰ্থ বছৰত অৰ্থাৎ ২০০১-২০০২ চনত নগাওঁ জিলাত প্ৰধানমন্ত্ৰী

---

✡ Speech not corrected

ৰোজগাৰ যোজনাই ৬০৫ গৰাকী হিতাধীকাৰীক বিভিন্ন আচনি/পৰিকল্পনাৰ বাবে মনোনীত কৰিছে। এই আচনি/পৰিকল্পনাৰ বিৱৰণ তলত দিয়া হৈছে।

উদ্যোগ- ১৭৩ জন, সেৱা- ৭১ জন, ব্যৱসায়- ২৩৭ জন, কৃষি তথা আনুসাংগিক ক্ষেত্ৰত- ১২৪, মুঠ ৬০৫ জন।

খ) এই ঋণ লোৱা সকলৰ নাম, ঠিকনা আৰু অৰ্থৰ পৰিমাণ ইত্যাদি বিশদ তথ্য সদনৰ মেজত দাখিল কৰা হল।

(Starred question No.353 to 360 could not be taken up for discussion as the question hour was over. However the said question deemed to have been laid on the table of the house with replies there to)

**বিষয় ঃ স্থায়ী কাৰ্য্যালয় স্থাপন।**

**শ্ৰী নীলমনি সেন ডেকাই সুধিছে ;**

✡৩৫৩ ঃ মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ-

(ক) বেলশৰত অস্থায়ী হিচাবে থকা অগ্নি নিৰ্বাপক বাহিনীৰ স্থায়ী কাৰ্য্যালয় স্থাপনৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(খ) যদি স্থায়ী কাৰ্য্যালয় নিৰ্মাণ কৰাৰ কাৰণে বৰ্ত্তমানে চৰকাৰে ব্যৱস্থা লোৱা নাই - কেতিয়াকৈ স্থায়ী কাৰ্য্যালয় নিৰ্মাণ কৰা হ'ব?

**শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) চৰকাৰৰ বিত্তীয় নাটনিৰ বাবে কোনো ব্যৱস্থা কৰিব পৰা নাই।

(খ) চৰকাৰৰ বিত্তীয় পৰিস্থিতিৰ উন্নয়ণ সাপেক্ষেহে বিষটো বিবেচনা কৰা হ'ব।

**Sub : Regular and Fixed Pay Saffai Karmacharies.**

**Shri Tijen Basumatary** asked :

✡354. Will the Minister of Municipal Administration Department be pleased to state :

(a) How many regular and fixed pay Saffai Karmacharies are there under D.C.S.S. in Municipal Administration Department ?

(b) How many S.C.S.T. and O.B.C. Karmacharies are there among them ?

(c) Whether it is a fact that some vacant post of Saffai Karmacharies are lying under D.C.S.S. in Municipal Administration Department ?

(d) If so, whether approval has been taken from State Leval Empowered Committee for filling up the vacant posts ?

**Shri Anjan Dutta** (Minister of State M.A.D.) replied :

(a) There are 51 (fifty one) Nos. of Regular Saffai Karmacharies and 45 (forty five) nos. fixed pay Saffai Karmacharies under Dispur Capital Sanitation Scheme in Municipal Administration Department.

(b) There are Regular and Fixed Pay S.C., S.T. and O.B. C. Saffai Karmacharies as given below :-

| | |
|---|---|
| Regular - | S.C. - 42 Nos. |
| | S.T. - Nil. |
| | O.B.C. - 2 Nos. |
| Fixed Pay - | S.C. - 20 Nos. |
| | S.T. - 4 Nos. |
| | O.B.C. - 14 Nos. |

(c) Yes, it is a fact that there are 6(six) Nos. of posts of Regular Sweeper are lying vacant due to expiry of incumbents under the Dispur Capital Sanitation Scheme in Municipal Administration Department.

(d) Yes, approval of the S.L.E.C. has been obtained for filling up of 4(four) Nos. of vacant posts only and the approval for the remaining 2(two) posts are yet to be obtained as the vacancies occurred later.

**বিষয় ঃ টাডা লাইন।**

**শ্ৰী পবিন্দ্ৰ ডেকাই সুধিছে ঃ**

✡৩৫৫ ঃ মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) টাডা (TADA) আইনৰ অধীনত চৰকাৰে অসমত বৰ্ত্তমান কিমান জন লোকক বন্দী কৰি ৰাখিছে? (উক্ত লোক সকলৰ তালিকা এখন দিব)

(খ) এই বন্দী সকলক জেলত থকা আৰু খোৱাৰ বাবে বিশেষ কিবা সুবিধা দিয়া হয় নেকি?

(গ) যদি দিয়া হয়ঃ কি কি সুবিধা দিয়া হয়?

শ্ৰী প্ৰদ্যুৎ বৰদলৈ (ৰাজ্যিক গৃহমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ-

(ক) টাডা (TADA) আইনৰ অধীনত অসমত বৰ্ত্তমান ১৮ জন কাৰাবন্দী আছে। উক্ত লোক সকলৰ তালিকা লগত গাঠি দিয়া হৈছে।

(খ) নহয়।

(গ) প্ৰশ্ন নুঠে।

**বিষয় ঃ অসম নাগালেণ্ড সীমা সমস্যা।**

**শ্ৰীমতি অজন্তা নেওগে সুধিছে ঃ**

✡৩৫৬ ঃ মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে।

(ক) অসম নাগালেণ্ড সীমা সমস্যাৰ ক্ষেত্ৰত চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে?

(খ) অসম নাগালেণ্ডৰ সীমান্তবৰ্ত্তী দৈয়াং বনাঞ্চলৰ বাহিজৰ মাটি পট্টনৰ বিষয়ে চৰকাৰে কিবা পদক্ষেপ লৈছেনে?

(গ) অসমৰ সীমান্তবৰ্ত্তী এলেকা সমূহক ৰাজহ গাঁও স্বীকৃতি দিয়াৰ আচঁনি চৰকাৰৰ আছেনে?

**শ্ৰীতৰুণ গগৈ** (সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) দ্বিপাক্ষিক আলোচনা অব্যাহত আছে। তদুপৰি মাননীয় উচ্চতম ন্যায়ালয়ত

ৰুজু কৰা ২/১৯৮৮ নং গোচৰ শুনানী পৰ্য্যয়ত আছে।

(খ) লোৱা নাই।

(গ) বৰ্ত্তমান নাই।

**বিষয় ঃ নিবনুৱাক ঋণ প্ৰদান।**

**শ্ৰী ৰামেশ্বৰ তেলিয়ে সুধিছে ঃ**

✡৩৫৭ ঃ মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) প্ৰধান মন্ত্ৰী ৰোজগাৰ যোজনাৰ অন্তৰ্গত নিবনুৱা সকলৰ প্ৰদান কৰা ঋণ যোৱা দহ বছৰত কিমান গৰাকী নিবনুৱাই পাইছে?

খ) ইয়াৰ ভিতৰত চাহ জনজাতি যুৱক-যুৱতীৰ সংখ্যা কিমান?

**শ্ৰী তৰুণ গগৈ (উদ্যোগ বিভাগৰ মন্ত্ৰী হিচাপে মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে।**

ক) প্ৰধানমন্ত্ৰী ৰোজগাৰ যোজনা আচঁনিখন ১৯৯৩-৯৪ চনৰ পৰা ৰূপায়ন কৰা হৈছে আৰু যোৱা ন বছৰত ৫৪,৬৯৫ গৰাকী নিবনুৱাই এই আচঁনিৰ অন্তৰ্গত ঋণ পাইছে।

খ) ইয়াৰ ভিতৰত ১৯৯৮-৯৯ চনলৈকে ২১৭ গৰাকী চাহ জনজাতি যুৱক-যুৱতী আছে। ১৯৯৮-৯৯ চনৰ পিচৰ তথ্য সংগ্ৰহ কৰি থকা হৈছে।

**Sub : FORMATION OF GOVERNING BODY AT LUMDING COLLEGE.**

**Shri Sushil Dutta,** asked :

✡358. Will the Minister of Higher Education be please to state :

(a) Whether the Government has received a list of person form the LOCAL M.L.A. for formation of Governing Body of Lumding College ?

(b) If so, what is the result ?

**Shri Tarun Gogoi** (Minister of Education (Higher / In-Charge) replied :

(a) No.

(b) The Governing Body has been constituted as per Rule 3 of the Assam Non-Govt. College Management Rules, 2001 as amended.

**Subject : Official Language.**

**Shri Mission Ranjan Das** asked :

✡359. Will the Chief Minister be pleased to state :

(a) Official Language in the District of Barak-Valley is Bengali but some departments of the Government like Health and Family Welfare, Food & Civil Supplies, Rural Development, Agriculture Department Prints and uses Poster, Cards etc. not in Bengali and as such public resentment has been created against these departments.

(b) What steps the Government will take to use such materials in Bengali ?

**Shri Pradyut Bordoloi** (Minister of State Home) replied :

(a) Instructions have been issued to all Govt.

(b) Deptts. to use official language as per The Assam Official Language Act. 1960.

**বিষয় ঃ আৰক্ষী থানা।**

**শ্ৰী শুকুৰ আলি আহমেদে,** সুধিছে ঃ

✡৩৬০ ঃ মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমানটা আৰক্ষী থানা আৰু আৰক্ষী চকী আছে?

(খ) অসমত নদী আৰক্ষী থানা আৰু আৰক্ষী চকী কিমানটা আছে?

(গ) ৰাজ্যখনত নতুনকৈ আৰক্ষী থানা আৰু আৰক্ষী চকী স্থাপন কৰা হ'ব নেকি?

**শ্ৰীতৰুণ গগৈ** (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) আৰক্ষী থানা ২৪০ খন আৰু ১৭৫ খন আৰক্ষী চকী আছে।

(খ) নদী আৰক্ষী থানা ৪ খন আৰু নদী আৰক্ষী চকী ৬ খন আছে।

(গ) বিত্তীয় অৱস্থা অনুকুল হলে আৰু প্ৰয়োজন অনুসাৰে আৰক্ষী থানা আৰু আৰক্ষী চকী স্থাপন কৰা হ'ব।

**Mr. Speaker** : Now, I shall take up short notice question No.1, Hon'ble Member, Shri Dilip Kumar Saikia

## SHORT NOTICE QUESTION

**বিষয় ঃ ৰাজহুৱা উদ্যোগ, নিগম প্ৰতিষ্ঠান ।**

**শ্ৰী দিলীপ কুমাৰ শইকীয়াই** সুধিছে ঃ

১। মাননীয় ৰাজহুৱা উদ্যোগ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ ৰাজহুৱা উদ্যোগ নিগম প্ৰতিষ্ঠান সমূহক কাৰ্য্যক্ৰম কৰাৰ বাবে বৰ্ত্তমান চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

(খ) ৰুগ্ন উদ্যোগ, নিগম প্ৰতিষ্ঠান সমূহক অগ্ৰাধিকাৰ ভিত্তিত চিনাক্ত কৰি কাৰ্য্যক্ষম কৰাৰ বাবে বিশেষজ্ঞ কমিটি গঠন কৰি বিশেষ ব্যৱস্থা লব নোৱাৰিনে ?

(গ) যিবোৰ নিগম তথা প্ৰতিষ্ঠানৰ কৰ্মচাৰীয়ে দৰমহা পোৱা নাই সেই সকল কৰ্মচাৰীক দৰমহা দিয়াৰ কিবা ব্যৱস্থা কৰা হৈছে নেকি ?

(ঘ) ৰাজহুৱা উদ্যোগ নিগম প্ৰতিষ্ঠান ৰক্ষা সমিতিয়ে মাননীয় মুখ্যমন্ত্ৰীক দিয়া 'স্মাৰক পত্ৰৰ' দাবীসমূহ কাৰ্য্যকাৰী কৰাৰ ব্যৱস্থা লৈছে নেকি ?

**শ্ৰী ইছমাইল হুছেইন** (উদ্যোগ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ৰাজহুৱা উদ্যোগ বিভাগে ২০০১ চনৰ জুলাই / আগষ্ট মাহত প্ৰতিটো নিগম প্ৰতিষ্ঠানৰ পৰ্য্যালোচনা কৰি বিভিন্ন ধৰনৰ ব্যৱস্থাৰ প্ৰতিবেদন তৈয়াৰ কৰিছে । ২০০১ চনৰ ডিচেম্বৰ মাহত বিত্তীয় সংস্কাৰ কমিতিয়েও এই উদ্যোগ প্ৰতিষ্ঠান সমূহ সম্পৰ্কে প্ৰতিবেদন দাখিল কৰিছে । ২০০০ চনৰ এপ্ৰিল মাহত অসমৰ মহাগাননিকৰ পৰাও ভাৰতৰ নিয়ন্ত্ৰণ আৰু

মহালেখা পৰীক্ষকে নিয়োগ কৰা সংস্থা এটাৰো এই সম্পৰ্কে প্ৰতিবেদন পোৱা হৈছে । চৰকাৰে ৰাজহুৱা উদ্যোগ নিগম প্ৰতিষ্ঠান সমূহ কাৰ্য্যক্ষম কৰা সম্ভৱ হয় নে নহয়, এই বিষয়টো অধ্যয়ন কৰিবলৈ এটা কমিটি গঠন কৰাটো বিবেচনা কৰি আছে ।

(খ) ৰাজহুৱা উদ্যোগ নিগম প্ৰতিষ্ঠান সমূহ কাৰ্য্যক্ষম কৰা সম্ভৱ হয় নে নহয় এই বিষয়টো অধ্যয়ন কৰিবলৈ যিটো কমিটি গঠন কৰাৰ কথা বিবেচনা কৰি আছে, সেইটো বিশেষজ্ঞক লৈ গঠিত হ'ব । এই বিশেষজ্ঞ কমিটিয়ে ৰুগ্ন উদ্যোগ নিগম প্ৰতিষ্ঠান সমূহৰ বিষয়েও অধ্যয়ন কৰিব ।

(গ) ৰাজহুৱা উদ্যোগ নিগম সমূহে ব্যৱসায়ৰ দ্বাৰা উপাৰ্জন কৰি ইয়াৰ কৰ্মচাৰী সকলক দৰমহা দিয়ে । চৰকাৰে সাধাৰণতে ৰাজহুৱা উদ্যোগ নিগমসমূহক আচনি ভিত্তিত ধনৰ যোগান দিয়ে । বৰ্ত্তমান বিত্তীয় সংকটৰ বাবে ৰাজহুৱা উদ্যোগ নিগমৰ কৰ্মচাৰীক দৰমহা দিবলৈ ধনৰ যোগন ধৰাৰ বিষয়টোও চৰকাৰে কোনো সিদ্ধান্ত লোৱা নাই ।

(ঘ) ৰাজহুৱা উদ্যোগ নিগম প্ৰতিষ্ঠান ৰক্ষা সমিতিয়ে দিয়া স্মাৰক পত্ৰৰ দাবী সমূহ পৰীক্ষা কৰা হৈছে । প্ৰস্তাৱিত বিশেষজ্ঞ কমিটিয়েও এই বিষয়টো চাব আৰু তাৰ পিছত চৰকাৰে সিদ্ধান্ত লব ।

**Sub : Short Notice Question.**

**Shri Dilip Kumar Saikia.**

2. Will the Minister Education be pleased to state :

(ক) সদৌ অসম মধ্য ইংৰাজী শিক্ষক সন্থাৰ দীৰ্ঘদিনীয়া দাবী সমূহ সমাধানৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

(খ) মনোহৰণ সমিতিৰ প্ৰতিবেদন মৰ্মে আৱন্টিত পদৰ বিপৰীতে নিযুক্তি পোৱা শিক্ষক / শিক্ষয়ত্ৰী সকলৰ পদ সমূহ নিয়মীয়া কৰাৰ কিবা ব্যৱস্থা হাতত লৈছে নেকি ?

(গ) সহকাৰী শিক্ষক সকলৰ বেতনৰ আসোৱাহ দুৰ কৰাৰ কাৰণে বৰ্ত্তমানে কি ব্যৱস্থা হাতত লৈছে ?

**Shri Hem Prakash Narayan** (Minister of Edcuation) replied:

(ক) সদৌ অসম মধ্য ইংৰাজী শিক্ষক সন্থাৰ বিভিন্ন দাবী সম্বলিত স্মাৰক পত্ৰ

চৰকাৰৰ ওচৰত উত্থাপন কৰিছে । ইতিমধ্যে কেবালানিও আলোচনা চৰকাৰ আৰু সদৌ মধ্য ইংৰাজী শিক্ষক সন্থাৰ মাজত হৈ যায় । দাবী সমূহ পৰীক্ষা কৰি থকা হৈছে আৰু পৰ্য্যায়ক্ৰমে ব্যৱস্থা লোৱা হ'ব ।

(খ) মনোহৰণ সমিতিৰ প্ৰতিবেদন মৰ্মে আৱন্টিত পদৰ বিপৰীতে নিযুক্তি পোৱা অনিয়মীয়া শিক্ষক / শিক্ষয়ত্ৰী সকলৰ পদ সমূহ নিয়মীয়া কৰা হৈছে । এনে ধৰণে ৩৫১১ অনিয়মীয়া শিক্ষক / শিক্ষয়ত্ৰীৰ চাকৰী ইতিমধ্যে নিয়মীয়া কৰা হৈছে ।

(গ) মধ্য ইংৰাজী বিদ্যালয় সমূহত একোজনকৈ স্নাতক ডিগ্ৰীধাৰী বিজ্ঞানৰ শিক্ষক নিযুক্তি দিয়া হৈছে । তেওঁলোকৰ শিক্ষাগত অৰ্হতা বিজ্ঞানৰ স্নাতক হ'বই লাগিব । আনহাতে অন্য সহকাৰী শিক্ষক সকলৰ নিম্নতম শিক্ষাগত অৰ্হতা উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱা বাঞ্চনীয় । গতিকে এই দুই ধৰণৰ শিক্ষকৰ বেতন ভিন্ন হ'লেও, বেতনৰ মাজত আসোৱাহ থকা বুলি কব নোৱাৰি ।

**বিষয় ঃ শ্ৰী পবিন্দ্ৰ ডেকাই ২০০২ বাজেট অধিবেশনত সোধা তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী**

**শ্ৰী পবিন্দ্ৰ ডেকাই সুধিছে ঃ**

৩ । মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ-

(ক) অসমত বৰ্ত্তমানলৈ কিমানটা প্লাইউড উদ্যোগ আছে ?

(খ) এই প্লাইউড উদ্যোগ বিলাকৰ পৰা চৰকাৰে প্ৰতি বছৰে কিমান টকা ৰাজহ লাভ কৰে ?

(গ) এই উদ্যোগবোৰ বৰ্ত্তমান চলি আছে নে ?

(ঘ) যদি নাই ইয়াৰ কাৰণ কি ?

**শ্ৰীতৰুণ গগৈ** (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমত বৰ্ত্তমানলৈকে ১৮(ওঠৰ) টা অনুজ্ঞা পত্ৰ প্ৰাপ্ত প্লাইউড উদ্যোগ আছে ।

(খ) যোৱা বছৰটোত চৰকাৰে প্লাইউড উদ্যোগ সমূহৰ পৰা ৪,৬৫,৪০০.০০ টকা ৰাজহ লাভ কৰে আৰু অসম বিক্ৰীকৰ আইনৰ অধীনত ১৯.৭৬ লাখ টকা ৰাজহ হিচাবে লাভ কৰে ।

(গ) মাত্র দুটা প্লাইউড উদ্যোগহে বৰ্ত্তমানেও চলি আছে ।

(ঘ) কেঁচা মালৰ অভাৱৰ বাবে ।

**Sub : Short Notice Question.**

**Shri Ali Akbar Miah.**

4. Will the Minister of Edcuation be pleased to state :

(ক) ১৯৯৮ ইং বৰ্ষত বিলাসীপাৰা, ধুবুৰী, গোসাইগাওঁ মহকুমাত কাক কাক CRC vacancy আৰু Deputation vacancy পদত নিযুক্তি দিয়া হ'ল (মহকুমা ভিত্তিত তালিকা প্ৰস্তুত কৰি তথ্য দিব) ?

(খ) গোসাইগাওঁ, ধুবুৰী মহকুমাৰ উক্ত নিযুক্তি সমূহ পৰবৰ্ত্তী আদেশ নিদিয়াকাললৈ বঢ়াই (Extension) দিয়া আৰু চিঠি নং DPEP/DPC/CRC/15(A)Pt/2001-02 dated 28.09.2001 যোগে CRC সকলৰ কাৰ্য্যকাল পৰবৰ্ত্তী আদেশ নিদিয়ালৈ বঢ়াই দিয়া Extension টো সচাঁনে?

(গ) যদি সঁচা তেন্তে বিলাসীপাৰা মহকুমাৰ উক্ত নিযুক্তি. সমূহৰ কাৰ্য্যকাল বঢ়াই (Extension) নিদিয়াৰ কাৰণ কি ?

(ঘ) বিলাসীপাৰা মহকুমাৰ উক্ত নিযুক্তি সমূহৰ কাৰ্য্যকাল বঢ়োৱা (Extension) ৰ ব্যৱস্থা কৰা নহলে অন্যান্য মহকুমাৰ বিপৰীতে কাৰ্য্যকাল বঢ়োৱাৰ আদেশ প্ৰত্যাহাৰ হ'ব নেকি ?

Shri Hem Prakash Narayan, Minister of Education replied :

(ক) তথ্য বিচাৰি থকা হৈছে ।

(খ) সঁচা ।

(গ) বিত্ত বিভাগৰ চিঠি নং ৫৬/৯৮/২০৪ তাৰিখ ১১/১১/৯৬ মৰ্মে কোনো চুটিৰ খালী পদত নিযুক্তি দিয়া বন্ধ আছে । বিলাসীপাৰা মহকুমাৰ পৰা সঠিক তথ্য পোৱাৰ পিচত কব পৰা হব । (See Annexure - III)

(ঘ) বিবেচনা কৰি থকা হৈছে ।

## UNSTARRED QUESTIONS AND ANSWERS

**বিষয় ঃ পৰিবহন নিগমৰ বাছৰ সংখ্যা ।**

শ্ৰী পানী ৰাম ৰাভাই সুধিছে ঃ

৬৯৮ । মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পৰিবহন নিগমৰ বাছ বৰ্ত্তমান কিমানখন আছে ?

(খ) নিগমৰ অধীনৰ বাছ বৰ্ত্তমান কিমানখন আছে ?

(গ) ব্যক্তিগত মানুহৰ কিমান গাড়ী পঞ্জীয়ন হৈ আছে ?

(ঘ) পঞ্জীয়ন হোৱা অটোৰিক্সা কিমানখন আছে ।

**শ্ৰীঅঞ্জন দত্ত** (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ২৮৮ খন (২০০২ চনৰ ফেব্ৰুৱাৰী মাহলৈকে) ।

(খ) ৪৭০ খন (২০০২ চনৰ ফেব্ৰুৱাৰী মাহলৈকে) গড়ে প্ৰতিদিনে বাছ চলিছে।

(গ) ৬৫২ খন (২০০২ চনৰ ফেব্ৰুৱাৰী মাহলৈকে) পঞ্জীভূক্ত হৈছে ।

(ঘ) ১৯,৩৬৮ খন (২০০২ চনৰ ফেব্ৰুৱাৰী মাহলৈকে) ।

**Sub : Match Factory.**

**Shri Romio Brahma** asked :

699. Will the Minister of Industry be please to state :

a) Whether the Government is aware that the "Match Factory" located at Bijni Town (Bongaigaon) has completely been deadlock since 1998 ?

b) Is it true that the employees of the same factory have not received their Salary since 1st March, 1998 ?

c) Will the Government take any positive step for those employees ?

d) Whether the Government has taken any policy against the factory for its revival ?

e) If so, when it will be implemented ?

**Shri Tarun Gogoi** (Minister of Industries) replied.

a) Govt. is aware that the Match Splint Factory at Bijni under Assam Small Industries Development Corporation (ASIDC) Ltd. has remained defunct since, 1994.

b) Yes. However same advances have been paid to the employee from time to time against their salary.

c) It was not possible to release the salary and outstanding dues to the employees as the ASIDC Ltd. has been realing under servere financial crisis. There is no scope of reviving the unit and Govt. is considering a proposal for closure of the unit with refrencement of the employees giving financial relief under Industrial Dispute Act.

d) Due to non availability of raw materials i.e. Match wood and due to closure of M/s WIMCO, Dhubri which was the main purchaser of finished products of the Match Factory, there is no scope for revival of the factory.

e) Reply as at (d) above.

**Sub : Cachar Sugar Mill at Anipur.**

**Shri Rathish Ranjan Choudhury** asked :

* 700. Will the Minister of Industry be pleased to state :

a) What is the present position of the Cachar Sugar Mill at Anipur, in the District of Karimganj under Ratabari (SC) constituency ?

b) What measures have been taken by the Government to revive and reactivate the closed Cachar Suger Mill situated at Anipur in the District of Karimganj ? (State in details)

c) Will Government take any concreate plan to rebabilate the employees of the Mill, who are facing untold financial hardship to maintain their family due to it's closure ?

**Shri Tarun Gogoi,** (Minister of Industries) replied.

a) The Cachar Sugar Mills Ltd. is not in operation since 1985-86 crushing season except for a few days in 1996-1997 season under a private party.

b) The State Govt. is examining the various alternatives including privatisation for the revival of the Mill.

c) The Govt. is examining all the options available in order to reduce the problems faced by the employees.

**বিষয় ঃ ৰাজনৈতিক বন্দী ।**

ড° জয়নাথ শৰ্মায়ে সুধিছে ঃ

৭০১ । মাননীয় আইন বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমানটা ৰাজনৈতিক বন্দী বিভিন্ন কাৰাগাৰত আছে ?

(খ) TADA বন্দীৰ সংখ্যা কিমান, TADA গোচৰ কিমান বুজু হৈছিল আৰু নিস্পত্তি কিমান হ'ল ?

(গ) অসমৰ জিলা ন্যায়ধীশৰ সংখ্যা কিমান ?

(ঘ) অসমৰ কিমানজন ন্যায়ধীশৰ বাবে চৰকাৰী আবাসৰ সুবিধা আছে, আৰু ক'ত ক'ত নাই ?

(ঙ) গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ সংখ্যা কিমান আৰু সকলোৰে বাবে আবাসৰ সুবিধা চৰকাৰী ভাবে দিয়া হৈছেনে ?

(চ) যদি দিয়া হোৱা নাই, এনে সুবিধাৰ দিয়াৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে?

(ছ) অসমত উচ্চ ন্যায়ালয়ত, কিমান গোচৰ পঞ্জীভূক্ত হৈ আছে ?

**শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) অসমৰ কাৰাগাৰত 'ৰাজনৈতিক বন্দী' বুলি কোনো কাৰাবন্দী নাই ।

(খ) টাডা (TADA) বন্দীৰ মুঠ সংখ্যা ১৮ জন (ইং ১৫-০৩-২০০২ তাৰিখ) মুঠ ৫০০৫ টা টাডা গোচৰ বুজু হৈছিল আৰু তাৰে মুঠ ৩৬০৭ টা গোচৰ ইং ২০০২ চনৰ ফেব্ৰুৱাৰী মাহলৈকে নিস্পত্তি কৰা হৈছে ।

(গ) অসমৰ জিলা ন্যায়ধীশৰ সংখ্যা ২১ জন ।

(ঘ) সকলো জিলা ন্যায়াধীশৰ বাবে চৰকাৰী আবাস গৃহ আবন্টন দিয়া হৈছে।

(ঙ) গুৱাহাটী উচ্চ ন্যায়ালয়ত বৰ্ত্তমান মুখ্য ন্যায়াধীশকে ধৰি মুঠ ১৬ জন ন্যায়াধীশ আছে আৰু সকলো ন্যায়াধীশকে চৰকাৰী ভাবে আবাসৰ সুবিধা দিয়া হৈছে ।

(চ) প্ৰশ্ন নুঠে ।

(ছ) ইং ৩১-১২-২০০১ তাৰিখত গুৱাহাটী উচ্চ ন্যায়ালয়ত সৰ্ব্ব মুঠ ৫১,৮০৪ টা গোচৰ পঞ্জীভূত হৈ আছে ।

**বিষয় ঃ অগ্নি নিৰ্বাপক বাহিনীৰ কাৰ্য্যালয় ।**

**শ্ৰী প্ৰণয় ৰাভাই সুধিছে ঃ**

৭০২ । মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা চহৰৰ বাহিৰে গোৱালপাৰা জিলাখনত কেইটা অগ্নি নিৰ্বাপক বাহিনীৰ কাৰ্য্যালয় আছে ?

(খ) দুধনৈ বা লক্ষীপুৰ চহৰ দুখনত অগ্নি নিৰ্ব্বাপক বাহিনীৰ কাৰ্য্যালয় স্থাপনৰ ব্যৱস্থা কৰা হব নেকি ?

**শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) গোৱালপাৰা চহৰৰ বাহিৰে জিলাখনৰ অন্য কোনো ঠাইত অগ্নি নিৰ্ব্বাপক বাহিনীৰ কাৰ্য্যালয় নাই ।

(খ) চৰকাৰৰ বিত্তীয় পৰিস্থিতিৰ উন্নয়ন সাপেক্ষেহে বিষয়টো বিবেচনা কৰা হ'ব ।

**বিষয় ঃ অগ্নি নিৰ্বাপক বাহিনীৰ উপকেন্দ্ৰ স্থাপন ।**

শ্ৰী মদন কলিতাই সুধিছে ঃ

৭০৩ । মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমানে ৰাজ্য চৰকাৰে অসমৰ ঠাই বিশেষে অগ্নিনিৰ্ব্বাপক বাহিনীৰ উপকেন্দ্ৰ স্থাপনৰ সিদ্ধান্ত লৈছে নেকি ?

(খ) নলবাৰী আৰু কামৰূপ জিলাৰ সীমা মূৰীয়া ঘগ্ৰাপাৰত অঞ্চলটোৰ গুৰুত্বৰ বুজি অগ্নিনিৰ্ব্বাপক বাহিনীৰ উপকেন্দ্ৰ এটা স্থাপনৰ খৰতকীয়া ব্যৱস্থা লব'নে ?

শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) প্ৰয়োজন সাপেক্ষে বৰ্ত্তমান মাত্ৰ দুঠাইত অস্থায়ী উপকেন্দ্ৰ স্থাপন কৰা হৈছে ।

(খ) চৰকাৰৰ বিত্তীয় পৰিস্থিতিৰ উন্নয়ন সাপেক্ষেহে বিষয়টো বিবেচনা কৰা হ'ব ।

**Sub : Inclusion of Orang-Diagaon Road under 10th Finance.**

**Shri Karendra Basumatary** asked :

704. Will the Minister of Planning & Development be pleased to state :

a) Whether Government will take necessary steps to include P.W.D. Road from Organ to Daligaon under 10th Finance Commission ?

**Shri Tarun Gogoi,** (Minister Planning and Development) replied.

a) Question does not arise as the tenure of 10th Finance Commission is already over on 31st March 2001.

**Sub : ST & SC Government Servents.**

**Shri Rupon Singh Romghang** asked :

705. Will the Chief Minister be pleased to state :

a) Is Government aware about adoption of the constitution 85th Amendment Act, 2001 allowing consequential seniority to SC/ST Government servants of their promotion under reservation Rules ?

b) Is the Government also aware about the guide lines issued by Government of India dated 21.01.2002 instructing all states to revise seniority list of Government servants by giving seniority to such SC/ST

Officials and give further promotion / posting etc. within 3 (three) months time ?

c) Inspite of the Government of India's guide lines State Government has issued O. M. dated 12.03.2002, not giving any time frame for the said purpose, why ?

d) Will the State Government complete revision of gradation list and further promotion / posting etc. maintain time frame fixed by the Government of India?

e) Will the State Government also fillup all backlog reserved vacancies ?

**Shri Tarun Gogoi** (Chief Minister) replied.

a) Yes

b) Yes

c) & d) Government of India's office Memorandum No.2001-1/1/2001 Estt(D) dated 21.01.2002 giving time frame is applicable to Central Government Ministries / Departments. The State Government's Office Memorandum No.ABP.59/96/163 dated 12.03.2002 is effective with effect from the date of issue of the Office Memorandum. The Office Memorandum is applicable to all State Government Departments.

e) Yes, as per provision of the Assam Scheduled Castes / Scheduled Tribes (Reservation of Vacancies is Service & Posts) Act. 1978.

**বিষয় ঃ R. O. (P) হিচাবে বদলিকৰণ ।**

**শ্ৰী দীনেশ চন্দ্ৰ চৰকাৰে সুধিছে ঃ**

**৭০৬ ঃ মাননীয় সীমান্ত উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) এইটো সঁচানে যে অসম চৰকাৰৰ Planning & Development বিভাগৰ

কাৰ্য্যালয়, তাং দিশপুৰ ৬-৩-২০০২ ৰ PDS.3/92/Pt/40-B চিঠি যোগে Deputy Director of Economics & Statistics, Tezpur, Sonitpur অফিচৰ Statistical Officer শ্ৰীপংকজ ফুকনক Boder Areas Deptt. ত R. O. (P) হিচাপে বৰ্ত্তমান R. O. (P) শ্ৰীকমল দাসৰ ঠাইত বদলি কৰা হৈছে ?

(খ) এইটো সঁচানে যে শ্ৰীপংকজ ফুকন R. O. (P) হিচাপে Border Areas Department ত ইয়াৰ আগতেও একাদিক্ৰমে ৮ বছৰ Deputation ত থাকি বিতৰ্কৰ সৃষ্টি কৰিছিল আৰু চৰকাৰে উক্ত অফিচাৰক উক্ত পদৰ পৰা আতৰাবলৈ যোৱা ২০০০ চনত মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ডিভিজন বেঞ্চলৈকে যাব লগা হৈছিল যাৰ বাবে চৰকাৰে বহুতো অৰ্থ ভৰিব লগা হৈছিল ?

(গ) যদি এইটো সঁচা হয়, তেতিয়াহলে চৰকাৰে ইমান টকা খৰছ কৰি মহামান্য উচ্চ ন্যায়ালয়ৰ সহায়ত আতোৰোৱা ব্যক্তি গৰাকীক পুনৰ একে বিভাগতে একে পদত বদলি কৰাৰ তাৎপৰ্য্য কি ?

**শ্ৰীতৰুণ গগৈ** (সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ দায়িত্বত থকা মাননীয় মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয় । কিন্তু পৰিসংখ্যা বিষয়া শ্ৰী পংকজ ফুকনক সীমান্ত অঞ্চল বিভাগলৈ বদলি কৰি ইতিপূৰ্ব্বে দিয়া আদেশ, পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ আদেশ PDS.3/92/Pt/60, dated 30/03/2003 অনুযায়ী ইতিমধ্যে ৰদ কৰা হৈছে ।

(খ) শ্ৰীপংকজ ফুকন সীমান্ত অঞ্চল সঞ্চালয়কত, ১৯৯২ চনৰ অক্টোবৰৰ পৰা ২০০০ চনৰ আগষ্ট মাহলৈকে কাৰ্য্য নিৰ্ব্বাহ কৰিছিল ।

শ্ৰীপংকজ ফুকনে সীমান্ত অঞ্চল বিভাগৰ পৰা তেওঁক আতৰাই দিয়া আদেশৰ বিপৰীতে মাননীয় গুৱাহাটী উচ্চ ন্যায়ালত গোচৰ তৰে । মাননীয় উচ্চ ন্যায়ালয়ৰ খণ্ড আদালতে শ্ৰীফুকনৰ আবেদন নাকচ কৰি চৰকাৰৰ আদেশ বাহাল ৰাখে ।

উক্ত গোচৰত চৰকাৰী পক্ষৰ হৈ চৰকাৰী অধিবক্তা আৰু এডভোকেট জেনেৰেলে প্ৰতিধিত্ব কৰে যদিও সীমান্ত অঞ্চল বিভাগৰ পৰা কোনো খৰচ বহন কৰা হোৱা নাই ।

(গ) প্ৰশ্ন নুঠে ।

**বিষয়ঃ ব্যক্তিগত মালিকৰ গাড়ী ।**

**শ্ৰীসৰ্বানন্দ সোনোৱালে সুধিছে ঃ**

৭০৭ । মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

অসম ৰাজ্যিক পথ পৰিবহন নিগমে ব্যক্তিগত মালিকৰ গাড়ী নিগমৰ অধীনত কি চুক্তিৰ আধাৰত চলাইছে আৰু ইয়াৰ জৰিয়তে বৰ্ত্তমান কি পৰিমাণৰ ৰাজহ আহৰণ কৰিছে ?

**শ্ৰীঅঞ্জন দত্ত (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

"অসম ৰাজ্যিক পৰিবহন নিগম স্বনিয়োজন আঁচনি, ২০০১"ৰ জৰিয়তে ব্যক্তিগত মালিকৰ বাছ নিগমৰ অধীনত তলত উল্লেখ কৰা চুক্তি অনুযায়ী চলোৱা হৈছে –

(ক) ৭০৯/৬০৯ আৰু ৮ বছৰৰ অধিক বয়সৰ গাড়ীয়ে প্ৰতি কিঃমিঃত ১ টকা অথবা মুঠ উপাৰ্জনৰ ১০% (যিটোৱে বেছি)

(খ) জিলা আৰ্হিৰ ডাঙৰ বাছে প্ৰতি কিঃমিঃত ১.২৫ টকা অথবা ১০% (যিটোৱে বেছি) আৰু

(গ) ডিলাক্স বাছে প্ৰতি কিঃমিঃত ১.২৫ টকা অথবা ১৫% (যিটোৱে বেছি) নিগমৰ অংশ হিচাবে ট্ৰিপ সম্পূৰ্ণ কৰাৰ পাচত দৈনিক আদায় দিব লাগে।

ইয়াৰ উপৰিও বাছ সমূহত নিগমে ধাৰ্য্য কৰি দিয়া হিচাবে ৰং কৰি দিব লাগে আৰু নিগমৰ অধীনত চলাৰ বাবে পঞ্জীকৃত কৰিব লাগে। পঞ্জীকৰণৰ বাবদ প্ৰতিখন ৭০৯/৬০৯ আৰু ৮ বছৰৰ অধিক বয়সৰ বাছৰ পৰা ৬,০০০ টকা জিলা আৰ্হিৰ ডাঙৰ বাছৰ পৰা ১০,০০০ টকা আৰু প্ৰতিখন ডিলাক্স বাছৰ পৰা ২০,০০০ টকা পঞ্জীকৰণ মাচুল হিচাবে জমা পোৱা হয় ।

ব্যক্তিগত মালিকৰ বাছৰ পৰা ১-৯-২০০১ ৰ পৰা ২৮-২-২০০২ পৰ্য্যন্ত মুঠ ১৬৩.১১ লাখ টকা ৰাজহ আহৰণ কৰা হৈছে।

**বিষয় ঃ Out Post.**

**শ্ৰীসৰ্ব্বানন্দ চৌধুৰীয়ে সুধিছে ঃ**

৭০৮ । মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ভৱানীপুৰ সমষ্টিৰ সৰুপেটা Out Post টো আৰু শালবাৰীৰ Out Post টো পূৰ্ণ পৰ্য্যায়ৰ থানালৈ উন্নতকৰণৰ প্ৰস্তাৱ ২০০২-২০০৩ বিত্তীয় বৰ্ষত আঁচনি গ্ৰহণ কৰিছে নেকি ?

(খ) আইন শৃংখলা অটুত ৰখাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পৰা এই অঞ্চলৰ গুৰুত্বপূৰ্ণ অভাৱটো কেতিয়া পূৰণ কৰা হ'ব ?

**শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ২০০২-২০০৩ বিত্তীয় বৰ্ষত বিত্তীয় অৱস্থা সাপেক্ষে সৰুপেটা Out Post টো আৰক্ষী থানালৈ উন্নীত কৰাৰ প্ৰস্তাৱ চৰকাৰৰ বিবেচনাধীন । শালবাৰী আৰক্ষী চকীটো অনুমোদনপ্ৰাপ্ত নহয় বাবে আৰক্ষী থানালৈ উন্নীতকৰণৰ কথা চৰকাৰে চিন্তা কৰা নাই ।

(খ) বিত্তীয় অৱস্থা সাপেক্ষে ব্যৱস্থা লোৱা হ'ব ।

**বিষয় ঃ প্ৰাৰ্থীৰ সংখ্যা ।**

**শ্ৰীহেমন্ত তালুকদাৰে সুধিছে ঃ**

৭০৯ । মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০১ চনত অনুষ্ঠিত হোৱা APRO Constable, Police (Wireless Operator) পদৰ বাবে কিমান জন প্ৰাৰ্থীয়ে সাক্ষাৎকাৰ দিছিল ।

(খ) কিমানজন প্ৰাৰ্থীক নিযুক্তি দিলে ? (নিযুক্তি দিয়া প্ৰাৰ্থী সকলৰ শিক্ষাগত অৰ্হতা, ঠিকনা সদনৰ মেজত দাখিল কৰিব)

(গ) নিযুক্তি দিবলৈ বাকী থকা প্ৰাৰ্থীৰ তালিকা নাম সহ সদনৰ মেজত দাখিল কৰিবনে ?

**শ্ৰীযুত তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ৭৮০ জন সাক্ষাৎকাৰত উত্তীৰ্ণ প্ৰাৰ্থীক নিযুক্তি দিয়া হৈছে । নিযুক্তি দিয়া প্ৰাৰ্থী সকলৰ শিক্ষাগত অৰ্হতা আৰু সম্পূৰ্ণ ঠিকনাৰ তালিকা সদনৰ মেজত দিয়া হ'ল ।

(খ) ১৫ জন সাক্ষাৎকাৰত উত্তীৰ্ণ প্ৰাৰ্থীৰ নিযুক্তি বিবেচনাধীন হৈ আছে । উক্ত প্ৰাৰ্থীসকলৰ তালিকা সদনৰ মেজত দিয়া হ'ল ।

**বিষয় ঃ পুৰণি বৰপেটা চহৰ ।**

**ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ**

৭১০ । মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা চহৰখনত দ্ৰুত গতিত যান-বাহনৰ সংখ্যা বৃদ্ধি পাইছে, যদিও পথ সমূহ যথেষ্ট ঠেক হোৱাত যাতায়তৰ বাবে ভীষণ অসুবিধা দেখা দিছে, এই সম্পৰ্কত চৰকাৰ অৱগতনে ?

(খ) যদি সঁচা, তৎকালীন ব্যৱস্থা গ্ৰহণ কৰিবনে ?

**শ্ৰীঅঞ্জন দত্ত** (পৌৰ প্ৰশাসন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত ।

(খ) পৌৰ নিকায়ে এনে ক্ষেত্ৰত পৌৰ পথৰ উন্নতিৰ বাবে ব্যৱস্থা লব লাগে।

**বিষয় ঃ উদ্যোগিক সংকট ।**

**শ্ৰীৰামেশ্বৰ তেলিয়ে সুধিছে ঃ**

৭১১ । মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নামৰূপত অৱস্থিত ৰাজ্যিক ৰাজহুৱা খণ্ডৰ একমাত্ৰ পেট্ৰৰাসায়নিক উদ্যোগ অসম পেট্ৰকেমিকেলচ লিমিটেডৰ তলত দিয়া কাৰণ সমূহৰ বাবে এক সম্ভাব্য বন্ধৰ সমূখীন হোৱা সম্পৰ্কে চৰকাৰ অৱগত হয়নে ?

১) উচ্চ হাৰৰ প্ৰাকৃতিক গেচৰ মূল্য ।

২) বজাৰলৈ সস্তা দৰৰ মিথানল (Methanol) বিদেশৰ পৰা আমদানি।

৩) পণ্যৰ পৰিবহন মূল্য ।

(খ) যদি হয়, চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ পেট্ৰৰাসায়নিক উদ্যোগৰ বাটকটীয়া, এই ৰাজহুৱা খণ্ডৰ উদ্যোগটিক সংকটৰ পৰা ৰক্ষা কৰাৰ বাবে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(গ) অসম পেট্ৰকেমিকেলচ্ লিঃৰ উৎপাদিত মিথানল (Methanol) আৰু ফৰমেল ডিহাইড্ (Formal Dehyde) এই দুবিধ সামগ্ৰীৰ বজাৰখন উত্তৰ ভাৰত, পশ্চিম ভাৰত, বিহাৰ, পশ্চিমবঙ্গ, উৰিষ্যা আদিলৈ স্থানান্তৰিত হৈছে, উক্ত সামগ্ৰী সমূহ বিক্ৰীৰ বাবে পৰিবহন শিতানত উদ্যোগটিয়ে বিপুল অংকৰ অৰ্থ ব্যয় কৰিব লগা হয়, গতিকে উদ্যোগটিয়ে পাব লগা পৰিবহন চাবচিডি (Transport Subsidy) ৰ প্ৰায় ২ কোটি ৫০ লাখ টকাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(ঘ) উত্তৰ পূৰ্বাঞ্চলত অৱস্থিত তৈল শোধনাগাৰ (Oil Refinery) আৰু শোধনাগাৰ সংলগ্ন পেট্ৰৰাসায়নিক গোট সমূহৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱাকৈ কেন্দ্ৰীয় চৰকাৰে বাজেটত ঘোষণা কৰা শতকৰা ৫০ ভাগ আৱকাৰী শুল্ক (Excise Duty) ৰেহাই দিয়া দৰে, অসম পেট্ৰকেমিকেলচ্ লিঃৰ ক্ষেত্ৰত সেই ৰেহাই প্ৰযোজ্য হোৱাকৈ কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত লবৰ বাবে অসম চৰকাৰে দাবী উত্থাপণ কৰিবনে ?

(ঙ) অসম পেট্ৰকেমিকেলচ্ লিঃৰ উৎপাদিত মিথানল (Methanol) ৰ বিক্ৰী কৰ ২২ শতাংশ হোৱাৰ বাবে উদ্যোগটিয়ে বঙাইগাওঁ ৰিফেইনেৰী পেট্ৰকেমিকেলচ্ লিমিটেড (BRPL) ৰ বজাৰ হেৰুৱাব লগা হৈছে, গতিকে উক্ত ২২ শতাংশ বিক্ৰীকৰ পূৰ্বৰ ৪ শতাংশ লৈ কমাবৰ বাবে চৰকাৰে শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

**শ্ৰীতৰুণ গগৈ** (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত ।

(খ) ভাৰত চৰকাৰৰ লগত এই সংক্ৰান্তত যোগাযোগ কৰা হৈছে ।

(গ) প্ৰস্তাৱটো পৰীক্ষা কৰি থকা হৈছে ।

(ঘ) ব্যৱস্থা লোৱা হ'ব ।

(ঙ) হয় । এই বিষয়ে ব্যৱস্থা হাতত লোৱা হৈছে ।

**Sub : Gradation List.**

**Shri Bimolangshu Roy** asked :

712. Will the Chief Minister be pleased to state:

a) When the Govt. prepared the gradation list of ACS officers last ?

b) Is the Govt. aware that ACS Officers feel furstrated having deprived of their legitimate promotion for long time ?

c) What prevented the Govt. from publishing gradation list annually ?

d) Will the Govt. publish the list ?

e) If so, when and if not, why ?

**Shri Tarun Gogoi** (Chief Minister) replied.

a) On 1st January 1993.

b) No

c) Govt. has been trying to publish the gradation list annually.

d) Yes

e) After completion of the refixation of Seniority in pursuance of the latest C. M. issued vide No.ABP.59/96/ 163 dated 12.03.2002.

**শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

**বিষয় ঃ কৰ্ম্মচাৰী নিযুক্তি।**

৭১৩ ঃ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰে শপত গ্ৰহণ কৰাৰ পিচৰ পৰা বৰ্তমানলৈকে চৰকাৰৰ বিভিন্ন বিভাগত সৰ্বমুঠ কিমানজন কৰ্ম্মচাৰী নিযুক্ত হৈছে?

(খ) নিযুক্তি দিয়া বিভাগ সমূহ আৰু পদ সমূহৰ নাম কি কি?

(গ) বৰ্ত্তমান নিযুক্তি বন্ধ ৰখা হৈছে নেকি?

(ঘ) যদিহে বন্ধ ৰখা হৈছে, কোন কোন বিভাগত?

(ঙ) চৰকাৰৰ কোনো বিভাগত পদ বিলুপ্ত কৰা হৈছে নেকি?

(চ) যদিহে কৰা হৈছে, কোন কোন বিভাগত?

**শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে।**

(ক) বিভাগ সমূহৰ পৰা বৰ্তমানলৈকে পোৱা তথ্যমতে সৰ্বমুঠ ৯০১ জন কৰ্ম্মচাৰী নিযুক্তি দিয়া হৈছে।

(খ) নিযুক্তি দিয়া বিভাগ সমূহ আৰু পদসমূহৰ নাম পৰিশিষ্ট 'ক'ত গাঠি দিয়া হ'ল। (See Annexure -IV)

(গ) সম্পুৰ্ণ বন্ধ ৰখা হোৱা নাই।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) হৈছে।

(চ) বৰ্তমানলৈকে পোৱা তথ্যমতে পদ বিলুপ্তি কৰা বিভাগ সমূহৰ নাম পৰিশিষ্ট 'খ'ত গাঠি দিয়া হ'ল। (See Annexure -V)

**বিষয় ঃ I.S.P. অন্তৰ্ভূক্ত সাংস্কৃতিক কেন্দ্ৰৰ কৰ্ম্মচাৰীৰ দৰমহা।**

**শ্ৰী প্ৰণয় ৰাভাই সুধিছে ঃ**

*৭১৪ মাননীয় ডব্লিউ পি টি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনস্থ জনজাতীয় উপ পৰিকল্পনাৰ (I.S.P.) অন্তৰ্ভূক্ত সাংস্কৃতিক কেন্দ্ৰ সমূহৰ কৰ্ম্মচাৰী দৰমহাৰ শিতানত আজি প্ৰায় ৫ বছৰ ধৰি প্ৰতি বছৰে ৩০ শতাংশকৈ অধিক পৰিমাণে "বাজেট" কম হোৱাৰ ফলত প্ৰতি বছৰে কৰ্ম্মচাৰী সকল ৪ মাহতকৈ অধিক দৰমহাৰ পৰা বঞ্চিত হৈ থকাটো সচাঁনে?

(খ) যদি সচাঁ, ইয়াৰ কাৰণ কি?

শ্ৰী ভৰত চন্দ্ৰ নৰহ (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) আংশিক ভাৱে সত্য।

(খ) বাজেটত দৰমহাৰ বাবদ ধাৰ্য্য কৰা ধনৰ পৰিমাণ কম হোৱাৰ বাবে আগৰ তিনি বছৰত যদিও দৰমহা দিবলৈ বাকী আছিল ২০০০-২০০১ আৰু ২০০১-২০০২ বিত্তীয় বৰ্ষত কিছু পলমকৈ পুনৰ বিনিয়োজনৰ (Re-appropriation) জৰিয়তে প্ৰায় সম্পূৰ্ণ দৰমহা আদায় দিয়া হৈছে।

**বিষয় ঃ নিকা আৰু পৰিছন্ন চৰকাৰৰ পুলিচৰ কাম-কাজ।**

শ্ৰী সুশিল দত্তই সুধিছে ঃ

৭১৫ । মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান চৰকাৰে চান্দা, টেক্স, সন্থাৰ বৰঙণি, দান আদিৰ নামত গুৱাহাটী মহানগৰত প্ৰৱেশ কৰা বাছ, ট্ৰাক আদিত চলি থকা অবৈধ টকা সংগ্ৰহ সম্পৰ্কে অৱগতনে ?

(খ) যদি অৱগত, কি কি ফলপ্ৰসু কাৰ্য্যকৰী ব্যৱস্থা হাতত লৈছে আৰু যদি অৱগত নহয়, অনুসন্ধান কৰি ব্যৱস্থা ল'বনে ?

(গ) পুলিচৰ প্ৰত্যক্ষ / পৰোক্ষ সহযোগত এচাম গুণ্ডাই বৰপেটা, নলবাৰী, মঙ্গলদৈ, গোৱালপাৰা আদি ঠাইৰ পৰা অহা বাছ, ট্ৰাক আদিৰ ওপৰত নিৰ্য্যাতন চলাই অবৈধ ভাবে প্ৰতিদিনে লাখ-লাখ টকা সংগ্ৰহ কৰা সৰ্ম্পকত চৰকাৰে কিবা ব্যৱস্থা লৈছেনে ?

(ঘ) যদি লোৱা নাই (১) শৰাইঘাট আৰক্ষী চকীৰ সন্মুখত দিশপুৰলৈ অহা গাড়ীৰ পৰা (২) গুৱাহাটীৰ আদাবাৰীত ও আদাবাৰীৰ ওচৰে পাজৰে গুণ্ডা আৰু পুলিচ যৌথ ভাবে গাড়ীবোৰৰ পৰা টকা লৈ থকা অনৈতিক কাৰ্য্য অতি শীঘ্ৰে বন্ধ কৰি দোষীৰ ওপৰত ব্যৱস্থা ল'বনে ?

(ঙ) যদি নলয়, কিয় ?

(চ) ট্ৰেফিক পুলিচৰ সন্মুখত এচাম ল'ৰাই লাঠিৰে বাছুত কোবায়, ট্ৰেফিক পুলিচৰ লগত সম্পৰ্ক ৰখা এওঁলোক কোন ?

**শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) হয়, অৱগত ।

(খ) অপৰাধী ব্যক্তি সকলৰ ওপৰত কেচ ৰুজু কৰি তেওঁলোকক আদালতলৈ প্ৰেৰণ কৰি আইনগত ব্যৱস্থা লোৱা হৈছে ।

(গ) পুলিচৰ প্ৰত্যক্ষ / পৰোক্ষ সহযোগ থকা অভিযোগ সত্য নহয় । ট্ৰাক, বাছ আদিৰ পৰা যাতে অবৈধ ভাবে টকা সংগ্ৰহ কৰিব নোৱাৰে তাৰবাবে তহলদাৰী আৰক্ষী নিয়োগ কৰা হৈছে ।

(ঘ) এনে ঘটনাৰ লগত জড়িত ব্যক্তিক ধৰি উপযুক্ত আইনগত ব্যৱস্থা লোৱা হয় ।

(ঙ) দোষীৰ ওপৰত উপযুক্ত শাস্তি বিধানৰ ব্যৱস্থা নোলোৱাৰ প্ৰশ্ন নুঠে ।

(চ) এনে দুষ্কৃতিকাৰীৰ লগত ট্ৰেফিক পুলিচৰ কোনো সম্পৰ্ক নাই ।

**Sub : Extremists Pastures Land.**

**Shri Parimal Suklabaidya** asked :

716. Will the Minister of Home be pleased to state:

a) Whether Government is aware that the North-East Dholai Region has turned into a free Extremist's Pasture's Land, covering 150 KMs. upto Mizoram Border and Extremists are roaming there freely till today ?

b) If so, whether a police out post will be set-up there soon for the maintenances of the poor localities livelihoods ?

Shri Tarun Gogoi (Chief Minister) replied.

a) It is not a fact that the North-East Dholai Region of Cachar district boardering Mizoram is a pasture land of the extremists. Whenever report of movement of any extremist from Mizoram to Assam side is received it is promptly attended by the district police.

b) The existing Dholakhal BOP manned by the 6th APBN personnel is functioning as a border O.P. and looking after the maintenance of the law and order in these areas. However, the matter of setting up of a police out post of the North East Dholai region would be considered after receipt of formal proposal from the Superintendent of Police, Cachar.

**বিষয় ঃ CVC গঠন ।**

শ্ৰী আলী আকবৰ মিঞাই সুধিছে ঃ

৭১৭ । মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কি উদ্দেশ্যত CVC গঠন কৰা হৈছিল আৰু ইয়াৰ বাবে নিৰ্দ্ধাৰিত কোনো আইন প্ৰণয়ন হৈছেনে – যদি হোৱা নাই তাৰ কাৰণ কি ? (ব্যাখ্যা কৰি উত্তৰ দিব)

(খ) CVC ৰ নিৰ্দ্ধাৰিত আইন আৰু তদন্তকাৰী বিষয়া হিচাবে ষ্টাফ নথকাৰ বাবেই নিজাববীয়াকৈ তদন্ত চলোৱাৰ ব্যৱস্থা নাই আৰু সেয়েই যি বিভাগৰ বিৰুদ্ধে অভিযোগ সেই বিভাগৰ দ্বাৰাই তদন্ত কাৰ্য চলাবলগীয়া হৈছে – সচাঁনে ?

(গ) CVC য়ে বিভিন্ন অভিযোগৰ বিপৰীতে বিভাগবোৰৰ পৰা প্ৰতিবেদন বিচাৰিলে বিভাগবোৰে সময়মতে প্ৰতিবেদন দাখিল নকৰি CVC ৰ নিৰ্দ্দেশ পাকে-প্ৰকাৰে অগ্ৰাহ্য / অৱমাননা কৰি চলিছে সঁচানে ? (ব্যাখ্যা মূলক উত্তৰ দিব)

(ঘ) CVC য়ে এতিয়ালৈ কোন কোন বিভাগৰ কিমানটাকৈ বিষয় তদন্ত কৰি আছে আৰু তাৰে কিমানটা বিষয় নিস্পত্তি কৰা হৈছে ? (নিস্পত্তি হোৱা বিষয় বোৰৰ তালিকা বনাই কেনে ব্যৱস্থা গ্ৰহনেৰে নিস্পত্তি কৰা হ'ল - - বিতং ভাৱে জনাই তথ্য দাখিল কৰিব)

(ঙ) উপায়ুক্ত, আয়ুক্ত, সঞ্চালক, সচিব, উপ-সচিব, যুটীয়া সচিব পৰ্য্যায়ৰ কোনো বিষয়াৰ বিৰুদ্ধে CVC য়ে কোনো তদন্ত চলাইছেনে ? (যদি চলাইছে তেনে বিষয়া সকলৰ বিৰুদ্ধে থকা অভিযোগ আৰু তদন্ত কি পৰ্য্যায়ত আছে উল্লেখ কৰি তালিকা বনাই তথ্য দাখিল কৰিব)

শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) মুখ্য সচিবৰ পদেন অধ্যক্ষতাত যি বিভাগীয় তদন্তৰ ব্যৱস্থা চলি আছিল সেই ব্যৱস্থাটোৰ আৰ্হিতে ইয়াক অধিক সক্ৰিয় আৰু স্বচ্ছতা প্ৰদান কৰাৰ উদ্দেশ্যেৰে মুখ্য সচিবৰ সম পৰ্য্যায়ৰ এজন বিষয়া মুখ্য তদাৰকী আয়ুক্ত হিচাবে নিযুক্তি দিয়া হৈছিল । ইয়াৰ বাবে নিৰ্দ্ধাৰিত কোনো আইন প্ৰণয়ন কৰা হোৱা নাই । এই বিষয়ে দেশৰ আন আন ৰাজ্যত প্ৰচলিত ব্যৱস্থাৰ বিষয়ে তথ্য যুগুতাই থকা হৈছে ।

(খ) জাননী নং ঃ পি. এল. এ (ডি) ১১৬/৮৬/৭৪, দিনাংক ৭/৬/১৯৯০ মৰ্ম্মে অসম চৰকাৰৰ মুখ্য সচিব গৰাকী ৰাজ্যৰ পদেন তদাৰকী আয়ুক্ত । বিভাগীয় তদাৰকী ব্যৱস্থাত তেওঁ মুখ্য তদাৰকী বিষয়া হিচাবে কাম কৰে। এই ব্যৱস্থাত প্ৰশাসনীয় বিভাগ বোৰৰ বিশেষ আয়ুক্ত, আয়ুক্ত সচিব আৰু বিশেষ সচিব সকল সংশ্লিষ্ট বিভাগৰ বিভাগীয় তদাৰকী বিষয়া। তেনেধৰণে সকলো বিভাগীয় মুৰব্বী সকল সংশ্লিষ্ট মুৰব্বী বিভাগৰ তদাৰকী বিষয়া । আনহাতে অধিসূচনা নং ঃ পি. এল. এ (ডি) ৮০/২০০১/৫, দিনাংক ৩/৮/২০০১ অনুসৰি মুখ্য তদাৰকী আয়ুক্তৰ ভূমিকা পৰামৰ্শ দাঁতা ৰূপে । ৰাজহুৱা প্ৰশাসনৰ তদাৰকীৰ সকলো বিষয়তে তেওঁৰ পৰামৰ্শ অতি গুৰুত্ব সহকাৰে বিবেচনা কৰা হয় । এই মৰ্ম্মে বিভাগীয় তথা মুৰব্বী বিভাগৰ, তদাৰকী বিষয়াই তেওঁৰ সিদ্ধান্তমূলক পৰামৰ্শ অনুসৰি অভিযোগ বা অভিযোগ সমূহৰ ওপৰত তদন্ত চলাই যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰে । (অধিসূচনা নং ঃ পি. এল. এ (ডি) ৮০/২০০১/৫, দিনাংক ৩/৮/২০০১ ইয়াৰ লগত গাঁঠি দিয়া হ'ল) । (See Annexure - VI)

তাৰোপৰি মুখ্য তদাৰকী আয়ুক্তৰ পৰামৰ্শ মতে ৰাজনৈতিক বিভাগৰ যোগেদি দুৰ্নীতি নিবাৰক আৰু নিৰীক্ষণ শাখা আৰু অৰ্থনৈতিক অপৰাধ আৰু অনুসন্ধান সংস্থাই অভিযোগৰ ওপৰত তদন্ত চলায় আৰু বিহীত ব্যৱস্থাৰ বাবে ৰাজনৈতিক বিভাগৰ যোগেদি মুখ্য তদাৰকী আয়ুক্তক পৰবৰ্ত্তী পৰামৰ্শৰ বাবে তদন্তৰ প্ৰতিবেদন দাখিল কৰা হয় ।

(গ) সঁচা নহয় ।

(ঘ) এই পৰ্য্যন্ত পোৱা তথ্য অনুসৰি ৫৬০ টা অভিযোগ বিভাগ বিলাকে তদন্তৰ বাবে পাইছে । নিস্পত্তি হোৱা তদন্তৰ সংখ্যা ২০২ টা ।

(নিষ্পত্তি হোৱা বিষয় আৰু ব্যৱস্থা গ্ৰহনৰ তালিকা ইয়াৰ লগত গাঠি দিয়া হ'ল । (See Annexure - VII)

(ঙ) ওপৰত উল্লেখিত (খ) প্ৰশ্নোত্তৰত দিয়া মতে মুখ্য তদাৰকী আয়ুক্তৰ ভূমিকা পৰামৰ্শদাতা ৰূপে । গতিকে তেওঁ নিজাববীয়াকৈ অভিযোগৰ কোনো ধৰণৰ তদন্ত নকৰে ।

**বিষয় ঃ উদ্যোগৰ বাবে দিয়া অনুজ্ঞাপত্ৰ ।**

**শ্ৰীপবিন্দ্ৰ ডেকাই সুধিছে ঃ**

৭১৮ । মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে ২০০১-২০০২ বিত্তীয় বছৰত উদ্যোগ (সৰু আৰু ডাঙৰ) খোলাৰ বাবে কিমানখন অনুজ্ঞাপত্ৰ দিছে ?

(খ) এনে অনুজ্ঞাপত্ৰ কোন কোন ব্যক্তি অথবা প্ৰতিষ্ঠানত দিয়া হৈছে ?

(গ) এনে অনুজ্ঞাপত্ৰ লোৱা ব্যক্তি বা প্ৰতিষ্ঠান সমূহে অনুজ্ঞাপত্ৰ পোৱা উদ্যোগবোৰৰ কাম আৰম্ভ কৰিছে নে ?

শ্ৰীতৰুণ গগৈ (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসম চৰকাৰে উদ্যোগ খোলাৰ বাবে অনুজ্ঞাপত্ৰ (Licence) দিয়াৰ নিয়ম নাই ।

(খ) প্ৰশ্ন নুঠে ।

(গ) প্ৰশ্ন নুঠে ।

**বিষয় ঃ পৰিবহন বিভাগৰ অৱস্থাৰ উন্নতি ।**

**শ্ৰীমদন কলিতাই সুধিছে ঃ**

৭১৯ । মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান চৰকাৰে কাৰ্য্যভাৰ লোৱাৰ পিচৰ পৰা পৰিবহন বিভাগৰ জল আৰু স্থল ভাগ দুটাৰ শোচনীয় অৱস্থাৰ উন্নতিকল্পে কি কি কাৰ্য্যকৰী পদক্ষেপ লৈছে ?

(খ) পৰিবহন নিগমে লোৱা বে-চৰকাৰী বাছৰ পৰা মাহেকত কিমান টকা আয় হিচাপে পায় ?

(গ) পৰিবহন নিগমৰ চলাচল কৰা বাছৰ সংখ্যা আৰু অচল বাছৰ সংখ্যা কিমান ?

(ঘ) অচল বাছ সমূহক চলাচলৰ বাবে সচল কৰাৰ ব্যৱস্থা কেতিয়াকৈ লব ?

**শ্রীঅঞ্জন দত্ত** (পৰিবহন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বৰ্ত্তমানৰ চৰকাৰে পৰিবহন বিভাগৰ জল আৰু স্থল ভাগৰ শোচনীয় অৱস্থাৰ উন্নতি কল্পে লোৱা পদক্ষেপ সমূহ ইয়াৰ লগত সংলগ্ন কৰা হল (সংলগ্ন '১') (See Annexure - VIII)

(খ) ফেব্রুৱাৰী ২০০২ চনত বে-চৰকাৰী বাছৰ পৰা ৩৯.২১ লাখ টকা আয় হিচাবে পায় ।

(গ) চলাচল কৰা বাছৰ সংখ্যা গড়ে দৈনিক ১৯০ খন আৰু অচল বাছৰ সংখ্যা ১৯৮ খন ।

(ঘ) অচল অৱস্থাত থকা বাছ সমূহৰ যিবিলাক মেৰামতিৰ খৰচৰ ক্ষেত্ৰত লাভজনক নহয় সেইবিলাক বাছ বিধিগত নিবিদাৰ যোগেদি বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে । বাকী গাড়ী সমূহ পৰ্য্যায়ক্ৰমে মেৰামতি কৰি থকা হৈছে ।

**বিষয় ঃ মেঘালয় Police Battalion ৰ B.O.P.**

**শ্রীৰূপন সিং ৰাংহাঙে** সুধিছে ঃ

৭২০ । মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম Khanduli ত থকা মেঘালয় Police Battalion ৰ B.O.P. থকাটো চৰকাৰ জ্ঞাতনে ?

(খ) যদি জ্ঞাত, তেতিয়াহলে B.O.P. টো উঠাই দিবলৈ অসম চৰকাৰে ব্যৱস্থা লবনে?

(গ) অসম মেঘালয় সীমান্ত অঞ্চলত সঘনে ঘটি থকা ঘটনাবোৰ ৰোধ কৰিবৰ বাবে নতুন B.O.P. স্থাপনৰ বিষয়ে বিবেচনা কৰিবনে ?

(ঘ) Inter-State সীমান্তবৰ্ত্তী অঞ্চলবোৰত ৰাস্তা ঘাটৰ পৰা আৰম্ভ কৰি B.O.P. বোৰৰ উন্নত কৰিবৰ বাবে যিখিনি ধন নিৰ্দ্ধাৰিত কৰা হয়, সেই ধন মোকলাই দিয়া হৈছেনে ?

শ্ৰীতৰুণ গগৈ (সীমান্ত অঞ্চল বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, জ্ঞাত ।

(খ) হয় । বৰ্ত্তমানে স্থিতাৱস্থা বাহাল আছে ।

(গ) হয়, কৰিছে ।

(ঘ) হয়, দিয়া হৈছে ।

**বিষয় ঃ ধন মঞ্জুৰী।**

**ডঃ জয়নাথ শৰ্মাহি সুধিছে ঃ**

৭২১ । মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

পৌৰ প্ৰশাসন বিভাগে কোন কোন চহৰত কোন কোন পৌৰ সভাক বৰ্ত্তমান চৰকাৰৰ অধীনত কোন কোন শিতানত কিমান ধন মঞ্জুৰী দিছে?

**শ্ৰীঅঞ্জন দত্ত (পৌৰ প্ৰশাসন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

বৰ্ত্তমানৰ চৰকাৰৰ অধীনত ২০০১-২০০২ বিত্তীয় বছৰত পৌৰ সভা সমূহলৈ পৌৰ প্ৰশাসন বিভাগে "সাধাৰণ উদ্দেশ্যৰ অংশ" (General Purpose Grant) হিচাবে ৩.০০ লাখ টকাৰ মঞ্জুৰী দিছে । তলত বিতং তথ্য দেখুওৱা হ'ল ঃ

২০০১-২০০২ চনত চৰকাৰে দিয়া অনুদানৰ হিচাপ ঃ

| | | | |
|---|---|---|---|
| ১) | মবান নগৰ সমিতি | – | ৩০,০০০/- টকা |
| ২) | লক্ষিপুৰ নগৰ সমিতি (কাছাৰ) | – | ৩০,০০০/- টকা |
| ৩) | বিজনী নগৰ সমিতি | – | ৩০,০০০/- টকা |
| ৪) | টংলা নগৰ সমিতি | – | ৩০,০০০/- টকা |
| ৫) | ওডালগুৰি নগৰ সমিতি | – | ৩০,০০০/- টকা |
| ৬) | বিহপুৰীয়া নগৰ সমিতি | – | ৩০,০০০/- টকা |
| ৭) | বদৰপুৰ নগৰ সমিতি | – | ৩০,০০০/- টকা |
| ৮) | টিহু নগৰ সমিতি | – | ৩০,০০০/- টকা |
| ৯) | আমগুৰি নগৰ সমিতি | – | ৩০,০০০/- টকা |
| ১০) | সৰ্থেবাৰী নগৰ সমিতি | – | ৩০,০০০/- টকা |

**বিষয় ঃ সীমান্ত উন্নয়ণ প্ৰকল্প ।**

**শ্ৰীদীনেশ চন্দ্ৰ চৰকাৰে সুধিছে ঃ**

৭২২ । মাননীয় সীমান্ত উন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ইং ১৯৯৭-৯৮, ১৯৯৮-৯৯ আৰু ১৯৯৯-২০০০ চনত গোলকগঞ্জ আৰু আগমনি উন্নয়ন খণ্ড এলেকাত সীমান্ত উন্নয়ন প্ৰকল্পত কিমান টকা দিয়া হৈছিল ? (অৰ্থ বছৰ অনুযায়ী ভাগে ভাগে দেখুৱাব)

(খ) ইয়াৰে আগমণি উন্নয়ন খণ্ড এলেকাৰ ১৯৯৯-২০০০ ইং চনৰ অনুমোদিত কোনবোৰ প্ৰকল্প বিপৰীতে সম্পূৰ্ণ Fund release কৰা স্বত্বেও প্ৰকল্পবোৰৰ কাম আধৰুৱা হৈ আছে ।

(গ) এই ক্ষেত্ৰত চৰকাৰে ইতিমধ্যে কি ব্যৱস্থা গ্ৰহন কৰিছে বা আগলৈ কি ব্যৱস্থা গ্ৰহন কৰিব ?

**শ্ৰীতৰুন গঁগৈ (সীমান্ত অঞ্চল বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে?**

(ক) আন্তঃৰাজ্যিক সীমান্ত অঞ্চল উন্নয়ন আচঁনিৰ অধীনত গোলকগঞ্জ আৰু আগমণি উন্নয়ন খণ্ডত আবণ্টিত ধনৰ পৰিমান তলত দিয়া হ'ল ঃ–

| | বিত্তীয় বৰ্ষ | গোলকগঞ্জ উন্নয়ন খণ্ড | আগমণি উন্নয়ন খণ্ড |
|---|---|---|---|
| ১) | ১৯৯৭-৯৮ | ৫৫.৯৩ লাখ | ৩৭.৫০ লাখ |
| ২) | ১৯৯৮-৯৯ | ৩১.৪০ লাখ | ৫৪.৮০ লাখ |
| ৩) | ১৯৯৯-২০০০ | ২৭.৩৫ লাখ | ৩১.৬০ লাখ |

(খ) দুখন আচঁনিৰ কাম এতিয়াও সম্পূৰ্ণ হবলৈ বাকী আছে ইয়াৰে

১) আগমণি প্ৰগতি কলেজ নিৰ্ম্মানৰ বাবে সৰ্বমুঠ তিনিলাখ টকা মঞ্জুৰ কৰা হৈছিল আৰু ৮০% কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে ।

২) ছত্ৰশাল উচ্চত্তৰ মাধ্যমিক বিদ্যালয়ৰ চৌহদৰ দেৱাল নিৰ্ম্মাণৰ বাবে আবণ্টিত সৰ্বমুঠ চাৰিলাখ টকাৰ বিপৰীতে ৯০% কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে ।

(গ) আঁচনি ৰূপায়নৰ দায়িত্বত থকা বিষয়াক তৎকালীনভাবে কাম সম্পূৰ্ণ কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে ।

**বিষয় ঃ গেছ ক্ৰেকাৰ প্ৰকল্প ।**

**শ্ৰীসৰ্বানন্দ সোনোৱালে সুধিছে ঃ**

৭২৩ । মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম প্ৰস্তাৱিত গেছ ক্ৰেকাৰ প্ৰকল্প বৰ্ত্তমান কি অৱস্থাত আছে ?

(খ) উক্ত গেছ ক্ৰেকাৰ প্ৰকল্পৰ বাবে ৰিলায়েন্স গ্ৰুপৰ লগত কৰা চুক্তি বাতিল কৰিবলৈ ৰাইজে কৰা দাবীৰ সন্দৰ্ভত চৰকাৰে কি সিদ্ধান্ত গ্ৰহণ কৰিছে ?

**শ্ৰীতৰুণ গগৈ** (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ৰিলায়েন্স গেছ ক্ৰেকাৰ প্ৰকল্পটোৰ কাম নিৰ্মাণ কাৰ্য্য আৰম্ভ হোৱাৰ প্ৰাথমিক পৰ্য্যায়ত আছে । এই প্ৰকল্পটোৰ কাম অ. এন. জি. চিৰ লগত গেছ চুক্তি সম্পাদন আৰু অধিগৃহিত মাটিৰ দখল চমজি লোৱাৰ লগে-লগে আৰম্ভ হ'ব ।

(খ) গেছ ক্ৰেকাৰ প্ৰকল্পৰ বাবে ৰিলায়েন্সে বিছৰামতে গেছ যোগান ভাৰত চৰকাৰে ধৰিব পৰা নাই । সেয়েহে ভাৰত চৰকাৰে প্ৰয়োজনীয় চাহিদা এল. পি. জি. নেফ্‌ঠা আদিৰে পূৰণ কৰাৰ বাবে বিচাৰিছে । যদিহে ভাৰত চৰকাৰে কেচামালৰ যোগান নিশ্চিত কৰিব পাৰিব তেনেহলে এই বিষয়ে ৰিলায়েন্সৰ সৈতে আলোচনা কৰি সিদ্ধান্ত লোৱা হ'ব । যোগান নিশ্চিত হোৱাৰ পাচতো ৰিলায়েন্সে যদি প্ৰকল্প স্থাপন কৰিবলৈ নাহে তেনেহলে অন্য উদ্যোগীক সুবিধা দিয়া হ'ব ।

**বিষয় ঃ অসম চাহ নিগমৰ বাগিছা ।**

**শ্ৰীৰামেশ্বৰ তেলিয়ে সুধিছে ঃ**

৭২৪ । মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ চাহ নিগমক ব্যক্তিগতকৰণৰ ক্ষেত্ৰত চৰকাৰে আহ্বান জনোৱা বিজ্ঞাপনৰ বিপৰীতে কিমানটা কোম্পানীয়ে আবেদন কৰিছে ?

(খ) চৰকাৰে এতিয়া কোন কেইটা কোম্পানীক নিগমৰ বাগিছা সমূহ আৱন্টন দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে ?

**শ্ৰীতৰুণ গগৈ** (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ৩৮ টা কোম্পানীয়ে আবেদন কৰিছে ।

(খ) এতিয়াও কোনো চুড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰা হোৱা নাই ।

**বিষয় ঃ ৰাভা লোক নৃত্য গীতৰ প্ৰশিক্ষণ ।**

**শ্ৰীপ্ৰণয় ৰাভাই** সুধিছে ঃ

৭২৫ । মাননীয় ডব্লিউ পি টি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ প্ৰায়বোৰ সাংস্কৃতিক কেন্দ্ৰ সমূহতে বিশেষকৈ কোকৰাঝাৰ আৰু দুধনৈত বড়ো লোক নৃত্যৰ প্ৰশিক্ষক, মাজুলী আৰু ধেমাজীত মিচিং লোক নৃত্যৰ প্ৰশিক্ষক আছে যদিও দুধনৈ সাংস্কৃতিক কেন্দ্ৰৰ বাবে ৰাভা লোক নৃত্য প্ৰশিক্ষক নথকাটো চৰকাৰ অবগতনে ?

(খ) দুধনৈত অৱস্থিত সাংস্কৃতিক কেন্দ্ৰৰ বাবে প্ৰশিক্ষক লবনে আৰু ইয়াত ৰাভা আৰু বড়ো লোক সাংস্কৃতিক বিকাশৰ বাবে ২৫ লাখ মান টকাৰ এক সাংস্কৃতিক প্ৰকল্পৰ আচঁনিৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (ভৈয়াম জনজাতি আৰু পিচপৰা শ্ৰেণীৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অবগত ।

(খ) বৰ্ত্তমানে বাজেটত আবাণ্টিত ধনেৰে এনে আচঁনি লোৱা সম্ভৱ নহয় ।

**বিষয় ঃ কুইন ট্ৰেভেল ।**

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ

৭২৬ । মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এ. এচ - ০১ এল ৮৯০১ নম্বৰৰ কুইন ট্ৰেভেল এজেন্সীৰ এখন নিগমৰ অধীনত চলাচল কৰা বাছৰ বিৰুদ্ধে মাৰ্চ মাহৰ দ্বিতীয় সপ্তাহত ক্ষেত্ৰী থানাত এজাহাৰ দিয়াটো সঁচানে ?

(খ) যদিহে এজাহাৰ দাখিল কৰাটো সঁচা, তেনেহলে উক্ত বাছখনৰ বিৰুদ্ধে থকা অভিযোগ সমূহ কি কি ?

শ্ৰীঅঞ্জন দত্ত (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) এজাহাৰ দিয়া বিষয়ে পৰিবহন বিভাগৰ হাতত কোনো তথ্য নাই ।

(খ) প্ৰশ্ন নুঠে ।

**Sub : D. C. Cachar.**

**Shri Bimolangshu Roy** asked :

727. Will the Minister of Municipal Administration be pleased to state:

a) It it a fact that D. C. Cachar sent a fax message bearing No.com28/97, dated 08.10.2001 to Commissioner / Secretary, MAD informing the Govt. that Commissioners of Silchar Municipality are divided between equal number of 16 and 16 and on the basis of such report Govt. sent a W. T. Message No.MA.343/97/Pt/176 on the same date i.e. on 08.10.2001 confirming appointment of Mrs. Bithikia Deb as Chairperson ?

b) Did the D. C. Cachar convened any meeting for election of Chairman, Silchar Municipality ?

c) If so, when and if not, how D. C. could ascertain the numbers who is on which side and under what provision or authority ?

d) Did the Govt. direct nominated Chairperson / D. C., Cachar to hold election of Chairman or Vice-Chairman?

e) It not, what is the reason for withholding election & running the democratically elected Board through a

Govt. nominated Chairperson against all democratic norms ?

f) Will the Govt. arrange for holding election of Chairman and is so when and if not why ?

**Shri Anjan Dutta** (Minister of State (Independent) Municipal Administartion) replied :

a) Yes, a reply was sent indicating the validity of the Govt. order dated 30.07.2001 under Section 33 (4) of the Assam Municipal Act. 1956.

b) No.

c) On the day of holding the meeting i.e. 04.07.2001 16(sixteen) BJP Members out of 32 members of Silchar Municipal Board appeared before the Deputy Commissioner, Cachar instead of attending the meeting convened for election of Chairman.

d) Does not arise.

e) Elected Ward Commissioners of Silchar Municipal Board failed to elect Chairman.

f) A meeting of Silchar Municipal Board was held on 22.02.2002 for electing the Chairperson.

**বিষয় ঃ পৰিকল্পনা আৰু উন্নয়ণ বোৰ্ডৰ টকা আবণ্টন ।**

**শ্ৰীপবিত্ৰ ডেকাই সুধিছে ঃ**

২৮ । মাননীয় পৰিকল্পনা আৰু উন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে ২০০১-২০০২ বিত্তীয় বৰ্ষৰ বাবে মহকুমা পৰিকল্পনা আৰু উন্নয়ণ বোৰ্ড (Sub-divisional Planning and Development Board) সমূহক মুঠ কিমান টকা আবণ্টন দিছে ?

(খ) কোন কোন মহকুমাত কিমান পৰিমাণৰ টকা দিয়া হৈছে ?

(গ) উক্ত টকা খৰছ কৰা হ'ল নে আৰু যদি দিয়া হৈছে কিমান টকা খৰছ কৰা হৈছে ?

**শ্ৰীতৰুণ গগৈ** (পৰিকল্পনা আৰু উন্নয়ণ বিভাগৰ মন্ত্ৰী তথা মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসম চৰকাৰে (পৰিকল্পনা আৰু উন্নয়ণ বিভাগ) পোনপতীয়াকৈ মহকুমা পৰিকল্পনা ও উন্নয়ণ পৰিষদক টকাৰ আৱণ্টন নিদিয়ে । অৱশ্যে বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ অন্তৰ্গত ৩৯ টা উন্নয়ণ বিভাগে মহকুমা ভিত্তিত বিন্যাস কৰি দিয়া ধনক পৰিকল্পনা আৰু উন্নয়ণ বিভাগে অনুমোদন দিয়ে। সেই অনুমোদিত টকাৰ ভিত্তিত সংশ্লিষ্ট বিভাগৰ জিলা বিষয়াসকলে জিলা পৰিকল্পনা গোটৰ জৰিয়তে দাখিল কৰা আঁচনি সমূহক মহকুমা পৰিকল্পনা ও উন্নয়ন পৰিষদে অনুমোদন জনায় । সেই হিচাবে মহকুমা সমূহলৈ ২০০১-২০০২ বিত্তীয় বৰ্ষৰ বাবে অনুমোদন জনোৱা মুঠ ধনৰ পৰিমাণ হৈছে সৰ্বমুঠ ৬৩৪.৬৩ কোটি টকা ।

(খ) ও (গ) কোন কোন মহকুমাৰ বাবে কিমান পৰিমাণৰ টকা অনুমোদন জনোৱা হৈছে আৰু তাৰ বিপৰীতে কিমান টকা খৰছ হৈছে তাৰ তথ্য তালিকা 'ক' গাঁঠি দিয়া হ'ল । (See Annexure - IX)

**বিষয় ঃ ফাইল মুভমেন্ট ।**

**শ্ৰীসৰ্বানন্দ সোনোৱালে সুধিছে ঃ**

*৭২৯ । মাননীয় প্ৰশাসনীয় সংস্কাৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰশাসনিক সংস্কাৰৰ ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষই ফাইল মুভমেন্টৰ ব্যৱস্থাটো খৰতকীয়া কৰিবৰ বাবে ব্যৱস্থা কৰিছে নেকি ?

(খ) যদি কৰিছে, তেন্তে কি পদ্ধতিৰে ?

(গ) বিভাগীয় মুৰব্বী সকলে বিভিন্ন ফাইলত টোকা প্ৰস্তুত কৰা বিষয়টো প্ৰশাসনিক সংস্কাৰে সামৰি লৈছে নেকি ?

(ঘ) যদি লৈছে এই কাম কেতিয়াৰ পৰা কাৰ্য্যকৰী হব ?

শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয় কৰিছে ।

(খ) ফাইল মুভমেন্ট খৰতকীয়া কৰিবলৈ প্ৰশাসনিক বিভাগ আৰু বিভাগীয় মুৰব্বী সকলকে ধৰি সকলো জিলা ও মহকুমা প্ৰশাসনৰ ক্ষেত্ৰতো কম্পুটাৰৰ ব্যৱস্থা প্ৰবৰ্ত্তনৰ প্ৰস্তুতি চলোৱা হৈছে । তাৰোপৰি বিশেষজ্ঞৰ পৰামৰ্শ গ্ৰহণৰ জৰিয়তে চৰকাৰী নীতি/সিদ্ধান্ত খৰতীয়া ও ফলপ্ৰসু কৰিবলৈ শীঘ্ৰে এখন "প্ৰশাসনীয় সংস্কাৰ আয়োগ" গঠন কৰাৰ সিদ্ধান্ত লোৱা হৈছে ।

(গ) আৰু (ঘ) এই বিষয়টোসহ অন্যান্য সংশিষ্ট বিষয় সমূহৰ "ফলপ্ৰসু আৰু দায়িত্বশীল আৰু প্ৰশাসন" (Effective and Responsive Administration) ৰ ওপৰত গভীৰভাবে অধ্যয়ণ কৰাৰ দায়িত্বৰ ও প্ৰস্তাৱিত এই আয়োগক ন্যস্ত কৰা হ'ব ।

**বিষয় ঃ চাহ জনজাতি ।**

**শ্ৰীৰামেশ্বৰ তেলিয়ে** সুধিছে ঃ

৭৩১ । মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম লোক সেৱা আয়োগত এই বছৰ কিমানজন সদস্যই অৱসৰ লব ?

(খ) আয়োগত চাহ জনজাতি প্ৰতিনিধি থাকিব নেকি ?

**শ্ৰীতৰুণ গগৈ** (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসম লোক সেৱা আয়োগৰ এই বছৰত অৱসৰ লবলগীয়া সদস্যৰ সংখ্যা চাৰিজন ।

(খ) আয়োগৰ সদস্য সকলক ৰাজ্যপালে নিয়োগ কৰে আৰু সেয়ে আয়োগত চাহ জনজাতিৰ সদস্য থকা নথকা ৰাজ্যপালৰ ওপৰত নিৰ্ভৰশীল ।

**বিষয় ঃ ইউনিফাইড কামাণ্ড ।**

**শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই** সুধিছে ঃ

৭৩২ । মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ২০০১ চনৰ ১ জুন তাৰিখৰ পৰা ২০০২ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখলৈকে 'ইউনিফাইড কামাণ্ড' সম্পৰ্কে আলোচনা কৰিবলৈ সভা অনুষ্ঠিত হৈছেনে ।

(খ) যদিহে অনুষ্ঠিত হৈছে, মুঠ কেইখন সভা অনুষ্ঠিত হৈছে ?

(গ) 'ইউনিফাইড কামাণ্ড' ব্যৱস্থাত গৃহ বিভাগ সন্তুষ্টনে ?

**শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) হয়, হৈছে ।

(খ) উক্ত সময়চোৱাত 'ইউনিফাইড কামাণ্ড'ৰ মুঠ সাত খন সভা অনুষ্ঠিত হৈছিল ।

(গ) 'ইউনিফাইড কামাণ্ড' ব্যৱস্থাত গৃহ বিভাগ সন্তুষ্ট ।

**Sub : No. of person killed, kidnapped and raped.**

**Shri Bimolangshu Roy** asked :

*733. Will the Minister of Home be pleased to state:

a) How many persons were killed in Barak Valley from 1996-2001 April and how many from May, 2001 to March, 2002 ?

b) How many were kidnapped in the said period ?

c) How may cases of rape and dacoity reported during the period ?

d) How many persons arrested during the period showing a comparative statement ?

e) How much fund collected for violation of Traffic rules from May, 2001 to March, 2002 in Assam as compared with previous one year ?

**Shri Tarun Gogoi** (Chief Minister) replied :

a) Persons killed

| | | | |
|---|---|---|---|
| i) | From May, 1996 to April, 2001 | -- | 508 nos. |
| ii) | From May, 2001 to 26th March, 2002 | -- | 68 nos. |

b) Kidnapped

| | | | |
|---|---|---|---|
| i) | From May, 1996 to April, 2001 | -- | 728 nos. |
| ii) | From May, 2001 to 26th March, 2002 | -- | 133 nos. |

c) Rape cases

| | | | |
|---|---|---|---|
| i) | From May, 1996 to April, 2001 | -- | 304 nos. |
| ii) | From May, 2001 to 26th March, 2002 | -- | 53 nos. |

Dacoity

| | | | |
|---|---|---|---|
| i) | From May, 1996 to April, 2001 | -- | 424 nos. |
| ii) | From May, 2001 to 26th March, 2002 | -- | 27 nos. |

d) Persons arrested

| From May, 1996 to April, 2001 | | | From May,2001 to 26th March, 2002 | |
|---|---|---|---|---|
| i) | Murder | -- 848 persons | i) | 61 persons |
| ii) | Kidnapping | -- 599 " | ii) | 72 " |
| iii) | Rape | -- 331 " | iii) | 24 " |
| iv) | Dacoity | -- 424 " | iv) | 35 " |

e) Total amount collected -

| | | | |
|---|---|---|---|
| i) | May, 2001 to March, 2002 | -- | Rs. 54,13,875.00 |
| ii) | In the previous year | -- | Rs. 95,64,455.00 |

**বিষয় ঃ যান-বাহনৰ অনুজ্ঞাপত্ৰ ।**

**শ্ৰীপবিত্ৰ ডেকাই সুধিছে ঃ**

৭৩৪ । মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৯৯ চনৰ পৰা ২০০২ চনৰ জানুৱাৰী মাহলৈ চৰকাৰে কিমানখন যান বাহনৰ অনুজ্ঞাপত্ৰ (Licence) প্ৰদান কৰিছে ?

(খ) এই অনুজ্ঞাপত্ৰৰ বাবদ চৰকাৰে কিমান টকা মাছুল লাভ কৰিছে ?

(গ) কিছুমান অনুজ্ঞাপত্ৰৰ বাবদ লব লগা মাছুল নোলোৱা কথাটো সঁচানে আৰু যদি সঁচা ইয়াৰ কাৰণ কি ?

**শ্ৰীঅঞ্জন দত্ত (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৯৯ চনৰ পৰা ২০০২ চনৰ জানুৱাৰী মাহলৈকে পৰিবহন বিভাগে বিভিন্ন যান বাহনৰ বাবে মুঠ ৩,৩০,২২৫ খন অনুজ্ঞাপত্ৰ (Permit) প্ৰদান কৰিছে ।

(খ) এই অনুজ্ঞাপত্ৰৰ বাবদ চৰকাৰে মুঠ ৫১,২০,৩৫৪.০০ টকা মাছুল লাভ কৰিছে ।

(গ) অনুজ্ঞাপত্ৰৰ বাবদ লব লগা মাছুল নোলোৱা কথাটো সঁচা নহয় ।

**বিষয় ঃ শ্ৰীৰামপুৰ আৰু বক্সিৰহাট গেট ।**

**শ্ৰীসৰ্বানন্দ সোনোৱালে সুধিছে ঃ**

*৭৩৫ । মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) শ্ৰীৰামপুৰ আৰু বক্সিৰহাট গেটত কিমানজন বিভিন্ন পৰ্য্যায়ৰ কৰ্মকৰ্ত্তা আছে ।

(খ) ১৯৯৪ চনৰ পৰা ২০০২ ৰ এক মাৰ্চলৈকে উক্ত গেট দুখনৰ পৰা কিমান পৰিমাণৰ ৰাজহ সংগ্ৰহ কৰিলে ?

(গ) সমগ্ৰ অসমতে পৰিবহন বিভাগৰ অধীনত থকা মাটি আৰু ঘৰৰ সংখ্যা কিমান আৰু এই মাটি আৰু ঘৰ কি অৱস্থাত আছে ?

**শ্ৰীঅঞ্জন দত্ত (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) শ্ৰীৰামপুৰ আৰু বক্সিৰহাট গেটত থকা বিভিন্ন পৰ্য্যায়ৰ কৰ্মকৰ্ত্তা হ'ল তলত উল্লেখ কৰা ধৰণৰ –

| <u>শ্ৰীৰামপুৰ তালাচী চকী</u> | | <u>বক্সিৰহাট তালাচী চকী</u> | |
|---|---|---|---|
| ১) এনফোৰ্চমেন্ট ইনচ্পেক্টৰ (ই, আই) | ১১ জন | ১) এনফোৰ্চমেন্ট ইনচ্পেক্টৰ | ১১ জন |
| ২) এচিচটেন্ট ই, আই | ২৬ জন | ২) এচিচটেন্ট ই, আই | ২৬ জন |
| ৩) এনফোৰ্চমেন্ট চেকাৰ | ১২ জন | ৩) এনফোৰ্চমেন্ট চেকাৰ | ১২ জন |

| | | | |
|---|---|---|---|
| ৪) উচ্চ বৰ্গৰ সহায়ক | ১ জন | ৪) নিম্ন বৰ্গৰ সহায়ক | ১ জন |
| ৫) চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী | ২ জন | | |
| মুঠ - | ৫২ জন | মুঠ - | ৩৬ জন |

ইয়াৰ উপৰিও দুজন জিলা পৰিবহন বিষয়াই উক্ত তালাচী চকী দুটাৰ ভাৰপ্ৰাপ্ত বিষয়া হিচাবে কাৰ্য্য নিৰ্বাহি কৰি আছে ।

(খ) ৰাজহ সংগ্ৰহৰ পৰিমানৰ তলত দিয়া ধৰণৰ ঃ-

| | শ্ৰীৰামপুৰ | বক্সিৰহাট |
|---|---|---|
| ১৯৯৪-৯৫ | ১০.৫৪ কোটি টকা | ১.৫১ কোটি টকা |
| ১৯৯৫-৯৬ | ১১.৭৮ কোটি টকা | ১.৭৮ কোটি টকা |
| ১৯৯৬-৯৭ | ১৯.৯৮ কোটি টকা | ৭.১১ কোটি টকা |
| ১৯৯৭-৯৮ | ১২.৮৭ কোটি টকা | ৩.৯৯ কোটি টকা |
| ১৯৯৮-৯৯ | ০৮.০৫ কোটি টকা | ৬.১৫ কোটি টকা |
| ১৯৯৯-২০০০ | ২০.০১ কোটি টকা | ৪.০৫ কোটি টকা |
| ২০০০-২০০১ | ২২.১৪ কোটি টকা | ৯.১৪ কোটি টকা |
| ২০০১-২০০২ ফেব্ৰুৱাৰীলৈকে | ২৬.৪১ কোটি টকা | ৯.৬২ কোটি টকা |
| | মুঠ - ১৯১.৭১ কোটি টকা | মুঠ - ৪৩.৩৫ কোটি টকা |

(গ) পৰিবহন বিভাগৰ আয়ুক্তৰ অধীনত শিলচৰ, ডিব্ৰুগড়, যোৰহাট, তেজপুৰত জিলা পৰিবহন বিষয়াসকলে বিভাগীয় ঘৰতে কাম চলাই আছে । ইয়াৰ উপৰি গুৱাহাটীৰ বেতুকুছিত Drivers and Conductors Training School ৰ বাবে এই বিভাগে এটি ঘৰ সাঁজি উলিয়াইছে । বঙাইগাওঁৰ চাপ্ৰাকাটাত এটি Truck Parking Complex আছে । এই বিভাগৰে টকোবাৰীত থকা মাটিৰ সলনি হেঙ্গেঁৰাবাৰীত এটুকুৰা মাটি আবন্টন দিয়ে।

পৰিবহন বিভাগৰ অধীনত পৰিবহন নিগমৰ মাটিৰ পৰিমান ৭১০ বিঘা ৪ কঠা ৮ লেচা । আস্থান গৃহ ১২৯ টা আৰু আবাস গৃহ ২৫৬ টা আছে।

পৰিবহন ভৱন নামাকৰণেৰে আভ্যন্তৰীণ জল পৰিবহন সঞ্চালকালয়ৰ অধীনত এবিঘা মাটিত স্থায়ী ভৱন নিৰ্মাণ হৈ আছে । এই সঞ্চালকালয়ৰ গুৱাহাটী সংমন্দলৰ অধীনত বিভিন্ন মাটিৰ পৰিমান ১৩ বিঘা ২ কঠা আৰু ঘৰৰ সংখ্যা মুঠ ১২ টা । ডিব্ৰুগড় সংমন্দলৰ অধীনত থকা মাটিৰ পৰিমান ৩ বিঘা আৰু ঘৰৰ সংখ্যা মুঠ ৭ টা ।

ধনৰ অভাৱত এই সকলোবোৰ ঘৰৰ যাৱতীয় মেৰামতি কৰিব নোৱাৰাৰ ফলত অৱস্থা বেয়া হৈ আছে । পৰিবহন নিগমৰ পল্টনবজাৰ, মাছখোৱা, মৰিগাওঁ, বঙ্গাইগাওঁ, জাগীৰোড, বোকাখাত, শিৱসাগৰ আৰু তিনিচুকীয়া আস্থান সমূহ দান ববঙণিৰ দ্বাৰা বৰ্ত্তমান ভাল কৰা হৈছে ।

**বিষয় ঃ সংৰক্ষণ ব্যৱস্থা ।**

**শ্ৰীৰামেশ্বৰ তেলিয়ে সুধিছে ঃ**

৭৩৬ । মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চাহ জনজাতি ছাত্ৰ সন্থাই অসম লোকসেৱা আয়োগৰ পৰীক্ষা সমূহত ৪% সমৰক্ষণৰ ব্যৱস্থা যি দাবী কৰিছিল বৰ্ত্তমান এইটো কি অৱস্থাত আছে ।

**শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) অসম লোকসেৱা আয়োগৰ পৰীক্ষাৰ ভিত্তিত নিয়োগ কৰা পদৰ বেলিকা চাহ জনজাতিৰ প্ৰাৰ্থীৰ ক্ষেত্ৰত সংৰক্ষণৰ বাবে অসম চাহ জনজাতি ছাত্ৰ সন্থাই উত্থাপন কৰা দাবী সন্দৰ্ভত কোনো চুড়ান্ত সিদ্ধান্ত এতিয়ালৈ লোৱা হোৱা নাই ।

**বিষয় ঃ দোষী বিষয়া ।**

**শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

৭৩৭ । মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী মহোদয়ৰ কিছুদিন আগেয়ে অসম ভ্ৰমণৰ কালছোৱাত বিভাগৰ হেমাহিৰ বাবে মন্ত্ৰী মহোদয়ে ভ্ৰমণ কৰা গাড়ীখন দুৰ্ঘটনাৰ সন্মুখীন হোৱাটো সঁচানে ?

(খ) যদিহে সঁচা, দোষী বিষয়াৰ ওপৰত ব্যৱস্থা লোৱা হৈছে নেকি ?

(গ) যদিহে ব্যৱস্থা লোৱা হৈছে, কেনেধৰণৰ ব্যৱস্থা লোৱা হৈছে ?

(ঘ) সমগ্ৰ বিষয়টোৰ পৰা উচ্চ পদস্থ দোষী পুলিচ বিষয়াক ৰক্ষণাবেক্ষণ দিবলৈ বিচৰা হৈছে নেকি ?

(ঙ) দুৰ্ঘটনাৰ বিষয়টো তদন্ত কৰিবলৈ দিয়া হৈছেনে ?

(চ) যদিহে তদন্ত কৰিবলৈ দিয়া হৈছে তদন্তৰ প্ৰতিবেদন কেতিয়া প্ৰকাশ আৰু এই প্ৰতিবেদন ৰাজহুৱা ভাবে প্ৰকাশ কৰিবনে ?

**শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী মহোদয়ে ভ্ৰমণ কৰা গাড়ীখন দুৰ্ঘটনাৰ সন্মুখীন হোৱাটো সঁচা ।

(খ), (গ), (ঘ) আৰু (ঙ) দুৰ্ঘটনাৰ বিষয়টো তদন্ত কৰাৰ বাবে ৰাজ্য চৰকাৰে গৃহ আৰু ৰাজনৈতিক বিভাগৰ আয়ুক্ত সচিব শ্ৰীহিমাংশু শেখৰ দাসকলৈ এখন এজনীয়া তদন্ত কমিটি গঠন কৰি দিছে । তদন্তৰ প্ৰতিবেদনৰ ভিত্তিত বিহীত সময়ত ব্যৱস্থা লোৱা হ'ব ।

(চ) উক্ত তদন্ত কমিটিৰ প্ৰতিবেদন দাখিলৰ সময় অহা ইং ১২/৪/২০০২ তাৰিখলৈ বৰ্দ্ধিত কৰা হৈছে । প্ৰতিবেদন ৰাজহুৱা ভাৱে প্ৰকাশ কৰাৰ বিষয়টো প্ৰতিবেদন পোৱাৰ পিছত বিবেচনা কৰা হ'ব ।

**Sub : Confinement of Correspondent.**

Shri Bimolangshu Roy asked :

738. Will the Minister of Home be pleased to state:

a) Is it a fact that on 27.11.2001, one Bhawani Sankar Das Purkayastha correspondent of "Eastern Pandram" was wrongfully confined criminally intimidated, assaulted and forcibly stripped off his dress by one Shri Ramesh Talukdar Sub-Inspector of Police at Guwahati G. R. P. S. and inspite of complaints lodged to Supdt. of Rly. Police and Officer-Incharge G.R.P.S. Rly. Station, Guwahati no action has been taken against him ?

b) If so, will the Government institute and enquiry and take appropriate action.

c) If so, when and if not why ?

Shri Tarun Gogoi ( Chief Minister) replied :

a) It is not a fact.

b) Does not arise.

c) Does not arise.

**বিষয় ঃ অসম ৰাজ্যিক পৰিবহন নিগমৰ কৰ্মচাৰীৰ দৰমহা ।**

**শ্ৰীপবিত্ৰ ডেকাই সুধিছে ঃ**

*৭৩৯ । মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰ্ত্তমান চৰকাৰে কাৰ্য্যভাৰ লোৱাৰ পিছত অসম ৰাজ্যিক পৰিবহন নিগমৰ কৰ্মচাৰী সকলক নিয়মীয়াকৈ দৰমহা দি থকা হৈছেনে ?

(খ) নিগমটোক পুনৰ কাৰ্য্যক্ষম কৰাৰ বাবে চৰকাৰে কি কি ব্যৱস্থা লৈছে ?

(গ) নিগমটো পুনৰ কাৰ্য্যক্ষম কৰাৰ ব্যৱস্থাৰে চৰকাৰে যোৱা ১/৬/২০০১ চনৰ পৰা ১/১/২০০২ চনলৈ লাভৰ পৰিমাণ কি ?

**শ্ৰীঅঞ্জন দত্ত (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) যোৱা জুনমাহৰ পৰা জানুৱাৰী মাহলৈ দৰমহা দিয়া হৈছে । ফেব্ৰুৱাৰী আৰু মাৰ্চ মাহৰ দৰমহা দিয়া হোৱা নাই ।

(খ) ১) অত্যাধিক কৰ্মচাৰীৰ বোজা কমাবৰ বাবে ২০০০ কৰ্মচাৰীক স্বেচ্ছামূলক অৱসৰ দিয়াৰ যো-জা কৰা হৈছে আৰু ইতিমধ্যে ২০০১-০২ চনত ৭০০ জনক স্বেচ্ছামূলক অৱসৰ দিয়া হৈছে ।

২) আয় বৃদ্ধিৰ বাবে নিগমৰ বাছৰ সংখ্যা বৃদ্ধি কৰাৰ সিদ্ধান্ত লোৱা হৈছে আৰু ইতিমধ্যে ৩৪ খন নতুন বাছ কিনাৰ ব্যৱস্থা কৰা হৈছে ।

৩) বে-চৰকাৰী বাছ নিগমৰ অধীনত চলোৱাৰ ব্যৱস্থা কৰা হৈছে ।

৪) নিগমৰ চৌহদত আৰু গাড়ীত বিজ্ঞাপন দিয়াৰ ব্যৱস্থা কৰাৰ লগতে বাছৰ ওপৰত মাল কঢ়িওৱাৰ ব্যৱস্থা কৰা হৈছে ।

(গ) নিগমৰ বাছে কৰা উপাৰ্জন — ২৭৭.৪৯ লাখ টকা
বে-চৰকাৰী বাছে কৰা উপাৰ্জন — ১২৩.২৪ লাখ টকা
(১-৯-২০০১ ৰ পৰা ৩১-১-২০০২ লৈ)

মুঠ উপাৰ্জন — ৪০০.৭৩ লাখ টকা

**বিষয় ঃ মুক্ত খনন কাৰ্য্য ।**

**শ্ৰীসৰ্ব্বানন্দ সোণোৱালে সুধিছে ঃ**

৭৪০ । মাননীয় বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত উত্তৰ-পূব কয়লাখনিৰ দ্বাৰা চলাই থকা মাৰ্ঘেৰিটাৰ পাটকাই পৰ্বতৰ ওপৰত মুক্তখনন কাৰ্য্যৰ জৰিয়তে যি প্ৰাকৃতিক পৰিবেশ বিনষ্ট হৈছে এই বিষয়টো চৰকাৰে লক্ষ্য কৰিছেনে ?

(খ) যদি কৰিছে, তেন্তে ইয়াৰ প্ৰতিকাৰৰ ব্যৱস্থা কি কি লৈছে সদনক সবিশেষ জনাবনে ?

(গ) মুক্তখনন কাৰ্য্যৰ দ্বাৰা ক্ষতিগ্ৰস্থ ৰাইজক চৰকাৰৰ তৰফৰ পৰা ক্ষতি পূৰণ দিয়াৰ ব্যৱস্থা কৰিছে নেকি ?

(ঘ) যদি কৰিছে এতিয়ালৈকে কিমানটা পৰিয়ালক ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা ললে ?

**শ্ৰীপ্ৰদ্যুৎ বৰদলৈ** (বিজ্ঞান, প্ৰযুক্তিবিদ্যা ও পৰিবেশ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, লক্ষ্য কৰিছে ।

(খ) ইয়াৰ প্ৰতিৰক্ষাৰ বাবে লোৱা ব্যৱস্থা সমূহ তলত উল্লেখ কৰা হ'ল ঃ-

১৯৫৭ চনত গৃহীত আৰু খনিজ পদাৰ্থ (উন্নয়ন আৰু নিয়ন্ত্ৰণ) আইনৰ অন্তৰ্গত দফা সমূহত উল্লেখ কৰা ধৰণে ক'ল ইণ্ডিয়া লিমিটেডে (Coal India Limited) খনন কাৰ্য্যত হোৱা ক্ষতিসমূহ প্ৰতিৰোধ কৰিবৰ বাবে

নিম্ন উল্লেখিত ব্যৱস্থা সমূহ লৈছে ।

১) কয়লা খননৰ সময়ত সৃষ্টি হোৱা ভূগৰ্ভৰ খালী ঠাই পূৰাবৰ বাবে কয়লাৰ লগতে ভূ-গৰ্ভৰ পৰা নিৰ্গত হোৱা অলাগতিয়াল পদাৰ্থ সমূহ খালী ঠাইক পূৰাবৰ বাবে পুনৰ ভূ-গৰ্ভলৈ নিক্ষেপ কৰা হৈছে । তদুপৰি খননৰ ফলত বাহিৰ হোৱা মাটিখিনি পৰ্য্যায় ক্ৰমে তৰপে তৰপে খালী ঠাই পূৰণ কৰা (পাতাৰ) ব্যৱস্থা কৰা হৈছে । একেবাৰে ওপৰত প্ৰথমে ওপৰৰ পৰা খান্দি উলিওৱা মাটিখিনি গছগছনি হাবি-বন গজিবৰ বাবে ওপৰৰ তৰপত দিয়া হৈছে ।

২) এনেদৰে খালী ঠাই পূৰোৱা মাটিখিনি খহি নেযাবৰ বাবে ৰঃজ্জ্ব অনুপাতত যথেষ্ট হেলনীয়া / গৰা কৰা হৈছে । লগতে মাটি নখহিবৰ বাবে আৱশ্যক অনুযায়ী প্ৰতিবন্ধক স্বৰূপে বান্ধ, গালি প্ৰতিৰোধক বেদিকা বেঞ্চিং আদি কৰা হৈছে ।

৩) খনিৰ পৰা নিৰ্গত হোৱা পানী বিশুদ্ধিকৰণৰ বাবে বৈজ্ঞানিক পদ্ধতিৰে নিৰ্মানি কৰা বান্ধ, পুখুৰী আদিত পৰিশোধিত কৰি এৰি দিয়া হৈছে ।

৪) খনন কাৰ্য্যত ব্যৱহৃত বৃহৎ যন্ত্ৰ পাতিৰ পৰা হব পৰা বায়ু আৰু শব্দ প্ৰদূষন ৰোধ কৰিবৰ বাবে আৱশ্যকীয় ব্যৱস্থা লোৱা হৈছে । খননৰ ফলত সৃষ্টি হোৱা বাট-পথ বোৰ বালি ধুলিৰ পৰা সৃষ্টি হোৱা প্ৰদূষণ দূৰীকৰণৰ বাবে আৱশ্যক অনুযায়ী বাট-পথবোৰত পানী ছটিওৱা হৈছে ।

৫) মুৰ্গী খনিৰ পৰিত্যক্ত প্ৰায় ৩৫ হেক্টৰ মাটিৰ উন্নতি সাধি ভাত গছ-গছনি, ফুলনি, কৃত্তিম হ্ৰদ, খেল পথাৰ আদিৰে আমোদ প্ৰমোদৰ বাবে এখন উদ্যান গঢ়ি তোলা হৈছে ।

৬) চৰকাৰৰ ফালৰ পৰা ক'ল ইণ্ডিয়াৰ কৰ্তৃপক্ষক মুক্তখনন চলোৱা এলেকা সমূহক ব্যাপকভাৱে বৃক্ষৰোপন কাৰ্য্য চলোৱাৰ উপৰিও কয়লাখনিৰ পৰা ওলোৱা অম্লযুক্ত দূষিত পানীয়ে যাতে প্ৰদূষণ সমস্যাৰ সৃষ্টি কৰিব নোৱাৰে তাৰবাবে কাৰ্য্যক্ষম Effluent Treatment Plant বহুৱাবলৈ নিৰ্দেশ দিয়া হৈছে ।

(গ) আৰু (ঘ) এই বিভাগ জড়িত নহয় ।

**Mr. Speaker :** Hour is over.

✡শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি ৮ এপ্ৰিল ২০০২ তাৰিখৰ 'দৈনিক জনমভূমি' কাকতৰ এটা গুৰুত্বপূৰ্ণ বাতৰি প্ৰকাশ পাইছে। বাতৰিটো হ'ল – 'অসম বিধান সভাৰ প্ৰস্তাৱ অবান্তৰঃ চাহ কোম্পানীঃ বিধান সভাই এতিয়া কি কব ? মুখ্য কাৰ্য্যালয় স্থানান্তৰ, গৰজি উঠিল বহুজাতিক গোষ্ঠী । অধ্যক্ষ মহোদয়, চাহ কোম্পানী সমূহৰ মুখ্য কাৰ্য্যালয় সমূহ অসমলৈ স্থানান্তৰ কৰাৰ বাবে জনোৱা দীৰ্ঘদিনীয়া দাবীৰ প্ৰতি সহাঁৰি জনায় অসম বিধান সভাই যোৱা ২ এপ্ৰিলত এক সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰিছিল । অসম বিধান সভাৰ অধ্যক্ষ পৃথিৱী মাঝিৰ নেতৃত্বত এক সৰ্বদলীয় প্ৰতিনিধি দল অহা ২৭ এপ্ৰিলত নতুন দিল্লীলৈ যাব । এই বাতৰিটো প্ৰকাশ হোৱাৰ লগে লগে উক্ত প্ৰস্তাৱটোৰ বিৰুদ্ধে গৰজি উঠিছে বহুজাতিক চাহ কোম্পানী সমূহে । গতিকে অধ্যক্ষ মহোদয়, এইটো অতি গুৰুত্বপূৰ্ণ বিষয় । এই বহুজাতিক কোম্পানী সমূহে এই বাতৰিটোৰ জৰিয়তে আমাৰ সদনক অৱমাননা কৰিছে । গতিকে অধ্যক্ষ মহোদয়, আপুনি এই বিষয়ে এটা ৰুলিং দিব লাগে ।

✡ডঃ জয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই কোম্পানী সমূহে আমাক হাউচক লৈ উপলুঙা কৰিছে । তেওঁলোকে দেখ-দেখকৈ সদনৰ বিশেষধিকাৰ ভঙ্গ কৰিছে । গতিকে বিষয়টোৰ ওপৰত আপোনাৰ পৰা আমি এটা ৰুলিং বিচাৰিছো ।

✡শ্ৰীপ্ৰবীন্দ্ৰ ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো অতি গুৰুত্বপূৰ্ণ । গতিকে আপুনি এটা ৰুলিং দিব লাগে ।

মাননীয় অধ্যক্ষ ঃ যদি এই বিষয়টোৱে সদনৰ বিশেষধিকাৰ ভঙ্গ কৰা যেন লাগে তেনেহলে গোটেই বিষয়টো সদনৰ বিশেষধিকাৰ কমিটিলৈ পঠোৱাৰ ব্যৱস্থা কৰা হব ।

I have received as many as 9 zero hours notices for today from the Hon'ble Members:

1. Shri Brindabon Goswami
   Dr. Zoii Nath Sarma

2. Shri Bubul Das
   Shri Bimolangshu Roy
   Shri Dilip Kumar Saikia

✡ Speech not corrected

Shrimati Pramila Rani Brahma
Shri Gunin Hazarika
Dr. Zoii Nath Sarma
Shri Bubul Das
Shri Sarbananda Sonowal
Shri Jagadish Bhuyan
Shri Hitendra Nath Goswami
Shri Ali Akbar Miah
Shri Phanibhusan Choudhury
Shri Bhupen Roy

4. Shri Jagadish Bhuyan
Shri Sarbananda Sonowal

5. Smti. Swarifa Begum

6. Smti. Pramila Rani Brahma
Shri Hemendra Nath Brahma
Shri Tijendra Basumatary
Shrimati Kamali Basumatary
Shri Biswajit Daimary
Shri Rihan Daimari
Shri Romio Brahma
Shri Matindra Basumatary

7. Shri Gunin Hazarika

8. Shri Prabindra Deka

9. Shri Biswajit Daimari
Shri Hemendra Nath Brahma
Shri Rihan Daimari
Shri Romio Brahma

As per rules, I have selcted only 3 zero hours for raising before the House today.

I now call upon the Hon'ble Members Shri Brindabon Goswami and Dr. Zoii Nath Sarma to raise their zero hour motion which was published in "Dainik Agradoot", dated 03.04.2003 under caption "Alfare Alochanat Dispuror Anichcha".

✡**শ্ৰীবৃন্দাবন গোস্বামী** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৩ এপ্ৰিল, ২০০২ তাৰিখে 'অগ্ৰদূত' কাকতত এটা অতি গুৰুত্বপূৰ্ণ বাতৰি প্ৰকাশ পাইছে । এই বাতৰিটোত কেন্দ্ৰীয় গৃহ সচিব কমল পাণ্ডেই কৈছে যে আলফাৰে আলোচনাত দিছপুৰৰ অনিচ্ছা । অধ্যক্ষ মহোদয়, এই বাতৰিটোত কেইটামান অতি গুৰুত্বপূৰ্ণ কথা কৈছে । একমাত্ৰ অসম চৰকাৰৰ আগ্ৰহৰ অভাবতেই আলফাৰ লগত আলোচনাৰ প্ৰক্ৰিয়াত কোনো ধৰণৰ অগ্ৰগতি লাভ কৰাটো সম্ভৱ হোৱা নাই । এই মন্তব্য কেন্দ্ৰীয় চৰকাৰৰ গৃহ দপ্তৰৰ সচিব কমল পাণ্ডেৰ । আজি 'দৈনিক অগ্ৰদূত' সতে হোৱা আছুতীয়া সাক্ষাতকাৰত গৃহ সচিব গৰাকীক সোধা এটা প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগত এতিয়ালৈকে কেবাখনো ৰাজ্যৰ কেবাটাও উগ্ৰপন্থী গোটৰ সৈতে আলোচনা অনুষ্ঠিত হৈছিল আৰু সফলো হৈছিল । তাৰ শেহতীয়া নিদৰ্শন এন. এছ. চি. এন. আৰু কেন্দ্ৰীয় চৰকাৰৰ আজিৰ আলোচনা বুলি তেওঁ আঙুলিয়াই দিয়ে । আলফাৰ শীৰ্ষ নেতৃ সকলে সংবাদ মাধ্যমৰ জৰিয়তে একাধিকবাৰ আলোচনাত বহাৰ আগ্ৰহ প্ৰকাশ কৰাৰ পাছতো আজিলৈকে আলোচনাৰ অগ্ৰগতি নোহোৱাৰ কাৰণ জানিবলৈ বিচৰাত গৃহ সচিব পাণ্ডেই কয় যে কেন্দ্ৰীয় চৰকাৰ আলোচনাৰ বাবে অতিকৈ আগ্ৰহী আৰু বিশেষকৈ প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীয়েও যথাসম্ভৱ শীঘ্ৰে আলোচনা হোৱাটো বিচাৰে ঃ কিন্তু এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ তৎপৰতা অবিহনে সি সম্ভৱ হব নোৱাৰে । নগালেণ্ডৰ কথা উল্লেখ কৰি পাণ্ডেই কয় যে সেই ৰাজ্যৰ মুখ্যমন্ত্ৰী এছ. চি জমিৰে লোৱা তৎপৰতাৰ হেতুকেই এন. এছ. চি এনৰ সতে আলোচনা সম্ভৱপৰ হৈছে আৰু সম্প্ৰতি যথেষ্ট অগ্ৰগতিও লাভ কৰিছে । অসম চৰকাৰেও আগ্ৰহ কৰা হলে আলফাৰ সতে আলোচনা কেতিয়াবাই সম্ভৱ হৈ উঠিলেহেতেন । কিন্তু ৰাজ্য চৰকাৰৰ আগ্ৰহ অবিহনে কেন্দ্ৰই এই ক্ষেত্ৰত আবশ্যকীয় ভূমিকা লব নোৱাৰে বুলি তেওঁ কয় । দিশপুৰে সততে আলফাৰ সতে আলোচনা অনুষ্ঠিত নোহোৱা হেতুকে কেন্দ্ৰীয় চৰকাৰৰহে তৎপৰতাৰ অভাৱ বুলি তোলা অভিযোগ আঙুলিয়াই দিয়াত গৃহ সচিব পাণ্ডেই আশ্বৰ্য প্ৰকাশ কৰে আৰু ৰাজ্যিক চৰকাৰৰ তেনে তৎপৰতাৰ নিদৰ্শন দাঙি ধৰিবলৈ আহ্বান জনায় ।

✡ Speech not corrected

তেওঁ আৰু কয় যে ৰাজ্য চৰকাৰে কোৱা হলে ভূটান আৰু বাংলাদেশ চৰকাৰৰ সতেও নতুন দিল্লীয়ে আলোচনা কৰাৰ ক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপ ললেহেতেন। পাণ্ডেই আৰু কয় যে হিংসাত্মক কাৰ্য্যকলাপৰ হেতুকেই অৰ্থনৈতিক দিশত ৰাজ্যখনে অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হোৱা নাই। গতিকে সন্ত্ৰাসবাদ দমনৰ উদ্দেশ্য আলফাৰ সতে আলোচনাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিবই লাগিব আৰু ৰাজ্য চৰকাৰৰ ফালৰ পৰাহে তেনে তৎপৰাতা প্ৰদৰ্শম কৰিব লাগে বুলি তেওঁ কয় আৰু এই ক্ষেত্ৰত এছ চি জমিৰৰ তৎপৰতাৰ শলাগ লয়। অধ্যক্ষ মহোদয়, এই কথা অতি গুৰুত্বপূৰ্ণ কথা। আজিও এই কথাটো বাতৰি কাকতত ওলাইছে। আমি এই কথা স্বীকাৰ কৰো যে এই ৰাজ্যখনত সন্ত্ৰাসবাদৰ জন্ম হৈছে বহুবোৰ কাৰণত। আমি ৰাজনৈতিক কথাবিলাক উলাই কৰিব নোৱাৰো। অস্বাভাবিক জনবিস্ফোৰণ, অৰ্থনৈতিক বৈষম্য আদি নানা কাৰণত এই অঞ্চলত বিভিন্ন পৰিস্থিতিৰ সৃষ্টি হৈছে আৰু তাৰ মাজতেই সৃষ্টি হৈছে উগ্ৰবাদ। এই উগ্ৰবাদ সমাধান কৰিবৰ বাবে এটা অৰ্থপূৰ্ণ আলোচনাৰ অতি প্ৰয়োজন হৈ পৰিছে। আমি স্বীকাৰ কৰিব লাগিব যে কেন্দ্ৰীয় চৰকাৰৰ যি সাংবিধানিক ব্যৱস্থা এই সাংবিধানিক ব্যৱস্থা ফলতেই উগ্ৰবাদৰ জন্ম হৈছে। অধ্যক্ষ মহোদয়, এই জনবিস্ফোৰণ আৰু অৰ্থনৈতিক বৈষম্য যি এই অঞ্চলত আছে তাৰ এটা সমাধান হোৱাটো আমি বিচাৰিছো। আমি বিচাৰিছো যে আমাৰ এই অঞ্চলটোত ক্ষমতা কেন্দ্ৰীভূত হব লাগে। কিন্তু আমি আজিও সেই বিচাৰিছো যে আমাৰ পৰা বঞ্চিত হৈ থকাৰ বাবে আমাৰ ৰাজ্যৰ জনসাধাৰণে যি সাহসেৰে অগ্ৰগতি লাভ কৰিব লাগিছিল ঠিক সেই ধৰণে অগ্ৰগতি লাভ কৰিব পৰা নাই। সেই কাৰণে আমি এটা অৰ্থপূৰ্ণ আলোচনা বিচাৰিছো। অধ্যক্ষ মহোদয়, আমি যদি এটা অৰ্থপূৰ্ণ আলোচনাৰে এই অঞ্চলটোৰ সমস্যা সমূহ সমাধান কৰিব পাৰো তেতিয়াহলে ভৱিষ্যতে এই উগ্ৰবাদ আমাৰ এই অঞ্চলৰ পৰা একেবাৰে নাইকিয়া হৈ যাব। সেই কাৰণে বিভিন্ন সময়ত আমি আমাৰ দলৰ পৰা এই উগ্ৰবাদ সমস্যাটোৰ সমাধানৰ বাবে এক অৰ্থপূৰ্ণ আলোচনাৰ কথা কৈ আহিছো। ইয়াৰ বাবে আমি প্ৰথমে আমাৰ থলুৱা মানুহখিনিক চিনাক্তকৰণ কৰিব লাগিব। এই অঞ্চলত বিভিন্ন সমস্যাৰ বাবে এসময়ত লাচিত সেনা আৰু ট্ৰাইবেল লীগ আদি বিপ্লৱী সংগঠনৰ জন্ম হৈছিল। সেই কাৰণে আমি এই সন্ত্ৰাসবাদৰ সদায়েই বিৰোধীতা কৰি আহিছো আৰু যি সমূহ হত্যাকাণ্ড হৈ আছে সেই সমূহৰো বিৰোধীতা কৰি আহিছো। অৱশ্যে য়িৰ ফলত আমাৰ দলৰো বহু ক্ষতি হৈছে। কিন্তু আমি আমাৰ দলৰ ক্ষতি অনুভৱ কৰা নাই। অধ্যক্ষ মহোদয়, এই উগ্ৰবাদৰ

সমস্যাটো সমাধানৰ বাবে ৰাজ্য চৰকাৰৰ আগ্ৰহৰ অভাৱ বুলি কেন্দ্ৰীয় চৰকাৰৰ এজন দায়িত্বশীল বিষয়াই কৈছে। যদি ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত আগ্ৰহ প্ৰকাশ কৰি এটা প্ৰচেষ্টা চলালেহেতেন তেন্তে নিশ্চয় আজি এই সমস্যাটোৰ এটা হতিবাচক দিশ আমি দেখিবলে পালোহেতেন। কিন্তু ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত আগ্ৰহ প্ৰকাশ নকৰে বুলি কেন্দ্ৰীয় চৰকাৰৰ এজন দায়িত্বশীল বিষয়াই যি অভিযোগ আনিছে সেয়া অতি দুৰ্ভাগ্যজনক। সেয়েহে এই বিষয়টো অধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে ৰাজ্য চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। অধ্যক্ষ মহোদয়, বাতৰিটোত আৰু এটা কথা কোৱা হৈছে যে নাগালেণ্ডৰ মুখ্য মন্ত্ৰী এছ, চি জমিৰে লোৱা তৎপৰতাৰ বাবে এন, এছ চি এনৰ লগত আলোচনা সম্ভৱপৰ হৈছে। কিন্তু আমাৰ ইয়াত আলফাৰ আলোচনাত বহাৰ আগ্ৰহ থকা স্বত্বেও ৰাজ্য তৰকাৰে তৎপৰতা নোলোৱাৰ বাবে ব্ৰকন্দ্ৰৰ সতে আলোচনা সম্ভৱপৰ হৈ উঠা নাই। যদি চৰকাৰে সচাকৈয়ে আলোচনা কৰিব বিচাৰিছে তেন্তে সেই আলোয়না অৰ্থপূৰ্ণ হোৱাৰ দৰকাৰ। যোৱা ২৫ বছৰ ধৰি এই অঞ্চলটোৰ জনসাধাৰণে এক অস্থিৰ পৰিবেশত জবিন-ধাৰণ কৰি আছে তাৰ এটা অৱসান হোৱাটো আজি আমি বিচাৰিছো। অধ্যক্ষ মহোদয়, এইটো এটা অতি গুৰুত্বপূৰ্ণ বিষয়। সেয়েহে মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো আৰু ইয়াৰ এটা উপযুক্ত উত্তৰ বিচাৰিছো।

**✡ডঃ জয় নাথ শৰ্ম্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীকমল পাণ্ডেই যিটো কথা কৈছে যে আলফাৰে সৈতে আলোচনা কৰাৰ বাবে ৰাজ্য চৰকাৰৰ কোনো সদিচ্ছা নাই। আনহাতে আলফাই অসম চৰকাৰক একিউজড কৰিছে। মাননীয় মুখ্যমন্ত্ৰীয়ে ডাঃ ভূপেন হাজৰিকাৰ আগ্ৰহক আদৰণি জনাইছে। শ্ৰী অৰবিন্দ ৰাজখোৱাই থমকি ৰৈছে। গোটেই কথাটো কনট্ৰেকদিকচন হৈছে। আলফাই কৈছে যে কেন্দ্ৰীয় চৰকাৰে সমস্যাটো সমাধান কৰিব লাগিব আৰু অসম চৰকাৰে প্ৰচেচটো আগবঢ়াই দিব লাগিব। কেন্দ্ৰীয় চৰকাৰে বিষয়টো ভূটান বা বাংলাদেশ চৰকাৰৰ লগত আলোচনা কৰিব লাগিব। আলফাই বাতৰি কাকতত ষ্টেটমেন্ট দিছে চৰকাৰৰ সদিচ্ছা নাই বুলি.

**✡শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীকমল পাণ্ডেৰ কথাটো সচা নে মিছা নাজানো। মই এই সম্পৰ্কে চিঠি লিখিবলৈ লৈছো। আপোনালোকে কি ষ্টেপ লৈছিল? শ্ৰীপ্ৰফুল্ল মহন্ত মুখ্যমন্ত্ৰী হৈ থাকোতে কৰিছিল? চিক্ৰেট কিলিং কোনে কোনে কৰিছিল? For secrat killings you were responsible. তাৰ পিচত আজি আপোনালোকে যি কথা কৈছে? মই

✡ Speech not corrected

প্ৰচেষ্টা চলাই আছো। এইবোৰ কৰিবলৈ কোনে দিলে বুলি মোক প্ৰশ্ন কৰে। তাৰ পিচটো মই আলোচনাৰ প্ৰচেষ্টা চলাই আছো। আগতেও আমি চেষ্টা চলাই আহিছিলো ইয়াৰ পিচটো আমাৰ সদিচ্ছা নাই বুলি কোৱা কথাটো গোকাট মিছা কথা। আলফাই মোৰ চৰকাৰক পুতলা চৰকাৰ বুলি উপলুঙা কৰিছে। আমাৰ চৰকাৰ ৰাইজৰ চৰকাৰ, ৰাইজৰ প্ৰতিনিধিৰে নিৰ্বাচিত চৰকাৰ। আমাৰ চৰকাৰ পুতলা চৰকাৰ নহয়। ৰাইজৰ আস্থা আমাৰ ওপৰত আছে। আমাৰ চৰকাৰে আলোচনা-বিলোচনাৰ প্ৰচেষ্টা চলাই আছো। তেখেত সকলৰ যি অধিকাৰ আছে- সমালোচনা কৰিবলৈ। আমাৰ ফালৰ পৰা প্ৰচেষ্টা চলাই যাম আলোচনা-বিলোচনাৰ কাৰণে।

**✡শ্ৰীবৃন্দাবন গোস্বামী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক এক্‌কিউজ কৰা নাই। চৰকাৰৰ সদিচ্ছা অভাৱৰ কথাহে কৈছো। অসমত চিক্ৰেট কিলিং ১৯৯১ চনৰ পৰা চলি আহিছে। বজৰং আৰু ৰাইনো অপাৰেচনৰ সময়ৰ পৰাই আৰম্ভ হৈছে।

— সদনত গণ্ডগোল — (কেইবাজনো মাননীয় সদস্যই একেলগে কবলৈ ঠিয় হোৱাত কাৰো কথা লিপিবদ্ধ কৰিব পৰা নগল)

**✡ডঃ জয় নাথ শৰ্ম্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যৰ গৃহমন্ত্ৰীয়ে কৈছে যে চিক্ৰেট কিলিং হোৱা নাই - আজি মুখ্যমন্ত্ৰীয়ে কৈছে যে চিক্ৰেট কিলিং হৈছে- ইয়াৰ দ্বাৰা সদনক বিপথে পৰিচালিত কৰা হৈছে।

(সদনৰ গণ্ডগোল)

**✡শ্ৰীবৃন্দাবন গোস্বামী** ঃ অধ্যক্ষ মহোদয়, আধাঘণ্টাৰ কাৰণে হলেও এই বিষয়টোৰ ওপৰত সদনে আলোচনা কৰিব লাগে। ইয়াৰ এক বিতং আলোচনা হওক- মই অনুৰোধ জনাইছো।

(সদনত পুনৰ গণ্ডগোল)

**Mr. Speaker** : Item No.2. I now call upon Shri Biswajit Daimari, Sir Hemandra Nath Barhma, Sri Rihan Daimari and Sri Romio Daimari to raise their Zero Hour motion published in "Asomia Khabar" Dt. 7th April, 2002 under the caption "নিশি ছাত্ৰ সন্থাৰ প্ৰাণে মৰাৰ ভাবুকিত বড়ো লোকে অৰুণাচল এৰিছে ।"

---

✡ Speech not corrected

✡**শ্ৰী বিশ্বজিৎ দৈমাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি অসমীয়া ‘খবৰ’ নামৰ দৈনিক বাতৰি কাকতখনত “নিশি ছাত্ৰ সন্থাৰ প্ৰাণে মৰাৰ ভাবুকিত বড়ো লোকে অৰুণাচন এৰিছে” শীৰ্ষক বাতৰিটো প্ৰকাশ পাইছে । ইয়াত লিখিছে - চুবুৰীয়া ৰাজ্য অৰুণাচলত অসমৰ যি সকল বড়ো লোকে জীবিকা নিৰ্বাহি কৰি আছে তেওঁলোকে যোৱা ১ এপ্ৰিলৰ পৰা অৰুণাচল ত্যাগ কৰিবলৈ বাধ্য হৈছে। উল্লেখযোগ্য যে অৰুণাচলৰ মূল ছাত্ৰ সংগঠন ‘নিশি ষ্টুডেন্ট ইউনিয়নে’ যোৱাটো মাহৰ প্ৰথম সপ্তাহত ৰাজ্যখনত যি সকল বড়ো লোকে জীৱিকা নিৰ্বাহি কৰি আছে তেওঁলোককে অৰুণাচল ত্যাগ কৰিবলৈ চৰম পত্ৰ দিয়ে । অৰুনাচল ত্যাগৰ বাবে দিয়া পত্ৰখনত ছাত্ৰ সংগঠনটোৱে ব্যৱসায়, বাণিজ্য অথবা শ্ৰমিক হিচাবে কাম কৰি থকা বড়ো সকলক যোৱা ৩১ মাৰ্চৰ ভিতৰত অৰুণাচল ত্যাগ কৰাৰ নিৰ্দ্দেশ দিয়ে । একেদৰে অৰুণাচল চৰকাৰ অথবা কেন্দ্ৰীয় চৰকাৰৰ যি সকল বড়ো কৰ্ম্মচাৰী আছে তেওঁলোকক ৬ এপ্ৰিলৰ ভিতৰত অৰুণাচল এৰিবলৈ দিয়া হৈছে । অন্যথা সেই সকল বড়ো লোকে প্ৰাণ হেৰুৱাব লাগিব বুলি নিশি ষ্টুডেন্ট ইউনিয়নে ভাবুকি দিছে । আনকি ছাত্ৰ সংগঠনটোৱে অৰুণাচলৰ স্থানীয় কেবোল টিভিটো বড়ো সকলক অৰুণাচল এৰিবৰ বাবে সকিয়নি দি যোৱা এমাহ ধৰি বিজ্ঞাপন দি আহিছে । ছাত্ৰ সংগঠনটোৱে দিয়া ভাবুকিত সপ্ৰষ্ট হৈ ৰাজ্যখনৰ বড়ো লোক সকলৰ এটি প্ৰতিনিধি দলে মাৰ্চৰ শেষৰ সপ্তাহত অৰুণাচলৰ মুখ্যমন্ত্ৰী শ্ৰীমুকুট মিথিক সাক্ষাত কৰি তেওঁলোকব জীৱনৰ নিৰাপত্তা বিচাবে । কিন্তু মুখ্যমন্ত্ৰী শ্ৰীমিথিয়ে প্ৰতিনিধি দলটোৰ অনুবোধ পোনচাতেই প্ৰত্যাখান কৰে ।

**মাননীয় অধ্যক্ষ** ঃ বাতৰিটো কাকতত আছেই, তাৰ ওপৰত আপোনাৰ কবলগীয়াখিনি কওক ।

✡**শ্ৰী বিশ্বজিৎ দৈমাৰী** ঃ অধ্যক্ষ মহোদয়, বহুতে এই বাতৰি নপঢ়েই বা পঢ়িবলৈ নেপায় — এইটো অতি গুৰুত্বপূৰ্ণ বাতৰি সেই কাৰণেহে পঢ়ি দিছো । অধ্যক্ষ মহোদয়, আমি অসমত বাস কৰো আৰু অসমীয়া বুলি কও । আজি অসমৰ মানুহক অৰুণাচল প্ৰদেশৰ পৰা ভাবুকি দি খেদি পঠোৱা হৈছে, তেওঁলোকক অৰুণাচল এৰিবলৈ ডেট লাইন বান্ধি দিয়া হৈছে — এই ক্ষেত্ৰত আমাৰ অসম চৰকাৰৰ কৰিবলগীয়া একো নাই নেকি? আমাৰ চৰকাৰে অৰুণাচল চৰকাৰৰ লগত বিষয়টো জৰুৰী ভাৱে টেক্ আপ কৰিব লাগে। সেইটো নিৰ্দ্দেশ তেওঁলোকে কেৱল টি ভি যোগে কণ্টিনিউ ৰিলে কৰি আছে। আমি বাতৰি কাকতৰ জৰিয়তে খবৰ পোৱাৰ পিচত অসমৰ পৰা যোৱা বড়ো

✡ Speech not corrected

ছাত্ৰ আৰু চাকৰিয়াল সকলক অৰুণাচল প্ৰদেশ ত্যাগ কৰাৰ নটিচ দিয়া কথা তেওঁলোকে আমাক জনায়। কলেজ হোষ্টেল আৰু অন্য ঘৰত থকা যি সকল বড়ো ছাত্ৰ আৰু তেওঁলোকক অৰুণাচল ত্যাগ কৰাৰ কাৰণে ভাবুকী দিছে। ৩০ মাৰ্চৰ দিনাখন দুজন ছাত্ৰ এজন চৌহান বসুমতাৰী আৰু আন এজন ছাত্ৰক তেওঁলোকৰ পৰীক্ষা থকা স্বত্বেও তেওলোকৰ থকা ঘৰলৈ অৰুণাচল ত্যাগ কৰিবলৈ নটিচ দিছে। উপায়ন্তৰ হৈ তেওঁলোকে পৰীক্ষা নিদিয়াকৈয়ে অৰুণাচল ত্যাগ কৰি আহিছে। অৰুণাচলত যিবিলাক চাকৰিয়াল লোক আছে তেওঁলোকে একগোট হৈ এই বিষয়ে অৰুণাচল প্ৰদেশৰ লেণ্ড ৰেকৰ্ড মিনিষ্টাৰক লগ ধৰাত তেখেতে তেওঁলোকক চি. এম ক লগ ধৰিবলৈ কলে। ইয়াৰ পিচত বড়ো লোক সকলৰ এটি প্ৰতিনিধি দলে অৰুণাচলৰ মুখ্যমন্ত্ৰীক ৩১ মাৰ্চত লগ ধৰি নিৰাপত্তা বিচৰাত তেওঁ প্ৰতিনিধিৰ দলটোৰ অনুৰোধ পোনচাটেই প্ৰত্যাখান কৰে। সেই ক্ষেত্ৰত তেওঁ একো কৰিব নোৱাৰে বুলি কয়। কাৰণ অসম অৰুণাচল সীমান্ত এন. ডি. এফ. বি য়ে অৰুণাচলীৰ ওপৰত দীৰ্ঘ দিন ধৰি সন্ত্ৰাস চলাই অহা বুলি উল্লেখ কৰি সীমান্তত অৰুণাচলীৰ ওপৰত অত্যাচাৰ বন্ধ নহলে তেও একো কৰিব নোৱাৰে বুলি কয়। আজি এখন ৰাজ্যৰ মুখ্যমন্ত্ৰী গৰাকীয়ে যদি তেনে উত্তৰ দিয়ে তেনেহলে ৰাজ্যখনৰ জনসাধাৰণে তেওঁৰ পৰা কি আশা কৰিব পাৰে। নিশি ছাত্ৰ এজনে এজন বড়োলোকক দা দেখুৱাই অৰুণাচলত দেখা পালেই হত্যা কৰিম বুলি ভাবুকী দিছে। বড়ো মানুহ তাত বাহিৰলৈ ওলালেই মাৰধৰ কৰিছে। যিহেতু অৰুণাচলত থকা অসমৰ মানুহে অৰুণাচল ত্যাগ কৰি আহিব লগীয়া হৈছে সেয়েহে আমাৰ অসম চৰকাৰে এই ক্ষেত্ৰত অৰুণাচল প্ৰদেশ চৰকাৰৰ লগত যোগাযোগ কৰিব লাগে। তাত থকা চাকৰিয়াল সকলো বাহিৰলৈ ওলাই আহিব নোৱাৰে। অসমৰ বহুত মানুহ অৰুণাচল প্ৰদেশত আছে। গতিকে তেওঁলোকৰ নিৰাপত্তা আজিৰ পৰা হব লাগে। সেই কাৰণে আজিৰ ভিতৰতেই অৰুণাচল প্ৰদেশ চৰকাৰৰ লগত যোগাযোগ কৰি বিষয়টো নিষ্পত্তি কৰিব লাগে। যদি সীমান্তত উগ্ৰপন্থীৰ কাৰ্য্যকলাপ চলি আছে তেতিয়াহলে অসম আৰু অৰুণাচল প্ৰদেশ চৰকাৰে জইন্টলি উগ্ৰপন্থীৰ ওপৰত একচন লব পাৰে । নহলে উগ্ৰপন্থীয়ে কিবা এটা কৰিব আৰু সাধাৰণ ৰাইজৰ ওপৰত অত্যাচাৰ হব, সেইটো নহব । সেই কাৰণে আজি আমি আশা কৰিছো আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে তাৰ ওপৰত এটা ব্যৱস্থা হব । যদি অৰুণাচল মানুহে অসমৰ মানুহক অৰুণাচল ত্যাগ কৰাৰ কথা কেবল টি. ভিত ৰিলে কৰিব পাৰে, দা দেখুৱাব পাৰে তেতিয়াহলে আমাৰ অসম চৰকাৰে

আমাকো পাৰ্মিচন দিয়ক আমি অৰুণাচলৰ যি কোনো গাড়ী অসমৰ ভিতৰলৈ সোমাই আহিবলৈ নিদিও । অৰুণাচলৰ যিবিলাক ছাত্ৰ-ছাত্ৰীয়ে অসমৰ বিভিন্ন শিক্ষানুষ্ঠানত মেডিকেল, ইঞ্জিনীয়াৰিং আদি পঢ়ি আছে তেওঁলোকক পঢ়িবলৈ নিদিও।

✡**শ্ৰী ভৰত চন্দ্ৰ নৰহ** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো অবজেকচনেবুল কথা হৈছে ।

✡**শ্ৰী বিশ্বজিৎ দৈমাৰী** ঃ মই অৰুণাচলত থকা অসমৰ মানুহখিনিৰ নিৰাপত্তাৰ ক্ষেত্ৰতহে কৈছো । গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত কিবা এটা ব্যৱস্থা লব বুলি আশা কৰিছো ।

**Mr. Speaker** : Now Hon'ble Chief Minister to reply :

✡**শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি দুয়োখন ৰাজ্যৰ জনসাধাৰণে মিলি জুলি থাকিব লাগিব । আজি যিটো কথা উল্লেখ কৰিছে মই সেই বিষয়ে অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰিম । চাকৰিয়ালেই হওক বা অন্যান্য লোকৰ ক্ষেত্ৰতেই হওক যিটো কনষ্টিটিউচনেল ৰাইট আছে সেই ক্ষেত্ৰত মই সকলো লোকেক প্ৰটেকচন দিয়া উচিত । এই বিষয়ে আজি মই সবিশেষ বুজ ল'ম ।

**Mr. Speaker** : Now I call upon the Hon'ble Member Sir Pabinder Deka to raise his Zero Hour Motion which was published in "Dainik Asom" dtd. 7.4.2002 under the caption:- "সাংস্কৃতিক উন্নয়ণখ শিতানত অসমে অকলে ১৮ কোটি মেঘালয়ে ৫৩ কোটি - আমোলাৰ অকৰ্মণ্যতাৰ বাবে বঞ্চিত অসম ।"

✡**শ্ৰী পবিন্দ্ৰ ডেকা** ঃ মাননীয় অধ্যক্ষ মহোদয়, জিৰো আৱাৰত 'সাংস্কৃতিক উণ্নয়নৰ শিতানত অসমে পালে ১৮ কোটি, মেঘালয়ে পালে ৫৩ কোটি' ২০০২ চনৰ ৭ এপ্ৰিল তাৰিখে দৈনিক অসম কাকতত প্ৰকাশিত এই বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো। কাৰণ আমাৰ সাংস্কৃতিক বিভাগৰ কথা সকলোৰে জানে। এই বিভাগটো যেনেদৰে শক্তিশালী হব লাগে সেইমতে হোৱা নাই। এনে ধৰণৰ বিভিন্ন বাতৰিৰ কথা মই সদনত বিভিন্ন সময়তে কৈ আহিছো। কোনটো বিভাগৰ ক'ত কিমান টকা আহিল, কিমান টকা খৰচ কৰিব নোৱাৰা কাৰণে ঘূৰি গ'ল, ইউটিলাইজেচন চাৰ্টিফিকেট নিদিয়াৰ কাৰণে কিমান টকা ফিৰি গ'ল সেই বিলাক কথা কেন্দ্ৰীয় মন্ত্ৰীয়ে প্ৰেছ মেল পাতি কৈ যায়। অসমত কল্যাণ মূলক কাম কৰিব নোৱাৰাৰ কাৰণে বহুত টকা

✡ Speech not corrected

ঘূৰাই দিয়া হৈছে আৰু প্ৰতিবেদন বিলাকত এই বিলাক কথা স্পষ্ট ভাবে উল্লেখ কৰিছে। মই ইয়াত কব বিচাৰিছো যে দশম পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ অধীনত সাংস্কৃতিক উন্নয়ণ আৰু প্ৰসাৰৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা ২ কোটি ২৪ লাখ জনসংখ্যা থকা অসমে লাভ কৰা ১৮ কৌটি ২৭ লাখ টকাৰ বিপৰীতে মাত্ৰ ১৭ লাখ ২৪ হাজাৰ জনসংখ্যাৰ মেঘালয়ে লাভ কৰিব ৫০ কোটি ১১ লাখ টকা। ইয়াৰ কাৰণটোও দিয়া হৈছে। বহুতো ক্ষেত্ৰত কেন্দ্ৰই আমাক বঞ্চনা কৰি থকা বুলি কয় আৰু আমি তাৰ কাৰণে গৰিহণা দিছো যদিও এই ক্ষেত্ৰত কিন্তু কেন্দ্ৰই আমাক বঞ্চনা কৰা নাই। ই হ'ল অসমত কৰ্তব্যৰত ভাৰতীয় প্ৰশাসনীয় সেৱা আৰু অসমৰ প্ৰশাসনীয় সেৱাৰ বিষয়া সকলৰ অকৰ্মণ্যতা আৰু হেমাহিৰ এক ক্ষুদ্ৰ নমুনা। ৰাজ্যখনত কৰ্তব্যৰত একাংশ এনে বিষয়াৰ দুৰ্নীতি অকৰ্মণ্যতা, হেমাহি আৰু খেয়ালী মনোভাবৰ ভাৰেই ৰাজ্য চৰকাৰে প্ৰতি বছৰে বঞ্চিত হৈছে কোটি কোটি টকাৰ কেন্দ্ৰীয় অনুদানৰ পৰা। ইয়াৰ বিপৰীতে দক্ষ আৰু উদ্যোগী বিষয়াৰ বাবে নাগালেণ্ড, মেঘালয় আদিৰ দৰে সৰু ৰাজ্যই কেন্দ্ৰৰ পৰা প্ৰতি বছৰে কোটি কোটি টকা আদায় কৰিবলৈ সক্ষম হৈছে। আজি আমি ৰাজ্য খনত সাংস্কৃতিক বিভাগৰ ফালৰ পৰা যেনেধৰণে এটা কালচাৰেল হেৰিটেজ দেখুৱাব পাৰিব লাগিছিল সেইটো কৰিব পৰা নাই। এই কথাটো উৎথাপন হলেই আৰ্থিক অৱস্থা নাটনিৰ কাৰণে কৰিব পৰা নাই বুলি কয়। অথচ এই বাতৰিটোৱে কি কৈছে। সেই কাৰণে মই বিধান সভাৰ মজিয়াত আৰ্থিক নাটনি হোৱা সম্পৰ্কত আলোচনা কৰিছো। কি কি কাৰণত আৰ্থিক নাটনি হ'ল সেই কথা আমি আলোচনা কৰিছো। আমাৰ সাংস্কৃতিক বিভাগৰ মন্ত্ৰী গৰাকীৰ পৰা সেই বিষয়ত কি হৈ আছে জানিব বিচাৰিছো আৰু যদি সেই কথা সচা হয় তেতিয়াহ'লে ইয়াৰ লগত জড়িত থকা বিষয়া সকলৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰাৰ কাৰণে মই মাননীয় মহোদয়ৰ দৃষ্টি গোচৰ কৰিছো।

**✡ডঃ হেমপ্ৰভা শইকীয়া (সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০০২ চনৰ ৭ এপ্ৰিল তাৰিখে দৈনিক অসম কাকতত প্ৰকাশিত এই বাতৰিটো মোৰ দৃষ্টি গোচৰ হৈছে। বাতৰিটোৰ ক্ষেত্ৰত মোৰ নিজৰেই কনফিইজন হৈছে। কাৰণ ওপৰত এটা বাতৰি আছে আৰু তলত এটা বেলেগ বাতৰি কাটি নি দৃষ্টি আকৰ্ষণ কৰা হৈছে। যি কি নহলেও আজি বাতৰিটোৰ পৰা যি কেইটা কথা কোৱা হৈছে আৰু অভিযোগ অনা হৈছে সেই সম্পৰ্কত মই কব বিচাৰিছো।

✡ Speech not corrected

পূৰ্ব্বতে শিক্ষা বিভাগৰ লগত সন্নিবিষ্ট হৈ থকা সাংস্কৃতিক পৰিক্ৰমা বিভাগ ১৯৮৭ চনত অসম চৰকাৰে স্বতন্ত্ৰ বিভাগ হিচাবে অধিসূচনা জাৰি কৰে। তেতিয়াৰে পৰা অসমৰ সাংস্কৃতিৰ বিকাশ, প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে এই বিভাগে কাম কৰি আহিছে।

বিত্তীয় নাটনি স্বত্বেও যোৱা দুই তিনি বছৰৰ ভিতৰত সাংস্কৃতিক পৰিক্ৰমা বিভাগে উল্লেখযোগ্য সফলতা লাভ কৰিছে। এই সফলতাৰ স্বাক্ষৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ আৰু অত্যাধুনিক ৰূপত গঢ়ি উলিওৱা জ্যোতি চিত্ৰবন ষ্টুডিঅ'ই সুন্দৰকৈ প্ৰতিফলিত কৰিছে। এই বিভাগৰ নেৰা নেপেৰা চেষ্টা আৰু শিল্পী সকলৰ অহোপুৰুষাৰ্থ আৰু সংগীত নাটক একাডেমীৰ অধ্যক্ষ ডঃ ভূপেন হাজৰীকাৰ বিশেষ চেষ্টাৰ ফলত সত্ৰীয়া নৃত্যই অলপতে ভাৰতৰ এটা প্ৰধান নৃত্য ধাৰা হিচাবে সংগীত নাটক একাডেমীৰ পৰা স্বীকৃতি লাভ কৰিছে।

ভাৰত চৰকাৰ অথবা অন্যান্য প্ৰাদেশিক চৰকাৰে মিউজিয়াম, আৰকিঅ'লজি, লাইব্ৰেৰী আদি বিভাগ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অধীনত ৰাখিছে। কিন্তু আমাৰ ৰাজ্যত সাংস্কৃকিত পৰিক্ৰমা বিভাগটো পূৰ্ণাঙ্গ ৰূপত ৰখা হোৱা নাই। উদাহৰণ স্বৰূপে মেঘালয় চৰকাৰে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অধীনত ৰখা বিষয় সমূহ হ'ল –

১) Promotion of Art & Culture.

২) Research and documentation including State Archive.

৩) Historical and Antiquariam Studies.

৪) Library Services.

৫) District Gazetters.

৬) State Museum.

কিন্তু অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ দায়বদ্ধতা Promotion and Prescrvation of Art & Culture তে সীমাবদ্ধ। বাকী বিষয় সমূহ অন্যান্য বিভাগে চোৱা চিতা কৰে। যি ক্ষেত্ৰত মেঘালয়া চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে ওপৰত উল্লেখিত ৬ টা বিষয়ৰ ওপৰত আঁচনি প্ৰস্তুত কৰি দাখিল কৰিব পাৰিছে, অসমত সেই ক্ষেত্ৰত একমাত্ৰ Promotion of Art & Culture ৰ ওপৰতে আঁচনি দাখিল কৰিব লগা হৈছে। ফলত আঁচনিৰ সংখ্যা বা ধনৰ পৰিমান কম বেছি হ'ব পাৰে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে অসমে ইতিমধ্যে

সাংস্কৃতিক শিতানত Infrastructure Development ৰ বাবে non-lapsable Pool of Central Resources ৰ পৰা ২০ কোটি টকাৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত নিৰ্মাণ কৰিব লগা ১২৫০ জনীয়া পেক্ষাগৃহ নিৰ্মাণৰ আঁচনিত অনুমোদন লাভ কৰিছে আৰু তাৰে ৫ কোটি টকা মোকোলাই দিয়া হৈছে। এই টকাৰ লেখ নতুন খচৰা আঁচনিৰ ক্ষেত্ৰত ধৰা হোৱা নাই।

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ লগত অঙ্গাগী ভাবে সম্পৰ্ক থকা বিষয় সমূহ অন্য বিভাগৰ অধীনত থকাৰ বাবে বহু ক্ষেত্ৰতে অসুবিধা হৈছে। ভাৰত চৰকাৰৰ পৰা এই বিভাগ বোৰৰ ক্ষেত্ৰত লব লগা কাম বা জানিব লগা বিষয় সম্পৰ্কে অহা চিঠি পত্ৰ আদান প্ৰদানত অযথা সময় ব্যয় হয় আৰু সামগ্ৰিক বিকাশত বাধা জন্মে। আনকি একেটা গ্ৰান্টৰ অধীনতে (Grant No.27) মিউজিয়াম আৰ্কিঅ'লজি আদি বিভাগ সমূহ থকাৰ বাবে ৰাজহুৱা হিচাব পৰীক্ষা সমিতিয়েও স্পষ্ট আভাষ পোৱা নাই। সাংস্কৃতিক বিভাগৰ পৰা এই সম্পৰ্কে কেইবাবাৰো আঙুলিয়াই দি সংশ্লিষ্ট বিভাগ সমূহ একে বিভাগত অন্তৰ্গত কৰিবলৈ (Cultural Affairs deptt.) যোগাযোগ কৰা হৈছে যদিও ফলপ্ৰসু হোৱা নাই।

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ প্ৰধান সচিবে ৰাজ্যৰ পৰিকল্পনা ও উন্নয়নৰ নিচিনা গধুৰ দায়ীত্ব বহন কৰাৰ উপৰিও অন্যান্য বিভাগৰ লগতে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ দায়ীত্ব সূচাৰু ৰূপে পালন কৰিব লগা হৈছে। এই বিভাগত যোৱা ডিচেম্বৰ মাহৰ পৰা বিষয়া পৰ্য্যায়ত একমাত্ৰ এজনী যুটীয়া সচিব আছে আৰু তেওঁৰো পৰিকল্পনা ও উন্নয়ন বিভাগৰ যুটীয়া দায়ীত্ব আছে। এই বিভাগত জ্যোতি চিত্ৰবনত deputation ত থকা বিষয়া জনকে আদি কৰি ৰাজপত্ৰিত বিষয়া (সচিবালয় বাদে) মাত্ৰ ৬ জন। Infrastructure Development Group ক দিব লগা আঁচনি সম্পৰ্কে অসম চৰকাৰৰ প্ৰধান সচিবলৈ প্ৰথম চিঠিখন আহে (Fax যোগে) ৭ জানুৱাৰী ২০০২ তহে। সেয়েহে বাতৰিত উল্লেখ কৰাৰ দৰে তদানীন্তন সঞ্চালিকাই বিভিন্ন অজুহাতত আঁচনি সমূহ ঘূৰাই পঠোৱাৰ প্ৰশ্ন নুঠে। আগৰ সঞ্চালকালয়ৰ দায়ীত্বৰ পৰা অব্যাহতি লৈছে। আমি এতিয়াও আৰু আঁচনি দিব পাৰো যাতে নেকি তাৰ চেষ্টা কৰি আছো ।

## Point of Order

**Shri Hitendra Nath Goswami :** Sir, point of order. I would like to refer Rule 37 relating to conditions of admissibility of question. Sir, Rule 37/(IO) of the Rules of

✡ Speech not corrected

procedure & conduct of Business in Assam Legislative Assembly is as under :

> "It shall not ordinarily ask about matter pending before and statutory tribunal or statutory authority performing any judicial or quasijudicial functions or any commission or court of enquiry appointed to enquire into, or investigate any matter but may refer to matter concerned with procedure or subject or stage of enquiry if it is not likely to prejudice the consideration of the matter by Tribunal or Commission or court of enquiry."

৫৭ নং বিজলিউচন, মচনৰ কথা আছে । মই ৰুল ৩৭৩ কনফাইন কৰিব খুজিছো । হাউচত এটা কথা সুধিব নোৱাৰো ।

Sir, similary Rule 37 (12) reads as follows :

> "It shall not make or imply a charge on personal character."

চিক্রেট কিলিং সম্পর্কিত কমিচন অব এনকোৱাৰিৰ দোহাই দি সুধিব নোৱাৰো। তৰা চিহ্নিত, তৰা বিহীন প্রশ্ন সুধিব নোৱাৰো । এটা কথা সদনৰ কাৰ্য্য বিৱৰণীৰ পৰা বাদ নপৰে ।

**মাননীয় অধ্যক্ষ :** কাইলৈ দিম । I will place the matter tommorrow (9-4-02)

**ডঃ জয়নাথ শৰ্মা :** চাবদিচিউচ এক্সপাঞ্জ কৰিব লাগিব ।

**মাননীয় অধ্যক্ষ :** কালিলৈ দিম ।

**শ্রীভৰত চন্দ্র নৰহ (সংসদী পবিক্রমা মন্ত্রী) :-** কাইলৈ দিম ।

## CALL ATTENTION NOTICE

**Mr. Speaker :** Now Item No.2. I now call upon Shri Pabindra Deka.

**✡শ্রী পবিত্র ডেকা :** অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্রক্রিয়া আৰু কাৰ্য্যপবিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ৫-৩-২০০২ তাৰিখৰ 'অসমীয়া প্রতিদিন' কাকতত প্রকাশিত 'অসম চৰকাৰৰ কৈফিয়ৎ তলৱ কৰিব মন্ত্রী

✡ Speech not corrected

যোশীয়ে,— কেন্দ্রৰ ধন আনিও দৰমহা দিয়া নাই ৮১৬৬ শিক্ষকক'। এই শীর্ষক বাতৰিটোৰ প্ৰতি শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। অধ্যক্ষ মহোদয়, অ,বি,বি শিক্ষক সম্পৰ্কত এই সদনত বহু কথাই আলোচনা হৈ গৈছে। ৮১৬৬ জন শিক্ষকে আমৰণ অনশন কৰিছে আৰু এই সম্পৰ্কত উত্তপ্ত আলোচনাও এই সদনত হৈছে। এই শিক্ষক সকলৰ ওপৰিও কিছুমান হিন্দী শিক্ষকৰ কথাও ইয়াত উল্লেখ কৰা হৈছে। বাতৰিটোত উল্লেখ কৰিছে যে, বিত্তীয় দিশ পৰিচালনাৰ চূড়ান্ত ব্যৰ্থতা প্ৰদৰ্শন কৰি অহা অসম চৰকাৰে ৰাজ্যখনৰ এক নিৰ্দিষ্ট সংখ্যক শিক্ষকৰ দৰমহা আদায়ৰ ক্ষেত্ৰত প্ৰহসনৰ আশ্ৰয় লোৱাৰ প্ৰসঙ্গই শেহতীয়াকৈ কেন্দ্ৰৰ মজিয়াত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিশেষকৈ দৰমহাৰ নামত কেন্দ্ৰই পৰ্য্যাপ্ত ধন মোকলাই দিয়াৰ পিচতো মুঠ ১,১০০ জন হিন্দী শিক্ষক আৰু ৭০৬৬ জন অ. বি. বি শিক্ষকক অসম চৰকাৰে মাহ মাহ ধৰি দৰমহাৰ পৰা বঞ্চিত কৰাৰ খবৰে কেন্দ্ৰীয় মানৱ সম্পদ উন্নয়নৰ দপ্তৰৰ মন্ত্ৰী মূৰলী মনোহৰ যোশীক স্তম্ভিত কৰি তুলিছে কি কাৰণত এই শিক্ষক সকলক চৰকাৰে দৰমহা দিবপৰা নাই সেই সম্পৰ্কত সংসদৰ চলিত অধিবেশনত সাংসদ অৰুণ শৰ্মাই এক প্ৰশ্ন তুলিছিল সাংসদ গৰাকীৰ এই লিখিত প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় মন্ত্ৰী যোশীয়ে স্পষ্ট কৰি দিয়ে যে, এই শিক্ষক সকলৰ দৰমহাৰ বাবদ যোৱা ২০০০-২০০১ বিত্তীয় বৰ্ষতে কেন্দ্ৰই অসম চৰকাৰলৈ মুঠ ৫.৩৮ কোটি টকা মুকলি কৰি দিছিল। নিজৰ স্থিতি স্পষ্ট কৰাৰ লগে লগেই যোশীয়ে ৰাজ্য চৰকাৰে শিক্ষকসকলক দৰমহা আদায় নিদিয়াক লৈ তীব্ৰ আশ্চৰ্য্য প্ৰকাশ কৰে।

**মাননীয় অধ্যক্ষ** ঃ আপুনি চমুকৈ কওঁক।

**✡শ্ৰীপবিন্দ্ৰ ডেকা** ঃ অধ্যক্ষ মহোদয়, বাতৰিটো প্ৰকাশ হোৱাত বিশেষ গুৰুত্ব নাছিল কিন্তু আজি কেইদিনৰ মানৰ আগৰে পৰা শিক্ষক সকলে আমৰণ অনশন কৰিছে উদ্বেগ প্ৰকাশ কৰিছে। স্বয়ং মন্ত্ৰী মহোদয় যোশী দেৱে কৈছে যে টকা শিক্ষক সকলৰ বাবে অসম চৰকাৰক দিয়া হৈছে। আৰু ইয়াত কোৱা হৈছে যে, শিক্ষকৰ বাবে কোনো ধন কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা নাই। অ,বি,বি শিক্ষক সকলৰ দৰমহাৰ বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ লগত জড়িত হৈ আছে। গতিকে বিষয়টো মই শিক্ষা মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো।

**✡শ্ৰীহেমপ্ৰকাশ নাৰায়ণ (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, বাতৰি কাকতত প্ৰকাশ হোৱা বাতৰিটো মোৰ দৃষ্টিগোচৰ হৈছে। কেন্দ্ৰৰ আৱন্টিত ধন ২০০০-২০০১

---

✡ Speech not corrected

চনত খৰচ কৰা হোৱা নাছিল আৰু ২০০১-২০০২ চনত ইতিমধ্যে ১৫ কোটি টকা ১৯৯৮-৯৯ চনত নিযুক্ত অ,বি,বি শিক্ষকৰ দৰমহাৰ বাবে মোকলাই দিয়া হৈছে। হিন্দী শিক্ষকৰ বাবে ধন মোকলাই দিয়াৰ বাবে বিত্ত বিভাগৰ লগত যোগাযোগ কৰি থকা হৈছে। কেন্দ্ৰৰ পৰা অ,বি,বি আৰু হিন্দী শিক্ষকৰ বাবে এতিয়াও ৩০ কোটিৰো অধিক টকা পাবলৈ আছে। ইয়াৰ বাবে কেন্দ্ৰৰ লগত যোগাযোগ কৰি থকা হৈছে। ৭০৬৬ জন অ. বি. বি শিক্ষকৰ বেতন কেন্দ্ৰীয় চৰকাৰে মোকলাই দিয়া কথাটো সঁচা নহয়।

## MATTER UNDER RULE 301

**Mr. Speaker :** Now Item No.3. Hon'ble Member, Shri Tijen Basumatary, to raise the matter under Rule 301.

✡ **শ্ৰীটিজেন বসুমতাৰী :** অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত "ষড়যন্ত্ৰৰ বেহুত কোটি টকীয়া পাঠশালা নাংলাম পথ" । অধ্যক্ষ মহোদয়, এই বিষয়টো অতি গুৰুত্বৰ পূৰ্ণ কিয়নো এই নামলাং পথটো অতিগুৰুত্বপূৰ্ণ । এই পথটো ভাৰত চৰকাৰৰ পথ পৰিবহন মন্ত্ৰনালয়ে ১৫২ নং ৰাষ্ট্ৰীয় ঘাইপথ হিচাবে ঘোষণা কৰিছে । এই ৰাষ্ট্ৰীয় পথটো বনোৱাৰ কাৰণে প্ৰস্তুতি চলায়েই আছে । ইতিমধ্যে ২.১৫০ কিলোমিটাৰৰ পৰা ১০ কিলোমিটাৰ পথ সবলীকৰণৰ কামৰ বাবে অৰ্ন্তভুক্ত কৰা হৈছে আৰু তাৰ বাবে প্ৰায় ১৩২.৮০ লাখ টকা অনুমোদনৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হৈছে । এই পথটো অতি জুৰুৰী পথ । গতিকে অতি সোনকালে এই পথটো নিৰ্ম্মাণ কৰাৰ বাবে মই অনুৰোধ জনাই বিষয়টো মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো ।

✡ **শ্ৰীশৰৎ বৰকটকী (মন্ত্ৰী) :** পাটাছাৰকুছি বিধান সভা সমষ্টিৰ অন্তৰ্গত কঠোৰ আলি নামৰ গড়কাপ্তানি পথটো ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ১০৩৩ কিঃমিঃ অৱস্থিত পাঠশালা টাউনৰ পৰা আৰম্ভ হৈ কেন্দুগুৰি, সাদেৰী, বাঘমাৰা, ভূতেপোৰা, অঞ্চলি, শিমলা, লক্ষীবজাৰ ইত্যাদি ঠাইৰ মাজেৰে গৈ ইণ্ডোভূটান সীমান্তৰ নামলাংত মিলিত হৈছে । এই পথটো ভাৰত চৰকাৰৰ পথ পৰিবহন মন্ত্ৰালয়ে ১৫২ নং ৰাষ্ট্ৰীয় ঘাঁইপথ হিচাবে ঘোষণা কৰি ইং ২০০০ চনৰ ২৯ মে'ত প্ৰকাশিত ভাৰত চৰকাৰৰ ৰাজপত্ৰত অধিসূচনা জাৰি কৰে । বৰ্তমান এই ৰাষ্ট্ৰীয় ঘাঁইপথটোৰ চোৱাচিতা তথা উন্নয়নৰ কাম গড়কাপ্তানি বিভাগৰ ৰঙিয়া ৰাষ্ট্ৰীয় ঘাঁইপথ সংমণ্ডলৰ অধীনত ন্যস্ত কৰা হৈছে । পথটো ৰাষ্ট্ৰীয় ঘাঁইপথৰ

✡ Speech not corrected

আৰ্হিত নিৰ্মাণ আৰু মেৰামতি কৰিবলৈ আৱশ্যকীয় প্ৰাথমিক প্ৰাক্কলন প্ৰস্তুত কৰি ইতিমধ্যে ভাৰত চৰকাৰৰ পথ পৰিবহন মন্ত্ৰালয়লৈ প্ৰেৰন কৰা হৈছে। মন্ত্ৰালয়ে এই পথটোৰ মেৰামতি তথা উন্নয়নৰ কাৰণে বাৰ্ষিক পৰিকল্পনাৰ অধীনত পৰ্য্যায় ক্ৰমে তলত উল্লেখিত ধৰণে ব্যৱস্থা লৈছে।

| বাৰ্ষিক পৰিকল্পনা | কামৰ বিবৰণ | অনুমোদিত টকাৰ পৰিমান | কামৰ প্ৰগতিৰ পৰিমান |
|---|---|---|---|
| (ক) ২০০০-২০০১ | (১) কিঃমিঃ ৩.০০ পৰা কিঃমিঃ ৪.০০ লৈ সবলীকৰণ আৰু প্ৰসস্ত কৰণ (ঠাই বিশেষে মুঠ দৈৰ্ঘ্য ০.৬২৫ কিঃমিঃ) | টকা ১৮.৫০ লাখ | ইতিমধ্যে সম্পূৰ্ণ হৈছে। |
| (খ) ২০০১-২০০২ | (১) কিঃমিঃ ০.০০ৰ পৰা কিঃমিঃ ২.১৫০পৰ্য্যন্ত দ্বি পথলৈ প্ৰসস্ত কৰণ আৰু পকীকৰণ (মুঠ দৈৰ্ঘ্য ২.১৫০ পকীকৰন (মুঠ দৈৰ্ঘ্য ২.১৫০ কিঃমিঃ) | টকা ২৫৫.৮৪ লাখ | ৩০ শতাংশ (পৰিকল্পনা মতে ২০০২ চনৰ ডিচেম্বৰ মাহত সম্পূৰ্ণ কৰা হ'ব।) |

ওপৰত উল্লেখ কৰা ২০০১-২০০২ বাৰ্ষিক পৰিকল্পনাৰ অন্তৰ্গত কামটোৰ সন্দৰ্ভত উল্লেখ কৰিব পাৰি যে পথ প্ৰসস্ত কৰনৰ পৰিপ্ৰেক্ষিতত পথৰ দাতিত থকা বিজুলি বাতি আৰু টেলিফোন সংযোগী খুঁটী স্থানান্তৰিত কৰিবৰ বাবে প্ৰায় ১০ লাখ টকা প্ৰস্তাৱিত প্ৰাক্কলনত অন্তৰ্ভুক্ত কৰা হৈছিল। কিন্তু এই টকা অসম ৰাজ্যিক পুঁজিৰ পৰা ব্যয় কৰা হ'ব বুলি লিখিত ভাবে মন্ত্ৰালয়ক জনালেহে প্ৰাক্কলন খনৰ অনুমোদন দিয়া হ'ব বুলি মন্ত্ৰালয়ে মত প্ৰকাশ কৰাত কামটোৰ স্বাৰ্থত এই বিভাগে লিখিত ভাবে সন্মতি প্ৰকাশ কৰিব লগীয়া হয়। যিয়ে নহওঁক, বৰ্ত্তমান ওপৰোক্ত স্থানান্তকৰনৰ কাম আৰম্ভ কৰা হৈছে আৰু যাৱতীয় পুঁজিৰ কাৰণে ব্যৱস্থা লোৱা হৈছে যদিও এই প্ৰক্ৰিয়াটোৰ বাবে কামৰ প্ৰগতিত কিছু পৰিমানে লেহেম হ'ব লগীয়া হৈছে।

বৰ্ত্তমান কেন্দ্ৰীয় চৰকাৰৰ পথ পৰিবহন মন্ত্ৰালয়ৰ দ্বাৰা অনুমোদিত ২০০২-২০০৩ বাৰ্ষিক পৰিকল্পনাৰ অধীনত হ'ব লগীয়া কামৰ তালিকাত (সংলগ্ন কৰা হৈছে)

কিঃমিঃ ২.১৫০ ৰ পৰা কিঃমিঃ ১০.০০ লৈ পথ সবলীকৰণৰ কাম অন্তৰ্ভূক্ত কৰা হৈছে আৰু যাৱতীয় প্ৰাক্কলন (প্ৰায় ১৩২.৮০ লাখ টকা) ইতিমধ্যে অনুমোদনৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পথ পৰিবহন মন্ত্ৰালয়, নতুন দিল্লীলৈ প্ৰেৰন কৰা হৈছে। উক্ত প্ৰাক্কলনৰ অনুমোদন পোৱাৰ পিছত বিধি অনুসাৰে কাম হাতত লোৱা হব।

এই সন্দৰ্ভত উল্লেখ কৰিব পাৰিযে ৩৬ নং ৰাষ্ট্ৰীয় ঘাঁইপথৰ কিঃমিঃ ১৩৬.৭০৩ ৰ পৰা কিঃমিঃ ১৪১.৮৬০ লৈ পথ প্ৰসস্ত কৰনৰ বাবে প্ৰায় ৬৩৮.০০ লাখ টকাৰ এটি প্ৰাক্কলন মন্ত্ৰালয়লৈ অনুমোদনৰ বাবে প্ৰেৰন কৰা হৈছিল যদিও বৰ্ত্তমান ৰাষ্ট্ৰীয় ঘাঁইপথৰ প্ৰসস্ত কৰনত কম অগ্ৰাধিকাৰ দিয়াৰ ভিত্তিত এই প্ৰাক্কলনটো অনুমোদন নিদিয়াকৈ মন্ত্ৰালয়ৰ চিঠি নং এন. এইছ ২০১৪/৩০/২০০২/এ. এচ/এন. এইচ -১০ তাৰিখ ২০/৩/২০০২ ৰ (ইয়াৰ প্ৰতিলিপি সংলগ্ন কৰা হৈছে) যোগেদি ওভতাই পঠাইছে। সেই বাবেই ১৫২ নং ৰাষ্ট্ৰীয় ঘাঁইপথৰ ২.১৫০ কিঃমিঃ পৰা ১০.০০ কিঃমিঃ ৰ প্ৰাক্কলনটো প্ৰসস্তীকৰণ নকৰাকৈ অকল সবলীকৰনৰ প্ৰস্তাবদি অনুমোদৰ বাবে মন্ত্ৰালয়লৈ প্ৰেৰন কৰা হৈছে। ভৱিষ্যতে কেন্দ্ৰীয় চৰকাৰৰ পথ পৰিবহন মন্ত্ৰালয়ে পথ প্ৰসস্তীকৰনৰ আঁচনি ললে পথটো পৰ্য্যায় ক্ৰমে দ্বি পথলৈ উন্নীত কৰা হব।

## CONSIDERATION AND PASSING OF GOVERNMENT BILL

**Mr. Speaker: Now Item No.4 (a)**

There is a message from the Governor of Assam, Raj Bhawan, Guwahati, March 07, 2002.

ORDER

Under the provision of Article 207(3) of the Constitution of India I, Lt. Gen. (Retd.) S. K. Sinha, PVSM Governor of Assam, recommended the consideration of the "Assam General Sales Tax (Amendment) Bill, 2002" be taken into consideration, by the Assam Legislative Assembly.

Sd/-

(Lt. Gen. (Rtd) S. K. Sinha, PVSM)

**Mr. Speaker:** Now Hon'ble Minister, Finance to move.

**Shri Debananda Knowar (Minister) :** I beg to move that the "Assam General Sales Tax (Amendment) Bill, 2002" be taken in to consideration.

**Mr. Speaker:** I now put the motion before the House. The Motion is that the "Assam General Sales Tax (Amendment) Bill, 2002 be taken into consideration.

Those who are in favour say, 'Ayes' and those who are against say "Noes'. Ayes have it, Ayes have it, Ayes have it. The motion is passed.

Now item No.4(b) Hon'ble Minister, Finance to move.
Shri Debananda Knowar (Minister) : I beg to move that the Assam General Sales Tax (Amendment) Bill, 2002 in clause 2 as follows :

"In the Principal Act, in section 8 in sub-section (1) after explanation (2) sought to be amended by clause (2) of the proposed Bill the explanation (3) shall be inserted as follows --

"Explanation 3(1) in case of potable Liquerd mentioned in serial number 27A in Schedule-II, except country spirit, the licencee of the bonded warehouse or wholesale licence holder who sells these items to a retailer holding 'on' or 'off' licence shall be deemed to be the first point seller, irrespective of whether he imports such items from outside the State or he purchases such items from a manufacturer or a bottling unit or another bonded warehouse within the State and he shall be liable to pay tax on the sale price of such items, as defined in clause (34) of Section 2 including excise duty or countervailing duty payable thereon, irrespective of whether such duty is payable by the licence of the bonded warehouse or the wholesale licence holder or the

retail licence holder.

(ii) In case of country spirit mentioned in serial number 27A, in Schedule-II, the licenced contractor who sales or supplies such items to a licenced retail vendor shall be deemed to be first point seller who shall be liable to pay tax on the sale price of the item as defined in clause (34) of section 2 including still head duty payable thereon. The retail vendor while depositing the cost price and duty shall also deposit the tax payable under this act in the designated bank by challan and handover one copy of the challan to the contractor".

**Mr. Speaker:** I now put the Motion before the House for approval the motion is that "In the principal Act, in section 8 in Sub Section (1) after explanation (2) sought to be amended by clause (2) of the proposed Bill explanation (3) shall be inserted as follows :

"Explanation 3(i) in case of potable liquors mentioned in serial number 27A in schedule-II, except country spirit, the licencee of the bonded warehouse or wholesale licence holder who sells these items to a retailer holding 'on' or 'off' licence shall be deemed to be the first point seller, irrespective or whether he imports such items from outside the State or he purchases such items from a manufacturer or a bottling unit or another bonded warehouse within the State as he shall be liable to pay tax on the sale price of such items, as defined in clause (34) of section 2 including excise duty or countervailing duty payable thereon, irrespective of whether such duty is payable by the licencee of the bonded warehouse or the wholesale licence holder or the retail licence holder ?

(ii) In case of country spirit mentioned in serial number 27A, in Schedule-II, the licensed contractor who sells or supplies such items to a licensed retail vendor shall be deemed to be the first point seller who shall be liable to pay on tax on the sale price of the item as defined in clause (34) of section 2 including still head duty payable thereon. The retail vendor while deposting the cost price and duty shall also deposit the tax payable under this Act is the designated bank by challan and hand over one copy of the challan to the contractor".

Those who are in favour say "Ayes" and those who are against say 'Noes'.

**✡ ডঃ জয়নাথ শৰ্মা ঃ** পইন্ট অফ অৰদাৰ অধ্যক্ষ মহোদয়, এই বিষয়টোৰ কন্‌টেন্টচ খিনি মই পঢ়ি চাইছো । এই এমেণ্ডমেন্টটো অনাৰ কাৰণে আমাক এটা সময় দিব লাগিছিল । এইখন প্ৰাইভেট বিল নহয় । আমি ইয়াৰ শব্দ কিছুমানৰ ওপৰত অলপ চোৱা চিতা কৰি তাত আমি কিবা পৰামৰ্শ দিব পাৰো নেকি তাৰ কাৰণে আমাক সুবিধা কিয় নিদিলে ?

**Shri Debanand Knowar :** Actually, Bill has already been introduced. A minor amendment is brought.

**✡ ডঃ জয়নাথ শৰ্মা ঃ** এই বিলখন গভৰ্ণমেন্টে আনিছে । ইয়াত নতুনকৈ পইন্ট সুমুৱাব খুজিছে । এই এমেণ্ডমেন্টৰ ওপৰত আমাৰ সকলো সদস্যৰে কোৱাৰ অধিকাৰ আছে । এই বিল খনৰ এঠাইত লাইচেন্স শব্দটোৰ সলনি পাৰ্মিট বুলি কব খোজা হৈছে আৰু সেইবোৰ এমেণ্ডমেন্টত আমাক কবলৈ সুবিধা নিদি আমাৰ মৌলিক অধিকাৰ খৰ্ব কৰা হৈছে । আমাৰ মাননীয় বিত্তমন্ত্ৰীৰ দৰে এগৰাকী জ্যেষ্ঠ মন্ত্ৰীয়ে আমাৰ অধিকাৰটো খৰ্ব কৰিব নালাগিছিল। গতিকে এইটো আজি পাছ নকৰি অহা চেচনত কৰিব দিলে ভাল হয় । আমাৰ ৰাইটটো কাৰ্টেইল নকৰিব ।

চাৰ, আপুনি আমাৰ ৰাইট কাৰৰ্টেইল নকৰিব ।

**✡ শ্ৰীগুণিন হাজৰিকা ঃ** অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে সময় পাইছিল। তেখেতে এসপ্তাহৰ আগতে এই বিল আনিব পাৰিহেতেন, নানিলে ।

✡ Speech not corrected

✡ডঃ জয়নাথ শৰ্মা ঃ চাৰ, এইটো যদি এবাৰ প্ৰিচিদেন্ট হৈ যায় তেন্তে সদায়েই চলি থাকিব । আপুনি ৰুলিং দি এইটো বন্ধ কৰাওক ।

মাননীয় অধ্যক্ষ ঃ আপোনালোকে আলোচনা কৰাৰ স্ক'প ইয়াত আছিল ।

**Shri Debanand Knowar (Minister) :** Hon'ble Member has suggested that it should come on the 10th. Let it come on the 10th.

**Hon'ble Speaker :** On 10th inst.

শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ অবজেকটো আপুনি চাবকুলাৰ কৰি দিলে ভাল হয় ।

✡**Shri Debanand Knowar (Minister) :** There are two explanations in the end and he wants to change the term of the licence. For that he will have to go to the original Act. This is by way of explanation. This is the 3rd explanation. In order to clear the matter this explanation has been sought.

✡ডঃ জয়নাথ শৰ্মা ঃ চাৰ, কৰবাত টিউব ওবেল দিছে, চেক গেট দিছে সেইটো চোৱা আমাৰ কাম নহয় । আমাৰ আলোচনা হৈছে বিলৰ ওপৰত ।

মাননীয় অধ্যক্ষ ঃ ময়ো চাইছো, সংশোধনী লাগিব । গতিকে এইটো আজি দ্ৰপ কৰা হৈছে । কালিলৈ তিনিটা বজাৰ আগতে আনিবলৈ কৈছোঁ ।

Item No. 5(a)

There is a message from the Hon'ble Governor of Assam dated, march 8th, 2002.

ORDER

"Under the provision of Article 207(3) of the Constitution of India, I, Lt. Gen (Retd.) S. K. Sinha, PVSM., Governor of Assam recommend that the Assam Motor Vehicles Taxation (Amendment) Bill, 2002 be taken into consideration by the Assam Legislative Assembly."

---

✡ Speech not corrected

I, now call upon Hon'ble Minister State Transport to move.

**Shri Anjan Dutta (Minister)** : I beg to move that "The Assam Motor Vehicles Taxation (Amendment) Bill, 2002" be taken into consideration.

**Hon'ble Speaker** : I now put the motion before the House - The Motion is that - "The Assam Motor Vehicles Taxation (Amendment) Bill, 2002" be taken into consideration. Those who are in favour, say, 'Ayes' ; Those who are against, say, 'Noes' ; 'Ayes' have it, 'Ayes' have it, 'Ayes' have it. The motion is passed.

Item No.5 (b)

There is an amendment in Clause (2) of the Bill in the name of Hon'ble Member Dr. Zoii Nath Sarma, I, now call upon Dr. Zoii Nath Sarma to move his amendment.

**Dr. Zoii Nath Sarma** : In Sub-clause (3) of Clause (1) of the proposed Bill shall be substituted by the following : "It shall come into force on 1st day of April, 2002". I shall come into force at once.

চাৰ, এইখন বিলত সময় কিয় ইমান লৈছে ? এই বিলখনত যিটো ষ্টেট অব অবজেক্ট দিছে, সেইটো ৰেভিনিউ সংগ্ৰহ কৰাৰ কাৰণে দিছে ।

✡ **শ্ৰীঅঞ্জন দত্ত (মন্ত্ৰী)** ঃ চাৰ, তেনেকুৱা কোনো উদ্দেশ্য চৰকাৰৰ নহয় । মাননীয় সদস্য গৰাকীয়ে নটিফিকেশ্যনৰ কথা কৈছে । কিছুমান গেজেট কি ক্ষেত্ৰত নতুন নতুন টেক্স লগাব পৰা যায় সেই মতে বহুৱা হৈছে । তেখেতে কৈছে যে নটিফিকেশ্যন কৰি কিয় নকৰে ?

✡ **ডঃ জয়নাথ শৰ্মা** ঃ নটিফিকেশ্যনত এটা সময় লোৱা হল যাৰ কাৰণে বেপাৰীবিলাকে এটা সুবিধা পালে আৰু টেক্সটো এৰাই বেপাৰীবিলাকৰ লগত এটা মকামিলা কৰিছে ।

✡ **হিতেন্দ্ৰ নাথ গোস্বামী** ঃ অধ্যক্ষ মহোদয়, মই এটা গুণ বিচাৰি পাইছোঁ । কথাটো মন্ত্ৰী ডাঙৰীয়াই জানে । এইখন সদনতে তেতিয়াৰ বিত্তমন্ত্ৰীয়ে দাইল

✡ Speech not corrected

আৰু মিঠাতেলৰ ওপৰত শতকৰা ২ ভাগ টেক্স লগাইছিল আৰু আমাক কৈছিল যে চৰকাৰৰ ৰেভিনিউ কম, আহিব লাগে । যথেষ্ঠ এটা পৰিমান দেখুৱাইছিল। হাউচতো পাছ হৈ গ'ল । তাৰ পিচত তিনি চাৰি মাহৰ পিচত নটিফিকেশ্যন কৰিলে । এনেদৰে লাভ কৰাৰ পিচত সদনত কথাটো ধৰিলে । মাননীয় অধ্যক্ষ মহোদয়, ৩-৪ মাহৰ পিচতে গভৰ্ণমেন্টে নটিফিকেচন কৰিলে আৰু টেক্স মাফ কৰি দিম বুলি কলে । এইবোৰ কথা আমি সদনত উথাপন কৰোতে ক'লে যে টেক্স লোৱা নাই । ১ কোটি ২৮ লাখ টকা কালেকচন হোৱাৰ পিচত বাকীখিনি টেক্স নললে । যি সকল সাধাৰণ শ্ৰেণীৰ মানুহ তেওঁলোকে অলৰেডি টেক্স দিলেই । এতিয়া সেইখিনি ঘূৰাই পঠিয়াব পাৰে নেকি ? এই কথা সুধিলে কোনোৱে সদ উত্তৰ নাপায় । মহামান্য হাইকোৰ্টে নিৰ্দ্দেশ দিলেও কিছু ক্ষেত্ৰত অসুবিধা আহি পৰে । ডেপুটি স্পীকাৰ যদি ইয়াৰ পৰা দিল্লীলৈ অহা যোৱা কৰে তাতো প্ৰাসঙ্গিকতা আছে । কিছুমান সৰুসুৰা অনুষ্ঠানবোৰৰ কাৰণে আমাৰ টকাবোৰ মহামান্য হাইকোৰ্টে ভাগ কৰি দিছে । আমাৰ মাননীয় সদস্য দত্ত ডাঙৰীয়াই ওৱাৰনিংটো ঠিকে দিছে । এই বস্তুটো পাছ হৈ যাব যদিও আমি কিছুমান পৰামৰ্শ আগবঢ়াইছো । এতিয়া নতুনকৈ নিয়ম হৈ গ'ল যদিও আমি ৪ শতাংশ দিব লগা হৈছে । গতিকে আৰু অলপ কমাব লাগে । কমাবৰ কাৰণে এমেনমেণ্ড দিছো । এই ক্ষেত্ৰত কিছু খেলি মেলিও হব পাৰে। আজি যদি পাছ কৰে তেন্তে গেজেটত 'এট ওৱানচ্' হিচাবে দিব পাৰে ।

**শ্ৰী অঞ্জন দত্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো 'এট ওৱানচ্' কৰা ক্ষেত্ৰত কোনো আপত্তি কৰিবলগীয়া নাই । গভৰ্ণমেন্ট নোটিফিকেচনত উলিয়াবৰ কাৰণে মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই যিটো পৰামৰ্শ দাঙি ধৰিছে, আমি চৰকাৰী বিষয়াসকলৰ লগত আলোচনা কৰিম । এই বিষয়টোৰ ক্ষেত্ৰত মই সদনৰ আশ্বাস দিব পাৰো যে ইয়াত পাছ হোৱা ১ মাহৰ ভিতৰত দিম ।

**✡ডঃ জয়নাথ শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'এট ওৱানচ্' কৰিলে আমি পাছ কৰি দিব পাৰো ।

**শ্ৰী অঞ্জন দত্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'এট ওৱানচ্' কৰা হব ।

**Mr. Speaker :** Now, will you withdraw your amendment mation.

**✡ডঃ জয়নাথ শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উইড্ৰ কৰিলো ।

**Mr. Speaker :** Is it the pleasure of the House to grant

✡ Speech not corrected

leave to withdraw the Amendment Motion ?

(after a pause)

With the pleasure of the House, the Amendment Motion is withdrawn.

**Mr. Speaker :** There are fifteen numbers of amendments in clause (3) of the Schedule of the Bill standing in the name of Hon'ble Membes Shri Hitendra nath Goswami, Shri Dilip Kumar Saikia, Shri Pabindra Deka, Shri Gunin Hazarika, Shri Sarbananda Sonowal and Dr. Zoii Nath Sarma to move their amendments one by one and to speak on it.

**✡শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আগৰ ক্লজ ওৱান পাছ হ'ল । এতিয়া ক্লজ টু লৈ আহিব লাগে ।

**মাননীয় অধ্যক্ষ ঃ** হয়, এইটো টাইপত ভুল হৈছে ।

**Dr. Zoii Nath Sarma :** I beg to move that in the principal Act, after section 5, in new section 5A of clause (2) of the proposed bill, shall be substituted by the followings --

"Every owner of the motor vehicle who fails to pay the tax payable under this Act, in time, shall be liable to pay the fine as follows :-

| | |
|---|---|
| For two wheelers or three wheelers | -- Rs.1/- per day |
| For four wheelers within original price of Rs.4 lac | -- Rs.2/- per day |
| For any other vehicle with original price about Rs.4 lac | -- Rs.5/- per day |

এতিয়া চাৰ ৫ টকা দিব লাগে । আইকণ গাড়ী এখন কিনিছে ১২ লাখ টকাত আৰু অটো এখনৰ দাম তাৰ তুলনাত বহুত কম । নাইট বাছ বিলাকৰো দাম বেছি । কিন্তু এতিয়া কথা হ'ল, এই গাড়ীবিলাকে প্ৰতি দিনে ৫ টকাকৈ দিব লগীয়া হয় । বেছি দামৰ গাড়ীৰ পৰা ৫ টকা জৰিমনা লোৱা আৰু

✡ Speech not corrected

অটোৰিক্সা আদিৰ দৰে কম পইচাৰ গাড়ীৰ পৰা ৫ টকাকৈ জৰিমনা লোৱাটো যুক্তি সঙ্গত নহয় । এজন এমবাচেডৰ গাড়ীৰ মালিকে ৰিকুৱেষ্ট কৰিব নোৱাৰিব। ৪ লাখ টকাৰ ওপৰৰ যি বিলাক গাড়ী আছে সেইবিলাকৰ ওপৰত ৫ টকা কৰক । যিবিলাক তাৰ তলত আছে তেওঁ সেইবিলাকৰ বাবে জৰিমনা অলপ কমাই দিব লাগে । কাৰণ ১৬ লাখ টকাৰ গাড়ী লোৱা মানুহ কিমান আছে ? কম দাম গাড়ী বেছি দামৰ গাড়ীৰ লগত সনাপুতুৰা কিয় কৰিছে ? গোটেই গাড়ীবিলাকৰ কাৰণে ৰেট কৰিব নালাগে । নাইট বাছৰ মালিকে কেতিয়াবা সময়মতে টেক্স নিদিয়ে । কিন্তু দুখীয়া কোনোবা এজন ৩ চকীয়া গাড়ীৰ মালিকে কেতিয়াবা অৰ্থনৈতিক অৱস্থাৰ বাবেও টেক্স দিব পৰা নাই । অটোৰিক্সা, এমবেচদৰ গাড়ীৰ মালিকৰ লগত নাইট বাছৰ মালিকৰ লগত আমি কিয় একে কৰিছো ? এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয় এটা স্পৰ্ষ্টীকৰণ দিব লাগে । এই ধৰণৰ এমেণ্ডমেন্ট আনি লৈ সকলো ধৰণৰ গাড়ীৰ মালিকে সমানে জৰিমনা কৰোৱাটো ইনযাচটিচ হৈছে ।

**Mr. Speaker :** Now, Hon'ble Minister may please speak.

**শ্ৰী অঞ্জন দত্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সকলো গাড়ীৰ কাৰণে সমানে ৫ টকা কৰি ৰেটটো বান্ধি দিয়া বাবে চৰকাৰৰ কোনো বেয়া অতিসন্ধি বা উদ্দেশ্য নাই । মাননীয় সদস্য ডঃ জয়নাথ শৰ্মা ডাঙৰীয়া নিশ্চয় অৱগত যে এই ৫ টকাটো লেট ফাইনৰ বাবেহে ধৰা হৈছে । একোখন নাইট বাছ বা ট্ৰাকৰ মালিকে প্ৰায় ৪০-৪০ হেজাৰ টকা টেক্স নিদিয়াকৈ চলি আছে । সেহাহে দামী গাড়ীবিলাকো সময়মতে টেক্স নিদিলে সময় উকলি যোৱাৰ পিচত সেই গাড়ীবিলাকৰ কাৰণে দৈনিক ৫ টকালৈ জৰিমনা লবৰ বাবে আইন কৰি দিয়া হ'ল । প্ৰাইভেট গাড়ী, অটোৰিক্সা আদিৰ দৰে সৰু গাড়ীৰ মালিকে ন ওৱান টাইম দিয়ে । ট্ৰাক, টুৰিষ্ট বাছ আদিভ গাড়ীৰ মালিকে টেক্স দিওঁতে বহুত দেৰিকৈ দিয়ে সেইকাৰণে এই ব্যৱস্থাটো কৰা হৈছে । গতিকে আজি যিটো এমেণ্ডমেন্ট অনা হৈছে সেইটো উঠাই ললে ভাল হব ।

প্ৰতি দিনে ৫ টকাকৈ ফিক্স কৰা হৈছে, স্কুটাৰ ইত্যাদি বিলাক ভেইকুলৰ কাৰণে ওৱান টাইম ফিক্স কৰা হৈছে । গতিকে প্ৰাইভেট ভেইকুলৰ কাৰণে এই ৫ টকাতো একো বেচি নহয়, মাননীয় বিধায়ক গৰাকীয়ে এই সংশোধনীটো উঠাই ললে ভাল হয় ।

**✡শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মন্ত্ৰী ডাঙৰীয়াই কৈছে প্ৰাইভেট গাড়ীৰ

✡ Speech not corrected

কাৰণে ওৱান টাইম টেক্স ১৫ বছৰৰ কাৰণে লৈছে । কিন্তু ব্যৱসায়ীৰ ক্ষেত্ৰত এখন অটোৰিক্সাই দিনটোত কিমান উপাৰ্জ্জন কৰে, খুব বেচি গুৱাহাটীৰ পৰা ডিচপুৰলৈ মাত্ৰ ১০০ বা ২০০ টকা হব পাৰে কিন্তু এখন টেন হুইলাৰে মহাৰাষ্টৰ পৰা আহি অয়ল ইণ্ডিয়া দুলিয়াজানত সোমোয়াৰ পৰা ওলাই যোৱালৈ কিমান টকা উপাৰ্জ্জন কৰে সেইটো সকলোয়ে জানে । গতিকে এনে ক্ষেত্ৰত অটোৰিক্সা আৰু টেনহুইলাৰৰ টেক্সৰ ৰেটটো যদি সমান হয় সেইটো কেনেকৈ যাষ্টিফাইড হব । ৫ টকা অটোৰিক্সাইয়ো দিব লাগিব আৰু টেনহুইলাৰ এখনেও ৫ টকা দিব লাগিব এইটো কেনেকৈ হব ? এইটো মিলিব নোৱাৰে । গতিকেই মই ভাবো ৰেচিয়ো ওৱাইজ কৰিলে ভাল হয় । ৰেচিও ওৱাইজ কৰক ।

**শ্ৰী অঞ্জন দত্ত (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰেচিয়ো ওৱাইজ কৰাৰ কোনো যুক্তি নাই, অটোৰিক্সাৰ কাৰণে বেলেগ অমনিবাচৰ কাৰণে বেলেগ এইটো সুকীয়া হব নোৱাৰে । এই ৫ টকাতো এই কাৰণে কৰা হৈছে যাতে অটোৰিক্সাই হওক বা অন্যান্য গাড়ীয়েই হওঁক তেওঁলোক সাৱধান হব যে সোনকালে টেক্সটো দিব লাগে । সুকীয়া সুকীয়াকৈ বেলেগ বেলেগ গাড়ীৰ কাৰণে টেক্সটো ফিক্স কৰিলে অসুবিধা হব সেইকাৰণে এটা ফ্লেট ৫ টকাকৈ ধৰা হৈছে ।

**শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** যদি কোনোবাই অফেন্স কৰে সেইটোত ফাইন কৰাত আমাৰ কোনো আপত্তি নাই কিন্তু একেটা অফেন্সৰ কাৰণে অটোৰিক্সা এখনে যিটো দিব লাগিব সেইটো এখন টেনহুইলাৰে দিব সেইটোতহে আপত্তি কৰিছো । অটোৰিক্সাই যদি ৫ টকা দিবলগীয়া হয় তেতিয়াহলে টেনহুইলাৰ এখনে অন্তত অতি কম পক্ষেও ২০ টকাৰ পৰা ১০০ টকা হওক । চেন্ট্ৰেল গভাৰ্নমেন্ট ডাঙৰ গাড়ী বিলাকৰ কাৰণে ১০০০ টকা কৰিছে । অফেন্সৰ ক্ষেত্ৰত আমি প্ৰটেকশ্যন দিব বিচৰা নাই ।

✡ **ডঃ জয়নাথ শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, শাসক দলৰ লীডাৰে খং কৰিছে আমি কৰিলে কিয় বেয়া পায় । পৰিবহন মন্ত্ৰীয়ে মটৰ ভেইকোল এক্টখন এবাৰ চাওক, মটৰ ভেইকুল এক্টত স্কুটাৰ বাদ পৰিছে নেকি ? আমি অফেন্সৰ গ্ৰেভিটিটো চাব লাগে । এজনে এটা অফেন্স কৰিছে – 'চৰ' এটা মাৰিছে, আন এজনে ঘাপ মাৰিছে আৰু এজনে মাৰি পেলাইছে সেই বুলি এইগোটেই কিটা অফেন্স একে হব নেকি ? গতিকে অফেন্সৰ গ্ৰেভিটিটো চাব লাগে । চাৰ আপুনি ৰুলিং দিব নে ? মাননীয় সদস্য হিমন্ত বিশ্ব শৰ্মা নতুন সদস্য তেওঁ কিবা কলে আপত্তি নকৰো কিন্তু পুৰণি সদস্যই কলে ভাল নেদেখি, কথাতে কয় বুঢ়া হলে

✡ Speech not corrected

প্ৰকৃতি লৱে । মন্ত্ৰী গৰাকীয়ে এই সংশোধনীটো বিৰোধী পক্ষ্যই অনাৰ কাৰণে গ্ৰহন কৰিবলৈ যদি বেয়া পাইছে তেতিয়াহলে এইটো পিচৰ সদনলৈ থওক তেতিয়া এটা সংশোধনী আনি বিলখন পাচ কৰিব পাৰিব । সৰুসুৰা এই স্কুটাৰ অটোৰিক্সা থ্ৰি হুইলাৰ ইত্যাদি ভেইকোল বিলাকৰ কাৰণে আৰু ডাঙৰ ডাঙৰ টেন হুইলাৰ বিলাকৰ কাৰণে একেটা ফ্লেট ৰেট কৰাতো যুক্তি সংগত নহয় । যিবিলাক ডাঙৰ বা বিলাসী গাড়ী আছে সেইবিলাক গাড়ীৰ মালিকৰ সংখ্যা কম কিন্তু সৰু সৰু গাড়ী স্কুটাৰ অটোৰিক্সাৰ মালিকৰ সংখ্যা বহুত বেচি গতিকে ভোটাৰৰ কথায়ো আছে, ভোটাৰৰ কথাটো চিন্তা কৰি চাব । মই অনুৰোধ কৰিছো সংশোধনীটো গ্ৰহন কৰক । মাননীয় মুখ্যমন্ত্ৰীয়েও কলেজৰ প্ৰিন্সিপালৰ কথাটোত যি সংশোধনী অনা হৈছিল সেইটো গ্ৰহন কৰিছে গতিকে মুখ্যমন্ত্ৰীয়েই গ্ৰহন কৰিছে আপুনি তলৰ মন্ত্ৰী হৈ কিয় সংশোধনীটো গ্ৰহন কৰিব নোৱাৰে ? অন্তত মুখ্যমন্ত্ৰীক অনুসৰণ কৰি সংশোধনী গ্ৰহন কৰক ।

**অঞ্জন দত্ত (মন্ত্ৰী) ঃ** কথাটো সেইটো নহয়, আমি মুখ্যমন্ত্ৰীক শ্ৰদ্ধা কৰো, সামগ্ৰিক ভাবে আমাৰ ৰাজ্যখনৰ ৰাজহ বৃদ্ধি কৰিবলৈহে এই ব্যৱস্থাটো কৰা হৈছে, বিৰোধী দলৰ পৰা সংশোধনীটো অনা হৈছে কাৰণেই যে গ্ৰহন কৰা হোৱা নাই সেইটো নহয় ।

**✡ডঃ জয়নাথ শৰ্মা ঃ** এইটো যাচটিফাইড হ'ব লাগিব, এইটো একচেপ্ট কৰক বা নকৰক ।

**Mr. Speaker :** Now, Dr. Sarma, will you withdraw your amendment motion ?

**✡ডঃ জয়নাথ শৰ্মা ঃ** অধ্যক্ষ মহোদয়, মই উইদ্ৰ নকৰো, মাননীয় মন্ত্ৰী গৰাকীয়ে গ্ৰহন নকৰিলেও অন্তত কব লাগিব ৰিকনচিদাৰ কৰিম বুলি কব লাগিব, ৰিকনচিদাৰ কৰিম বুলি কলে উইদ্ৰ কৰিম ।

**Mr. Speaker :** I now put the amendment before the House that the Principal Act Sec.5 A Clause-2 shall be substituted by the followings :

"Every owner of the Motor Vehicle who fails to pay the tax payable under this Act, in time, shall be liable to pay the fine as follows :

---

✡ Speech not corrected

| | |
|---|---|
| For two wheelers or three wheelers | Rs.1/- per day |
| For four wheeler within original price of Rs.4 lac | Rs.2/- per day |
| For any other Vehicle with original price above Rs.4 lac | Rs.5/- per day |

Those who are in favour, say, 'Ayes'

Those who are against, say, 'Noes'

'Noes' have it, 'Noes' have it, 'Noes' have it.

The amendment is lost.

Clause 2 do form part of the Bill.

There are fifteen nos. of amendment in clause 3 of the schedule of the Bill standing in the name of Hon'ble Members Shri Hitendra Nath Goswami. Shri Dilip Kr. Saikia, Shri Pabindra Deka, Shri Gunin Hazarika, Sri Sarbananda Sonowal and Dr. Zoii Nath Sarma - to move their amendments one by one and to speak on it.

**Sir Hitendra Nath Goswami :**

Sir, I beg to move in sub-clause 1 (A) of clause - 2 in article (a), (b) and (c) of the schedule of the proposed Bill shall be substituted by the followings --

| Article No. | Description of Vehicles | Rate of one time tax |
|---|---|---|
| | **New personalised 4(four) wheeler Vehicles** | |
| (a) | Original cost price upto Rs.500 lakhs | 2% of the original cost. |
| (b) | Original cost price above Rs.5.00 lakhs but below Rs.10.00 lakhs | 3% of the original cost. |
| (c) | Original cost price above Rs.10.00 lakhs | 4% of the original cost. |

অধ্যক্ষ মহোদয়, এই গোটেই 'চিদিহউল'টো আটাইকেইজনে 'মুভ' কৰি লোৱাৰ পিচত আলোচনা কৰিলে ভাল হয় ।

মাননীয় অধ্যক্ষ মহোদয় ঃ- তেনেহলে আটাইকেইজনে 'মুভ' কৰি লওঁক ।

| No. | Description of Vehicle | Annual Tax | Quarterly Tax |
|---|---|---|---|
| 1. | Passenger carrying capacity of 3 or less persons (three wheelers). | Rs.900.00 | Rs.225.00 |
| 2. | Passenger carrying capacity of 4 persons to 6 persons (three wheelers) | Rs.1900.00 | Rs.475.00 |
| 3. | 4 Wheelers vehicle with passenger carrying capacity of 6 or less and licenced to operate all over the state. | Rs.2600.00 | Rs.650.00 |
| 4. | 4 Wheelers vehicle with passenger carrying capacity of 6 or less and licenced to operate all over the state. | Rs.4500.00 | Rs.1125.00 |
| 5. | Vehicles with passenger carrying capacity of 7 to 12 persons. | Rs.5500.00 | Rs.1375.00 |
| 6. | Vehicles with passengers carrying capacity of 13 to 30 persons. | Rs.7500.00 | Rs.1875.00 |
| 7. | Vehicles with passengers carrying capacity of more than 30 persons. | Rs.7000.00 | Rs.1750.00 |
| 8. | Omni Tourist Bus | Rs.13,000.00 | Rs.3250.00 |

| | | | |
|---|---|---|---|
| 9. | Deluxe Express Buses with passengers carrying capacity more than 30 (as specified by Govt. in the Transport Deptts. Notification No.TMV 251/97/01, dated 16.12.1997. | Rs.11,000.00 | Rs.2750.00 |
| 10. | All Assam Super Deluxe contract carriage. | Rs.32000.00 | Rs.8,000.00 |

Sir, again I beg to move that in serial 1 to 3 of sub clause 2C (III) of clause 3 of the schedule of the proposed Bill shall be substituted by the following --

| No. | Description of Vehicle | Annual Tax | Quarterly Tax |
|---|---|---|---|
| 1. | Not exceeding M.T. | Rs.400.00 | Rs.100.00 |
| 2. | Exceeding 2 M.T. but not exceeding 5 M.T. | Rs.800.00 | Rs.200.00 |
| 3. | Exceeding 5 M.T. | Rs.1200.00 | Rs.300.00 |

**Sri Sarbananda Sonowal :** Hon'ble Speaker Sir, I beg to move that in serial 1 and 2 of the sub clause 2C (III) of clause 3 of the schedule of the proposed Bill shall substituted by the following figures --

| No. | Description of Vehicle | Annual Tax |
|---|---|---|
| 1. | Not exceeding 2 M.T. | Rs.400.00 |
| 2. | Exceeding 2 M.T. but not exceeding 5 M.T. | Rs.1000.00 |

**Dr. Zoii Nath Sarma :** Sir, I like to move that in sub clause 2C (III) of clasue 3 of the schedule to the proposed Bill shall be deleted. (contd. in Assamese)....

**☆ডঃ জয়নাথ শৰ্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, চিডিউল ৭ত মোৰ এটা সংশোধনী আছিল কিন্তু সেই সংশোধনীটো ইয়াত অহা নাই । চিডিউল ৭ত এটা শব্দ আছে ৫ পৃষ্ঠাত "কটলী" মন্ত্ৰী মহোদয়ে শব্দটো চাই দিলে ভাল হয়। মোৰ বোধেৰে সেইটো পাৰ্টলী হব লাগে । মই সংশোধনীটো আনিছিলো তেখেতে চাই দিলে কথা নাই এই শব্দটোৱে কি বুজাইছে ।

**☆শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী** ঃ মাননীয় সদস্য গৰাকীয়ে চিডিউল ৭ত যিটো সংশোধনী আনিছিল ইয়াত নাহিল মোৰ অনুমান সেইটো কটলী নহয় পাৰ্টলী হব লাগে । যদি হয় সেইটো ঠিক কৰি লব লাগে বাদ অনুবাদ কৰিব লগীয়া কথা নাই ।

**☆শ্ৰী অঞ্জন দত্ত (মন্ত্ৰী)** ঃ এইটো পাৰ্টলী ।

**Dr. Zoii Nath Sarma** : Partly should be replaced by partly and it sould be recorded.

**Sri Hitendra Nath Goswami** : Sir, I beg to move sub clause C (III) & (IV) of clause 3 of the schedule of the proposed Bill, shall be deleted and original provision shall be retained.

**Sri Dilip Kumar Saikia** : Sir, I beg to move that in serial 1 and 2 of sub clause 2C(IV) of clause of the schedule of the proposed Bill shall be substituted by the following figures of the annual tax.

| | | Annual Tax | Q. Tax |
|---|---|---|---|
| 1. | Light Trailer | Rs. 400/- | |
| 2. | Medium Trailer | Rs.1,000/- | |

**Sri Pabindra Deka** : Sir, I beg to move that in sub clause 2C(IV) of clause 3 of the schedule of the proposed Bill shall be substitute by the following figures in the Annual Tax and Quarterly Tax.

☆ Speech not corrected

| | | Annual Tax | Q. Tax |
|---|---|---|---|
| 1. | Light Trailer | Rs. 400.00 | Rs. 100.00 |
| 2. | Medium Trailer | Rs.1,000.00 | Rs. 250.00 |
| 3. | Heavy Trailer | Rs.1,500.00 | Rs. 375.00 |

**Sir Prabindra Deka :** Sir, I beg to move that in sub clause 2C(VI) of clause 3 of the schedule of the proposed Bill shall be substituted by the following figures in Annual and Quarterly Tax.

| | | Annual Tax | Q. Tax |
|---|---|---|---|
| 1. | Authorised to carry 1 M.T. or less | Rs.1,600.00 | Rs. 400.00 |
| 2. | Exceeding 1 M.T. to 3 M.T. | Rs.3,200.00 | Rs. 800.00 |
| 3. | Exceeding 3 M.T. to 9 M.T. | Rs.3,200.00 | Rs. 800.00 |
| 4. | Exceeding 9 M.T. | Rs.7,700.00 | Rs. |
| 5. | Authorised to carry 12 M.T. & above | Rs.9,000.00 + Rs.250.00 Every additional 1 M.T. above 12 M.T. | Rs.2,500.00 + Rs.65.50 |

**Dr. Zoii Nath Sarma :** Sir, I beg to move that in sub clause 2C (VIII) of clause 3 of the Schedule of the proposed Bill, occuring in Fifth line the word "Ambulance Mobile Clinic" shall be deleted.

**✡Shri Hitendra Nath Goswami :** Sir, I beg to move that in sub clause 2C (VIII) of clause 3 of the schedule of the proposed Bill, the figure "1.5%" shall be substituted by the figure "2%" appeared in the Amount Rate of Road Tax.

---

✡ Speech not corrected

অধ্যক্ষ মহোদয়, সংশোধনীটো মোভ কৰি মই কবলৈ আগবাঢ়িছো । আমি যি সংশোধনী দিছো আৰু বিভিন্ন বিৰোধী দলৰ সদস্য সকলে যি সংশোধনী আনিছে তাৰে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আৰ্কষণ কৰিব বিছাৰিছো চৰকাৰে চৰকাৰৰ ৰাজহ বৃদ্ধিৰ কাৰণে অৰ্থাৎ ৰিচোৰ্চ মোবিব্‌লাইজেচনৰ কাৰণে বোধকৰো পৰিবহণ বিভাগটোকে বাচি লৈছে । পৰিবহন বিভাগেই চৰকাৰক ৰাজহ আনি দিয়াত সহায় কৰিব বুলি ভাবিছে । চৰকাৰৰ দৃষ্টি ভঙ্গীটো আমি বেয়া বুলি কব খোজা নাই । কিন্তু যিটো ৰেটত এই ৰেট বিলাক চেঞ্জ কৰিব বিচৰা হৈছে দুই এটা আইটেমত চেঞ্জ কৰা হ'লে বেলেগ কথা আছিল কিন্তু এটা মেজৰ চেঞ্জ কৰিব বিছাৰিছে । মেজৰ চেঞ্জ কৰি টেক্স বঢ়াব বিচাৰিছে । আমি এটা কথা লক্ষ্য কৰিছো উত্তৰ পূৰ্ব্বাঞ্চলত এই ধৰণৰ গাড়ীৰ ওপৰত মটৰ ভেহিকল টেক্স লগায় ওচৰৰ ৰাজ্য বিলাকৰ কথাও চাব লাগিব । বিভিন্ন আইটেমৰ ওপৰত টেক্স বঢ়ালে যিমান খিনি আই বাঢ়িব বুলি ভাবিছে সিমান খিনি নাবাঢ়ে । বিষয়া সকলে ব্যাখ্যা কৰোতে নিশ্চয় ঠিক মতে ব্যাখ্যা কৰা নাই । কৰ আৰোপ কৰিলে ওচৰ চুবুৰীয়া ৰাজ্য কেইখনৰ কৰৰ কথাটো চাব লাগিব । কৰ বেচিকৈ বঢ়ালে কৰ সংগ্ৰহ নহয় । সেইবিলাক ৰাজ্যৰ লগত সাংঘাটিক ডিফাৰেন্স হলে অসুবিধা হব । ট্ৰেনজেকচনটো গৈ অন্য ৰাজ্যত কৰিব । এবাৰ টেক্স লগালে তাক যদি অহা সদনত আকৌ ডিক্ৰীজ কৰিব লগীয়া হয় তেন্তে বিলখনৰ ওপৰত অন্য এটা প্ৰস্তাৱ পৰিব । আমি দেখিছো লোক সভাত প্ৰতিটো বিভাগৰ লগত একোটা কনচালটেটিভ কমিটি থাকে । বাজেট স্কুটিনি কৰিবৰ কাৰণে বিভাগীয় ষ্টেনডিং কমিটি থাকে আমাৰ ইয়াতো আছে । কিন্তু প্ৰতি বিভাগৰ লগত জৰিত একোখন কনচালটেটিভ কমিটিৰ দৰকাৰ । খুব বহলা নহলেও তিনি চাৰিটা বিভাগ লগ লগাই একোটা ডপ্তৰত একোটি কনচালটেটিভ কমিটি কৰি দিলে তাত বিধান সভাৰ বিভিন্ন দলৰ প্ৰতিনিধিয়ে আলোচনাৰ বিতৰ্কৰ মাজেৰে সকলো আইটেম আলোচনা কৰা সুবিধা পাই আৰু তেতিয়া বিল খন সদনত পাচ কৰা সুবিধা পায় । মেজৰ চেঞ্জৰ ক্ষেত্ৰত । এই ভিউবিলাক লৈ বিষয়া সকলৰ লগত আলোচনা কৰা সুবিধা হয়। মূল কথাটো হ'ল ৰাজহ বৃদ্ধি কৰিবলৈ বিৰোধী পক্ষই হওক বা শাসক দলেই হওক সহযোগ কৰিব লাগিব । টেক্স ইমপোজ কৰিব লগীয়া বিল বিলাকত কনচালটেটিভ কমিটিত আলোচনা নহলে এনেকৈ সদনত আলোচনা কৰিলে সদনৰ বহুত সময় নষ্ট হয় । কৰ বঢ়ালেই ৰাইজৰ মাজত আমি জন বিৰোধী হৈ যাও । গণতান্ত্ৰিক প্ৰক্ৰিয়াত জনসাধাৰণৰ বেচি ভাগেই দুখীয়া লোক । গতিকে ৰাজহ বৃদ্ধি কৰিবলৈ হলে কৰ আৰোপ কৰিবই লাগিব । তেতিয়াই

আমাক জন বিৰোধী আখ্যা দিব । সকলো ক্ষেত্রতে আমাক আগতে আলোচনা কৰা সুবিধা হ'ব । কাৰণ আমি ৰাইজ দ্বাৰা নির্বাচিত প্রতিনিধি যেতিয়া আমাক সমালোচনা কৰা তেওঁলোকৰ অধিকাৰ আছে । কৰ আৰোপ কৰা দৰ্কাৰ । কিন্তু মটৰ গাড়ীৰ পৰা চৰকাৰৰ ঘৰলৈ এতিয়ালৈ কিমান টকা ৰাজহ হিচাবে আহিছে ।

অতিৰিক্ত কৰ আৰোপ কৰিলে তিনি চাৰি বছৰৰ ভিতৰত চৰকাৰৰ ঘৰলৈ কিমান টকা আহিব বিধায়ক হিচাবে এই বিলাক কথা আমি নিশ্চয় সুধিম । এই বিলাক কথা জানিবৰ কাৰণে আমি এই সংশোধনী আনিছো । গাড়ী এখন কিনাটো লাকজূৰী নহয় । আমি নিজে বুজিছো নিজৰ গাড়ী এখন নাথাকিলে সমনিষ্টত বা বিভিন্ন কাৰ্য্যলয়ত যোগাযোগ ৰখাটো কিমান কষ্ট সাধ্য। আজি মোৰ সমষ্টিতেই ডেৰ লাখ ভোটাৰ হৈছে । কিন্তু ১০ বছৰ আগতে এই সমষ্টিত দুলাল বৰুৱা যেতিয়া প্রতিনিধিত্ব কৰিছিল তেতিয়া ২৫ হাজাৰ ভোটাৰ আছিল । আগতে যিবিলাক সমষ্টিত ২৫/৩০ হাজাৰ ভোটাৰ আছিল এতিয়া সেই বিলাকত ডেৰ লাখ ভোটাৰ হৈছে । আগতে গাড়ীটো লাকজুৰী আছিল কাৰোবাৰ এখন গাড়ী গলে উঠি ভাল পাও । গাড়ীটো ৰেচনেল আছিল নে নাজানে বিধান সভালৈ আহিলে গাড়ী এখন ললে কয়েই এও এখন গাড়ী ললেই । কাৰণ আমি হলো আটাইতকৈ ক্রিটিচাইজ কৰিব পৰা প্রাণী । ৰাইজে যিহেতুকে আমাক পঠাইছে গতিকে প্রতিটো কথাতেই তেওঁলোকে আমাৰ ওপৰত নজৰ ৰাখিবই । মই যেতিয়া প্রথম বিধান সভালৈ আহিছিলো, হাইকোৰ্টত আছিলো তেতিয়া ২৫ হাজাৰ টকা পাইছিলো । ইয়ালৈ আহি এতিয়া ২৫০ হাজাৰ টকা দেখিলো তেতিয়া আচৰিত হৈছিলো । পিচত যেনিবা দৰমহা বঢ়ালে । আগত গাড়ী কিনাৰ কাৰণে ২ লাখ টকা দিছিল । এতিয়া সেইটো ৫ লাখ হৈছে । আজিৰ তাৰিখত কমেও চাৰি লাখ টকাৰ গাড়ী এখন নহলে অর্থাৎ ১০০০ চিচি ইঞ্জিন নহলে সঘনাই সমষ্টিত অহা যোৱা কৰা অসুবিধা হয়। বৰ্ত্তমান ৪ লাখ টকাৰ গাড়ী খন কমন গাড়ী। এই কমন গাড়ী খন কলেজ শিক্ষক, ইঞ্জিনিয়াৰ সকলে নিজৰ উপাৰ্জনেৰে কিনিব পাৰে । মোৰ নিজৰ ক্ষেত্রতে হৈছে আগ দিনা ড্রাফ দি পিচ দিনা গাড়ী উলিয়াইছো । ৪ লাখ টকাৰ কমত আজিকালি ভাল গাড়ী নাপায় । গতিকে এইখন গাড়ীত শতকৰা ২ ভাগ কৰ লগালে বোধকৰো অসুবিধা নাছিল। কিন্তু কোনোবাই টেক্সী কৰিব বুলি টেক্স বঢ়াই দিছে । সৰু মাৰুতি গাড়ী এখনত ৪/৫ জন যাব পাৰে । কিন্তু একেবাৰে কমফোৰ্ট নাই । তাত শতকৰা তিনি ভাগ কৰ বৃদ্ধিৰ

কোনো যুক্তি যুক্ততা নাই । ৫ লাখৰ পৰা ১০ লাখলৈ শতকৰা তিনি কৰিছে। যি বিলাক শক্তিশালী মন্ত্ৰী আছে বিধায়ক আছে ফেমিলীৰ চোৰ্চ আছে তেওঁলোকে ৭/৮ লাখ টকাত এচটিম আৰু আইকন কিনিব পাৰে । লাকজুৰী গাড়ীৰ ক্ষেত্ৰত শতকৰা ৪ ভাগ কৰ বৃদ্ধি কৰিব বিছাৰিছে । কিন্তু টেক্স যিমানেই নবঢ়াওক কিয় এইটো চাব লাগে যে যাতে সেই একেটা বস্তুকে কাষৰীয়া ৰাজ্য খনত যদি কিনে কম দামত পায়, টেক্সটো যাতে তেওঁলোকে লৈ গুছি নাযায় । আমাৰ ইয়াত টেক্স বঢ়াই দিলে তেওঁলোকে অন্য ঠাইত কিনিব। গতিকে ডোজটো দিওতে অলপ অলপ কৈ দিব লাগে । সেই কাৰণে সংশোধনী আনিছো, মন্ত্ৰী মহোদয়ে উত্তৰত কলে ভাল পাম ।

মই পিছৰটো সংশোধনী আনিছিলো টেক্সী গাড়ী বিলাকত যিবিলাক ৪ হুইলাৰ যিবিলাকত ৬ জন যাত্ৰী যাব পাৰে আজিৰ তাৰিখত সেইবিলাকৰ ৪ হাজাৰ কৰ আছিল কিন্তু এতিয়া সেইটো ৫ হাজাৰ কৰাব বিছাৰিছে অৰ্থাৎ এক হাজাৰেই বেছি বঢ়াই দিছে ফলত ইয়াৰ বোজা পেচেনজাৰৰ ওপৰত পৰিব । তিনিচকীয়া ওপৰত ৯০০ টকাৰ ঠাইত এহেজাৰ কৰিছে মানে ১০০ টকা বঢ়াব বিছাৰিছে, ৪/৫ জনীয়া হলে দুশটকা বঢ়াইছে আৰু ৪/৬ হলে ২৫০ টকা বঢ়াইছে । দেখা যাই এই দোজ বিলাক ১০০/২০০০/২৫০ পৰা একে কোবে ১০০ হাজাৰলৈ গৈছে যিটো সমানুপাতিক হোৱা নাই । এই কথাটো বিষয়া সকলে ভালকৈ বুজাব লাগিছিল । যিবিলাক ৪০৭ গাড়ী য'ত ২০/৩০ জন যাব পাৰে অৰ্থাৎ কমন গাড়ী সেইবিলাকৰ ওপৰত ২ হাজাৰ কৰ বঢ়াইছে, বোজাটো গাড়ীৰ মালিকৰ ওপৰত পৰিলেও তেওঁলোকে ভাৰা বঢ়াব ফলত দোজ বেছি হব । ওমনি বাছত ১২০০০ পৰা ১৪০০০ হাজাৰ কৰিছে, বেয়া পোৱা নাই তাতো ভাৰা বাঢ়িব আমিওটো যাও কিন্তু এই কৰৰ চেলৰ বিলাক সমানুপাতিক হোৱা নাই ।

অধ্যক্ষ মহোদয়, লাষ্ট আইটেম যিটো আছিল, এইটোত টেক্স বাঢ়িছে, তিনিশৰ পৰা ছয়শ কৰিছে । শতকৰা এক ভাগৰ পৰা এক দশমিক পাচ বঢ়াইছে, মিনিমাম টেক্স শতকৰা দুই ভাগ, পাচ শ ৰ পৰা পোন্ধৰ শ হৈছে হেভি ভেহিকুলত দুই হেজাৰলৈ বঢ়াইছে । ক্ষুদ্ৰ চাহ খেতিয়ক আৰু আমাৰ কৃষক সকলে ব্যৱহাৰ কৰা বিলাকৰ ওপৰত যিবিলাক টেক্স লগাইছে তাত আমি আপত্তি কৰিছো । ট্ৰেইলাৰত টেক্স বঢ়াব তাত আমি আপত্তি কৰিছে । মালিকৰ ক্ষেত্ৰত টেক্স বেছি থাকে । যি ধৰণে টেক্স বঢ়াইছে সেইটো দিয়াত সুবিধা আছে । সাধাৰণ নাগৰিকে এখন গাড়ীত শতকৰা দুই ভাগ টেক্স দিব

লগা হৈছে । মোৰ প্ৰথম তিনিটা প্ৰশ্নৰ উত্তৰ লাগিব । এই ক্ষেত্ৰত অফিচিয়েলি আলোচনা কৰিলে ভাল হয় ।

✡**শ্ৰী গুনিন হাজৰিকা** ঃ মাননীয় অধ্যক্ষ মহোদয়, টেক্স সম্পৰ্কে মাননীয় সদস্য শ্ৰী গোস্বামী ডাঙৰীয়াই মন্ত্ৰী ডাঙৰীয়াক জনাইছে। টেক্স বৃদ্ধি কৰিছে, ৰাজ্যখনৰ স্বাৰ্থতে টেক্স বঢ়াব লাগিব, একে ধৰণে ৰাখিব নোৱাৰি। প্ৰযোজনীয় খিনি কৰিব লাগিব। কিন্তু ইয়াত কিছুমান সৰু সুৰা কথা আছে, টেক্টৰ, ট্ৰেইলাৰ আদি খেতিয়ক সকলে নতুনকৈ ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছে। এই বিলাকত সমানে টেক্স বঢ়াই দিছে, এই টেক্স কমাব পাৰে। এই টেক্স দিব পৰা অৱস্থা সামান্য মানুহৰ নাই। ইয়াৰ ওপৰত লক্ষ্য ৰাখিব লাগে। টু হুইলাৰ ৰেজিষ্ট্ৰেচনত ওৱান টাইম টেক্স লৈছে। এই টেক্স অলপ অলপকৈ বাঢ়ি গৈ আছে। মানুহে বুহুত টেক্স দিব লগা হয়। এইটো সলনি কৰিব পাৰি নেকি মন্ত্ৰী মহোদয়ে জনাব লাগে। পাৰচনেল ভেহিকুল টেক্স কমাব লাগে। চৰকাৰে গাড়ী বিলাকৰ ফাইন লয়, চাহ বাগানৰ গাড়ী বিলাক আছে, ইলেকট্ৰিক লাইনৰ বাবে এহেজাৰৰ পৰা চয় হেজাৰলৈ ফাইন লব পাৰে। এগৰাকী মহিলাই সৰু গাড়ীত উঠি আহিছিল, কিন্তু জাঙৰ গাড়ী খুন্দিয়াৰ ফলত মহিলাগৰাকীৰ মৃত্যু হৈছিল। যি বিলাক কাম আছে, সেই বিলাক বিশেষ ভাবে লক্ষ্য ৰাখিব বুলি আশা ৰাখি মোৰ বক্তব্য সামৰণি মাৰিলো।

✡**শ্ৰী পবিন্দ্ৰ ডেকা** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী শ্ৰী দত্ত ডাধৰীয়াই বিলখন আনিছে (Assam Motor Vehicle Act, 1936) । মই সিদিনা এমেণ্ডমেণ্টত বহুত কথা কৈছো। টেক্স সম্পৰ্কে প্ৰমাণ সহকাৰে দেখুৱাই দিম। টেক্স শতকৰা ৫০ ভাগ, ১০০ ভাগ, ১৫০ ভাগ, ২০০ ভাগলৈ বঢ়াইছে। ৰাজ্যিক ৰিচোৰ্চ মবিলাইচ বঢ়াব লগা হলে টেক্স বঢ়াব লাগিব। কিন্তু একে লগে ই দাবুল, ত্ৰিবুল যদি বঢ়োৱা হয়, তেতিয়া হলে মানুহৰ মনত বিক্ষোভ হয়। মই সদায় কৈ আহিছো, টেক্স বঢ়াব লাগে ঠিকেই, কিন্তু টেক্স সংগ্ৰহ কৰাৰ ক্ষেত্ৰত কাৰচাজি হব নেলাগে। ৰাজ্য চৰকাৰে আইন কৰিলেই নহব, সেই আইন ষ্টিকটলি কৰিব লাগিব। সংশ্লিষ্টি বিভাগৰ কথা কোৱা হৈছে, নতুন আইন কৰাৰ ফলত বেছি টেক্স ভৰিবলগীয়া হয়। ১৯৯৯ চনৰ এপ্ৰিল আৰু ২০০০ চনৰ জুন মাহত এটা বাতৰি ওলাইছিল যে ন্যায়ালয়ৰ নিৰ্দ্দেশ নমনাৰ ফলত কোটি কোটি টকা দিব লগা হয়। চেক্ গেট বিলাকত কি ধৰণে মিচমেনেজমেন্ট হয়, আমি কব পৰো, কিন্তু কোনেও একো কব নোৱাৰে। এনেকুৱা সৃষ্টি হৈছিল দত্ত ডাঙৰীয়াই দেখা নাই, ১৯৭২ চনত হৈছিল, কিবা

✡ Speech not corrected

কৰিব খোজে, কিন্তু ষ্টিকটলি কৰিব নোৱাৰে।

আমি বিচাৰো গোটেই বিলাকৰে ক্ষেত্ৰতে কৰক। কিন্তু কিয় কৰিব নোৱাৰে। ষ্ট্ৰিকটলি ল বিলাক এভাৰ্টি কৰাৰ ক্ষেত্ৰত ব্যৰ্থ হৈছে। মন্ত্ৰী মহোদয়ে তিনি চাৰিটা চিলেপট কৰিব বিচাৰিছে। ওৱাহি টাইম টেক্স তিনিটা কৰিব নালাগে। তিনি লাখৰ টু পাৰচেন্ট কৰা হওক। আৰু সাত লাখৰ পৰা বাৰ লাখ পৰ্য্যন্ত শতকৰা বাৰ নিৰূপণ কৰা হওক। তেতিয়া ৰাজহ আহিব আমাৰ বাজেটলৈ। একেলগ কৰিলে ৰাজহ কমি যাব আৰু আমাৰ দুখীয়া অৰ্থনীতিত আঘাট পৰিব। অথচ নিৱনুৱা লোকে গাড়ী কিনিলে তেওঁলোকৰ ওপৰত শতকৰা সাত, পাচ বা একেলগে দুই হাৰত বঢ়াই দিলেও তেওঁলোকৰ ওপৰত অন্যায় কৰা বুলি মই ভাবিবলৈ বাধ্য হয়। আগতে নতুন গাড়ী এখনৰ দাম যিমান আছিল এতিয়া সেই দাম নাই। বহুত বাঢ়িছে। অবিজিনেল তিনিশৰ পৰা একেলগে তিনি হাজাৰ কৰা হৈছে অৰ্থাৎ পাচশ বঢ়াই দিয়া হ'ল। তাৰ পিচত ৩৭ কেজিৰ এইটোত দুইহাজাৰ বেছি হৈছে। পেচেঞ্জাৰ কেৰিয়াৰ নশ টকাৰ পৰা বৃদ্ধি কৰি এহাজাৰ কৰা হ'ল। বহুত বেছি।

ইয়াতে ১৮০০ পৰা ১৯০০ কৰিছে গতিকে বৰ বেছি কৰা নাই। ফোৰ হুইলাৰৰ দুহাজাৰ চবিশৰ পৰা দুহাজাৰ ছয়শ কৰিছে। আটাইতকৈ বেছি হৈছে ভ্ৰমনি বাচৰ ক্ষেত্ৰত। ডিলাক্সত ত্ৰিশ হাজাৰ পাচশ কৰিছে। এতিয়া বত্ৰিশ হাজাৰ কৰা হৈছে। বঢ়াওক কিন্তু বঢ়াৰ লগে লগে যাত্ৰীৰ টেক্সোও বাঢ়ি যাব। টিকটৰ দামো বাঢ়ি যাব। আৰু পোন্ধৰ দিনৰ পিচতে এই টেক্স ইম্প'জ হলেই টেক্স বিলাক জনসাধাৰণ ওপৰত পৰিবগৈ। সেই কাৰণে মই এই বিলাক অলপ বেছি হোৱা বুলি কৈছো।

তিনিশৰ ঠাইত কৰা হৈছে চাৰিশ।

আগত ছয়শ ঠাইত এতিয়া কৰিছে আঠশ। নশৰ ঠাইত বাৰশলৈ বাঢ়াব বিচৰা হৈছে। তিনিশ বঢ়োৱা হ'ল। মটৰ ভেহিকল টেক্স এই খন বঢ়াই দিলেও অনুসাংগিক জড়িত সকলোৰে দাম বাঢ়িব আৰু এটা অশুভ পৰিস্থিতিৰ সৃষ্টি হব পাৰে। তাৰ উপৰিও যাত্ৰীৰ ভাড়া বঢ়াৰ লগে লগে চাউল চেনী সকলোৰে দাম বাঢ়িব। লাইফ ট্ৰেইলৰৰ ক্ষেত্ৰত পাচৰ ঠাইত পোন্ধৰশ অৰ্থাৎ এহাজাৰ বঢ়াব বিচাৰিছে। ইয়াত পোন্ধৰশৰ ঠাইত বেলেগ কৰিছে। ইয়াত আকৌ তিনি হাজাৰৰ ঠাইত বঢ়াই ছত্ৰিশ কৰিছে।

গতিকে মই কৈছো ৰাজ্যচৰকাৰৰ যি অৰ্থনৈতিক সংকট এইটো দুখৰ বিষয় হৈছে আৰু এই মাধমাৰ ৰাইজৰ ওপৰতহে পূৰাব বিচৰা হৈছে। সেই কাৰণে বিত্তমন্ত্ৰী ডাঙৰীয়াই বক্তৃতাত মটৰ ভেহিকল টেক্স বৃদ্ধি হব এমনটি টেক্স বৃদ্ধি হব এইটো ঠিক। কিন্তু পৰিমাণ বিলাক বেছি হৈছে। ৰাজ্যখনত এনে ধৰণে পৰিবহণ টেক্স বঢ়াই দিলে এই অশুভ পৰিস্থিতিৰ সৃষ্টি হব যাৰ দ্বাৰা গাড়ীৰ মালিক সকলে যাত্ৰী সকলৰ পৰা বৰ্দ্ধিত ভাৰা আদায় কৰিবলৈ লোৱা প্ৰথা দায়বদ্ধ থাকিব। সেই কাৰণে মই পৰিবহণ মন্ত্ৰী মহোদয়ক এই কথা বিলাক বিবেচনা কৰিবলৈ অনুৰোধ জনালো।

✡**শ্ৰী সৰ্বানন্দ সোনোৱাল** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় পৰিবহন মন্ত্ৰী ডাঙৰীয়াক দুটা কথা কব খুজিছো। ৰাজ্যখনৰ বিত্তীয় অৱস্থা টনকিয়াল কৰিবৰ কাৰণে ৰাজহ বৃদ্ধিৰ পদক্ষেপ লব লাগিব। কিন্তু পৰিবহণ মন্ত্ৰীয়ে যিটো কথা কৈছে এই বিল খন অহাৰ প্ৰাকমূহুৰ্তত আমি কেইটামান কথা বিবেচনা কৰিব লাগিব। এই পৰিবহণ বিভাগটোৰ লগত জনসাধাৰণৰ পৰা নিবনুৱা লৈকে সকলোখিনি জড়িত হৈ আছে। মন্ত্ৰী মহোদয়ে এই কথাটোলৈ বিশেষ ভাবে লক্ষ্য ৰখা উচিত হব বুলি মই ভাবো। একোখন বাচৰ পৰা কেইটামান পৰিয়াল চলি আছে। ডিব্ৰুগড়ৰ পৰা গুৱাহাটীলৈ নৈশ বাছ দিনত এখন আছে । তাৰ দৈনিক উপাৰ্জন কিমান আৰু মহেকত কিমান থাকিবগৈ সেই বিলাক কথা আমি চাব লাগিব। দ্বিতীয় কথা হ'ল এটা কথা লক্ষ্য কৰিবলগীয়া হৈছে যে যিবিলাক হেভি ভেহিক'ল অৰ্থাত ক'ল ইণ্ডিয়াৰ ডাম্পাৰ ইত্যাদি বিলাক কিমান আছে অথচ এই বিলাকে ৰাজ্যচৰকাৰক দিবলগীয়া খিনি নিদিয়ে। পাটকাই আদি তিনিটা কোম্পানীৰ এই দাম্পাৰ আছে। চৰকাৰে ৰাজহ নাপায় কিয়নো বিষয়া সকলৰ লগত কিবা এটা ভিতৰুৱা বুজাবুজি হয় বুলি ৰাইজে কোৱা কুই কৰা শুনিছো। এই বিষয়ত মন্ত্ৰী মহোদয়ে দৃষ্টি নিক্ষেপ কৰিব লাগে। হেভি ভেহিক'লে ৬৫ চন পৰ্য্যন্ত কঢ়িয়াব পাৰে। হেভি ভেহিকলৰ কাৰণে প্ৰায় ৰাস্তাঘাট নষ্ট হৈ যায় । মাননীয় গড়কাপ্তানী মন্ত্ৰী মহোদয়ে জানে যে এই ৰাস্তাবিলাক নিৰ্ম্মাণ কৰিবলৈ বহু কোটি টকা খৰচ কৰিবলগীয়া হয়। গতিকে এই বিলাকৰ পৰা টেক্স আদায় কৰাব কিবা এটা ব্যৱস্থা কৰিব লাগে। কিন্তু তাৰ লগতে টেক্টৰ আৰু পাওৱাৰ টিলাৰ বিলাকো ইয়াৰ ভিতৰতে পৰি গৈছে। এই বিলাক আমাৰ গাওঁ অঞ্চলত ৰাইজে চলাই আছে। চাহবাগানৰ কেচাপাত কঢ়িয়াবলৈ টেক্টৰ ব্যৱহাৰ হয়। এই বিলাক কৃষিৰ লগত জড়িত হৈ থকা বাহন। গতিকে ইয়াৰ ফলত পোন পটীয়াকৈ চাহবাগানৰ বনুৱা আৰু খেতিয়ক

✡ Speech not corrected

সকলৰ ওপৰতহে প্ৰভাৱ পৰিব। সেয়ে কথাটোৰ প্ৰতি মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। ইয়াৰ টেক্স কমাব লাগে। ইয়াৰ লগতে সুযোগ পোৱাৰ কাৰণে এটা কথা কব খুজিছো। যি পলুচন কন্টলৰ যি ফিটনেচ চাৰ্টিফিকেটৰ কথা আছে সেই সম্পৰ্কত এটা কথা কব খুজিছো। গাড়ী বিলাকৰ এটা এজ লিমিট থাকিব লাগে। এটা সময়ৰ পিচত সেই বিলাক বেয়াহৈ যাবই কিন্তু চাক্ষুষ দৃষ্টিত চলি থকা বহুত গাড়ীৰ নিশ্চয় ফিটনেচ নাই। কিন্তু সেই বিলাক গাড়ী ৰাস্তাত চলি পলুশ্বনৰ সৃষ্টি কৰি আছে। অলপ আগেয়ে মাননীয় সদস্য শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামীদেৱে কিছুদিনৰ আগেয়ে এখন মাৰুতি গাড়ীৰ দূৰ্ঘটনা হৈ মহিলা এগৰাকীৰ মৃত্যু হৈছে। কথা হ'ল এই গাড়ী বিলাকৰ এজ লিমিট নিৰ্দ্দিষ্ট কৰি সেই মতে টেক্স কলেক্ট কৰিবলৈ ব্যৱস্থা লব লাগে। লগতে আন এটা ইতিবাচক কথা পৰিবহণ মন্ত্ৰী ডাঙৰীয়াৰ পতি কব খুজিছো যে এ-এচ-টি-টি ৰ ফালৰপৰা কৰপোৰেশ্বনৰ গাড়ী নথকা সত্বেও আন গাড়ীকে আনি হলেও বন্দবস্ত কৰি চলাই থকা কাৰণে যাতায়তৰ সুবিধা পাই ৰাইজে ভাল পাইছে। গতিকে এই বিলখন পাচ কৰাৰ লগত ৰাইজৰ জনসাধাৰণ স্বাৰ্থও জড়িত আছে সেই বিলাক কথালৈও দৃষ্টি দিবলৈ অনুৰোধ ৰাখি সামৰিছো।

✡**ডঃ জয়নাথ শৰ্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মননীয় পৰিবহণ মন্ত্ৰী মহোদয়ক কেইটামান কথা কব বিচাৰিছোঁ আৰু আশা কৰিছো তেখেতে এই কথা খিনি গুৰুত্বসহকাৰে বিবেচনা কৰিব। প্ৰথমতে হল চিদিউল থ্ৰিত টেক্স লগাব বিচাৰিছে। এইটো শতকৰা ১০০ ভাগেই বঢ়াব খুজিছে। এতিয়া কথা হল এই টেক্টৰ ব্যৱহাৰ কৰে কৃষি ভিত্তিক মানুহখিনিয়ে। এইটো কৃষিৰ এটা সজুলি। গতিকে এই ইচ্যুটোৰ ওপৰত টেক্স নবঢ়োৱাই ভাল। আমাৰ শিক্ষিত নিবনুৱা সকলক এনকাৰেজ কৰাৰ কাৰণে এইটো নকৰাই ভাল হব বুলি আমি ভাবিছোঁ। কেইবাজনো নিবনুৱাই টেক্টৰ বা পাৱাৰ টিলাৰ লৈ কাম আগবঢ়িছে, সেই সময়ত যদি শতকৰা ১০০ ভাগ টেক্স বঢ়াই দিয়া হয় তেন্তে এইটো এটা চচিয়েল এফেক্ট হব। গতিকে বিষয়টো বিবেচনা কৰি চাই লব লাগে। তাৰোপৰি এম্বুলেন্স আৰু মবাইল ক্লিনিকৰ ওপৰতো টেক্স বঢ়াব বিচাৰিছে। কিন্তু মই কব খোজো যে এই ক্ষেত্ৰতো এম্বুলেন্স আৰু মবাইল ক্লিনিকৰ ওপৰত টেক্স লগোৱাটো বাদ দিলেই ভাল হয়।

অধ্যক্ষ মহোদয়, আমাৰ চকুত কিবা বেয়া কথা পৰিলে আমি ধৰিমেই আৰু কম কাৰণে তেখেতসকলক বেয়া কাম কৰাত আমি বাধা দিবই লাগিব। এতিয়া আমাৰ প্ৰাইভেট গাড়ীবোৰৰ কথালৈ আহো। এই গাড়ীবোৰৰ দাম ৭

✡ Speech not corrected

লাখ টকা। সাত লাখৰ ওপৰত নাযায় তলতেই থাকে। এতিয়া ইয়াত টেক্স লগাইছে শতকৰা দুইভাগ, শতকৰা পাঁচ ভাগ আৰু শতকৰা সাত ভাগ। কিন্তু ৰিফাণ্ড দিব লাগিব শতকৰা সাতভাগ হিচাবে। যি খিনি টেক্স জমা দিয়ে সেইটো ২,৫,৭ শতকৰা বিচাপত কিন্তু ৰিফাণ্ড লব শতকৰা ৭ ভাগ হিচাপত। এইটো কেনে ধৰণৰ কথা হৈছে? যদি প্ৰয়োজন হয় এই ক্ষেত্ৰত বাক্যটো সলনি কৰি অলপ বেলেগ কৰি দিয়ক। অধ্যক্ষ মহোদয়, আমি বগাক বগা আৰু কলাক কলা বুলি কমেই। মন্ত্ৰী মহোদয়ে কলাৰ বগা বুলি কোৱাৰ প্ৰচেষ্টা নকৰিলেই ভাল পাম। আজি আমাৰ মাননীয় সদস্য হাজৰীকা ডাঙৰীয়াই কৈছে যে অকল গাড়ী কিনোতে টেক্স দিয়াই নহয় আকৌ গাড়ীখন যদি চুৰি হল তাৰ কাৰণেও টেক্স দিব লগা হয় আৰু একিউষ্ট যদি ডাইভাৰ্ট হল তেতিয়াও টেক্স দিবলগীয়া হয়। তৃতীয় কথাটো হয় ৩ লাখ টকাত গাড়ীত টেক্সটো প্ৰতি বছৰে যদি পায় তেন্তে ইনকামটেক্সটো সমান কৰিব লাগে। এহাজাৰ গাড়ীৰ কাৰণে ১৫ বছৰত টেক্স পাব। অৱশ্যে বছৰে এহাজাৰ গাড়ী নহবও পাবে সেইকাৰণে ওৱান টাইম টেক্স লোৱাটো বন্ধ কৰক। এইটো পাচ বছৰীয়া বা তিনি বছৰীয়া কৰাৰ ব্যৱস্থা কৰক। পাৰিলে এবছৰীয়া কৰিব লাগে। এইটো অলপ কম কৰক। তাৰোপৰি পলিউশ্যনৰ ওপৰত এটাকথা মই মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছোঁ যে গুৱাহাটীত যিমান গাড়ী আছে বিশেষকৈ গাঁও অঞ্চলত যিমানবোৰ গাড়ী আছে বেছিভাগেই দিল্লীৰ চেকেণ্ড হেণ্ড গাড়ী। দিল্লীত বন্ধ কৰি দিয়া গাড়ীবোৰ অসমলৈ আহে। চুপ্ৰিমকৰ্টে দিল্লীত পুৰণি গাড়ী বন্ধ কৰি দিয়াৰ পাছত এই গাড়ীবোৰ চব অসমলৈ আহিছে। এইটো বৰ চিৰিয়াচ কথা। অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত এটা বিবেচনা কৰি ব্যৱস্থা লওক এইটো আমি বিচাৰিছোঁ। লগতে এই শতকৰা সাতভাগ ৰিফাণ্ডৰ ব্যৱস্থাটো কম কৰাৰ ব্যৱস্থা কৰক।

✡**শ্ৰী দিলীপ কুমাৰ শইকীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যেই মটৰ ভেহিকুল টেক্সৰ ওপৰত মাননীয় সদস্য সকলে পুংখানুপুংখ ভাবে সমালোচনা কৰিছেই। আমাৰ সদস্য সকলে এটা কথা উল্লেখ কৰিছে যে এবুলেন্স আৰু মবাইল ক্লিনিকৰ ওপৰত টেক্স কমাব লাগে। মই তাৰ লগতে আৰু এটা যোগ দিব খুজিছো যে ডেড্‌বডী কঢ়িউৱা ভানৰ ওপৰতো যি টেক্স লগাইছে সেইটো উইড্ৰ কৰিব লাগে। তাৰোপৰি পলিউশ্যনৰ ক্ষেত্ৰত ফিটনেচ্ চাৰ্টিফিকেটৰ কথাটো মই উল্লেখ কৰিব খুজিছো। মই নিজেই গাড়ীলৈ যাওঁতে লগত চিকিউৰিটী আদি নিৰ্নিয়াকৈ যাওঁতেই আমাক কতো ৰাস্তাত ৰখাই ফিটনেচ্ চাৰ্টিফিকেট আছে নে

✡ Speech not corrected

নাই পৰীক্ষা কৰি কোনেও চোৱা নাই। পৰিবহণ মন্ত্ৰী মহোদয়ে এইটো কথা লক্ষ্য ৰাখিব লাগে আজিলৈকে কোনেও কতো আমাক সোধা নাই এই চাৰ্টিফিকেটৰ বিষয়ে।

মই এইখিনিতে এটা কথা আৰু অৱগত কৰিব খুজিছোঁ যে এই পলিউশ্যন পৰীক্ষা কৰা মেচিনটো ১ লাখ ৭০ হাজাৰ টকাতে পায় কিনিবলৈ। কিন্তু এই মেচিনটো এতিয়া গুলগুলীয়া বুলি কোনোবো এজন ব্যৱসায়ীক প্ৰায় ২ লাখ টকাত দিবলৈ দিছে। কিন্তু আমাৰ থলুৱা তিনিশ নিবনুৱাই ইন্টাৰভিউ দিছিল কিন্তু তেওঁলোকক নিদি গুলগুলীয়া নামৰ ব্যৱসায়ীজনক ২ লাখ ৫০ হাজাৰ টকাত এই মেচিন দিবলৈ দিছে। আমি এই তিনিশ নিবনুৱা লবাৰ কথাও চিন্তা কৰিব লাগিব। এওঁলোকে একলাখ ২০ হাজাৰতে মেচিনটো পাইছে। প্ৰায় ৮০ কোটি টকাৰ ভিতৰুৱা কিবা বুজা বুজি হৈছে বুলি আমি শুনিবলৈ পাইছোঁ। মন্ত্ৰী মহোদয়ে পাইছে নে নাই নাজানো কিন্তু কোনোবা বিষয়া আদি জৰিত থাকিব পাৰে এই ক্ষেত্ৰত। এইতো আমাৰ মানুহৰ মুৰত মাধমাৰ দিয়া হব। আমাৰ এই নিবনুৱা লৰাখিনিক মাধমাৰ দিবলৈ কিয় ওলাইছে? এই গুলগুলীয়া কোন? আজি তেওঁৰ ওচৰত ব'ডাওন কমিম নেকি? অধ্যক্ষ মহোদয়, আমি মন্ত্ৰী মহোদয়ক জনাব খুজিছোঁ যে আমাৰ এই থলুৱা নিবনুৱা সকলক এই সুবিধাটো দিব লাগে। এইখিনিতে অনুবোধ জনাই মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

**Mr. Speaker** : Now, Minister, Transport to replies --

✡**শ্ৰীঅঞ্জন দত্ত (মন্ত্ৰী) পৰিবহণ** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য হিতেন গোস্বামী ডাঙৰীয়া, গুনিন হাজৰিকা ডাঙৰীয়া, প্ৰবিন্দ্ৰ ডেকা ডাঙৰীয়াই আজিৰ এই সদনত বিভিন্ন পৰামৰ্শ আগবঢ়াইছে । অধ্যক্ষ মহোদয়, আজি পৰিবহন বিভাগত ৰাজহ সংগ্ৰহৰ ওপৰত বিৰোধী দলৰ সদস্য সকলে যি পৰামৰ্শ আগহঢ়াইছে সেই পৰামৰ্শ মই মানি লৈছো ।

✡**ডঃ জয়নাথ শৰ্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, পৰিবহণ বিভাগৰ বহু লেপচ্ আছে ।

✡**শ্ৰীঅঞ্জন দত্ত (মন্ত্ৰী) পৰিবহণ** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি পৰিবহণ বিভাগৰ ওপৰত বহুতো সমালোচনা হৈছে । ১৯৬৩ চনতে পেচেঞ্জাৰ টেক্স, গুদ টেক্স ২০০ টকা ধাৰ্য্য কৰিছিল । আজি আমি চৰকাৰ গঠন হোৱাৰ পিচত এই টেক্স ২০ হাজাৰ টকালৈ বৃদ্ধি কৰিছো । অধ্যক্ষ মহোদয়, আজি গ্ৰিণভেলি

---

✡ Speech not corrected

বাছত বা ব্লুহিল বাছৰ কথাকেই কওঁ সেই বিলাক বাছত বছৰি টেক্স আছিল মাত্ৰ ২০০ টকা । আজি আমি সেইটো ১০ হাজাৰ টকা কৰিছো । পৰিবহন বিভাগৰ যিবিলাক লিকেজ আছিল সেই বিলাক নিৰ্মূল কৰাৰ কাৰণে আমি যথেষ্ট কষ্ট কৰিব লগা হৈছে । আজি এখন ট্ৰাকত ৫ টনৰ পৰা ১০ টন ওজন অধিক বোজাই ট্ৰাক লৈ গৈ থাকিলে তাক চেক্ কৰি উপযুক্তভাৱে জৰিমনা ভৰোৱা হৈছে আৰু তাৰ পৰা আমাৰ যথেষ্ট ৰাজহ বৃদ্ধি পাইছে । আজি ৫ টন ওজনৰ ট্ৰাকৰ বাবদ বছৰি টেক্স আমি ৩০০০ হাজাৰ টকাৰ পৰা ৫০০০ হাজাৰ টকালৈ বৃদ্ধি কৰিছো । আজি আমাৰ পৰিবহণ বিভাগে ১৯৯৯-২০০০ বৰ্ষত ৭৫.১৯ কোটি টকা ৰাজহ সংগ্ৰহ কৰিছে । ২০০১ আৰু ২০০২ বৰ্ষত ৮৪.২৬ কোটি টকা ৰাজহ সংগ্ৰহ কৰিবলৈ পোৱা হৈছে । আজি আমি আশা কৰিছো যে যি হাৰত আমি ৰাজহ সংগ্ৰহ কৰিছো তাৰ ফলত আমাৰ ৰাজ্যখনে যথেষ্ট সকাহ পাইছো । অধ্যক্ষ মহোদয়, আজি মোৰ নিজা জিলাতেই মোক বহুত মানুহে বেয়া পোৱা হৈছে কাৰণ একোখন মিনিবাছে ৪০ হাজাৰ ৫০ হাজাৰ টেক্স দিব লগা আছে আৰু তাৰ কাৰণে অনুজ্ঞাপত্ৰ বাতিল কৰা হৈছে। আমি গাড়ীবোৰ চেকিং কৰাৰ ফলত আমাৰ বহুত ৰাজহ সংগ্ৰহ হৈছে । আজি আমাৰ বহু গাড়ী নাগালেণ্ডত ৰেজিষ্ট্ৰেচন কৰাই আমাৰ ইয়াত চলাই থকাৰ বাবে আমাৰ বহুতো ৰাজহ লোকচান হোৱাৰ বাবে আমি সেইটো বন্ধ কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো আৰু আমাৰ ইয়াত এবছৰ চলোৱাৰ পিচত আমাৰ ইয়াতো ৰেজিষ্ট্ৰেচন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছো । আমি কৈছো যে অসমত গাড়ী চলিলে অসমত টেক্স দিবই লাগিব । মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য প্ৰবীন্দ্ৰ ডেকা ডাঙৰীয়াই ৰ'ড পাৰ্মিটৰ কথা কৈছে ।

✡**শ্ৰীপ্ৰবীন্দ্ৰ ডেকা** ঃ মাননীয় অধ্যক্ষ মহোদয়, চাৰ মই কোৱা নাই । এইটো 'কেগৰ' প্ৰতিবেদনত প্ৰকাশ পাইছে ।

✡**শ্ৰীঅঞ্জন দত্ত (মন্ত্ৰী) পৰিবহণ** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি ৰোড পাৰ্মিট দিয়াৰ পৰা একো ৰাজহ নাপাও । সেই কাৰণে আমি এই বিষয়ে এখন আইন কৰিব বিচাৰিছো আৰু আমি এইখন ২০০২ চনৰ ভিতৰতে আনিম । আগতে গাড়ীৰ ৰোড পাৰ্মিটৰ কাৰণে ১৬.৫০ পইচা দিলেই হৈছিল । কিন্তু এতিয়া আমি বেলেগ গাড়ীত বেলেগ ৰেট ফিক্স কৰিছো । আমাৰ মাননীয় সদস্য প্ৰবীন্দ্ৰ ডেকা ডাঙৰীয়াই চেক্ গেটৰ কথা কৈছিল । আজি আমাৰ বিভিন্ন ধৰণৰ চেক গেট আছে তাৰ ভিতৰত কৃষি বিভাগৰ আছে, আবকাৰী বিভাগৰ আছে, পুলিচ বিভাগৰ আছে বিভিন্ন বিভাগৰ আছে । অৱশ্যে পুলিচ বিভাগৰ চেক গেট নাই ।

✡ Speech not corrected

✡**শ্ৰীপ্ৰবীন্দ্ৰ ডেকা** ঃ অধ্যক্ষ মহোদয়, পুলিচৰো চেক গেট আছে, কিন্তু সেইবোৰ বৈধভাবে নাই ।

✡**শ্ৰীঅঞ্জন দত্ত (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, পুলিচৰ চেক গেট নাই ।

✡**শ্ৰীদিলীপ কুমাৰ শইকীয়া** ঃ অধ্যক্ষ মহোদয়, আপোনালোকে চেকগেটত দুশ টকাৰ সলনি ৬০০ টকাকৈ গুণ্ডাকৰ লৈ আছে । গতিকে সেইবোৰ কি হ'ব ।

✡**শ্ৰীঅঞ্জন দত্ত (মন্ত্ৰী)** ঃ ছাৰ মই পৰিবহন বিভাগৰ ওপৰতহে কৈ আছো । মাননীয় সদস্যজনে পৌৰ নিগমৰ কথা কব বিচাৰিছে । অধ্যক্ষ মহোদয়, পৌৰ নিগমৰ চেক গেট বিলাকতো দুশ টকা কেতিয়াও কৰা নাই । আমি তাত ১০০ টকাকৈয়ে লৈ আছো । অধ্যক্ষ মহোদয়, আমি এই বিভাগত যিবোৰ লিকেজ আছিল সেইবোৰ সম্পূৰ্ণভাৱে বন্ধ কৰি দিয়াৰ চেষ্টা কৰিছো । এই লিকেজবোৰ বন্ধ কৰি দিয়াৰ কাৰণেই শ্ৰীৰামপুৰ আৰু বক্সিৰহাটৰ পৰা আমি প্ৰায় ১০ কোটি টকাৰ ওপৰত ৰেভিনিউ সংগ্ৰহ কৰিছো । আমি কিন্তু ইয়াৰ বাবে ৰেট বঢ়োৱা নাই । আগৰ ৰেটেই চলি আছে । এই দুখন চেকগেটত যাতে লিকেজ হব নোৱাৰে তাৰ বাবে আমি উৱেব্ৰীজ আৰু ভিডিও কেমেৰা দিয়াৰ ব্যৱস্থা কৰিছো । গতিকে আমি পৰিবহন বিভাগত টেক্স সংগ্ৰহৰ যিবোৰ লিকেজ আছিল সেইবোৰ বন্ধ কৰাৰ বাবে আমি সৰ্ব্বতোপ্ৰকাৰে চেষ্টা কৰিছো । অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীসৰ্ব্বানন্দ সোণোৱাল ডাঙৰীয়াই পৰিবহন বিভাগত ফিটনেচ চাৰ্টিফিকেট দিয়াৰ কাৰণে যি পৰামৰ্শ আগবঢ়াইছে সেই পৰামৰ্শ আমি গ্ৰহণ কৰিছো । ইতিমধ্যে আমি পৰিবহন বিভাগৰ বিষয়া সকলক এই সম্পৰ্কে নিৰ্দ্দেশ জাৰি কৰিছো আৰু তাত কোৱা হৈছে যে যিসকল পৰিবহন বিষয়াই এই ফিটনেচ চাৰ্টিফিকেট দিব সেই চাৰ্টিফিকেট লোৱাৰ দুমাহৰ ভিতৰত যদি কিবা দুৰ্ঘটনা হয় তেতিয়াহলে সেই পৰিবহন বিষয়াক দোষী সাব্যস্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰা হব । অধ্যক্ষ মহোদয়, এই গুৱাহাটীতে পুৰণি চিটি বাছ ৪০ খনৰ অনুজ্ঞাপত্ৰ কেনচেল কৰা হৈছে। অধ্যক্ষ মহোদয়, আমাৰ বিভাগত ৰাজহ সংগ্ৰহৰ কাৰণে যিমান সংখ্যক কৰ্মচাৰীৰ আৱশ্যক সিমান সংখ্যক নাই । আজি পুঁজিৰ অভাৱত চৰকাৰে এই সংখ্যা বঢ়াব পৰা নাই । অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য দিলীপ শইকীয়া ডাঙৰীয়াই যি গুলগুলীয়াৰ কথা কৈছে সেইটো কি আমি নাজানো । মই এইটো জানো যে আগৰ চৰকাৰৰ দিনতেই এই পলুচন টেষ্টিং মেচিনটো কিনাৰ বাবে তিনিখন ফাৰ্মত অৰ্ডাৰ দিয়া হৈছিল । কিন্তু আমি এতিয়া নতুনকৈ ইন্টাৰভিউ পাতি এখন লিষ্ট বনাই আছো । ইয়াৰ বাবে আমি নতুনকৈ এখন কমিটিও কৰিছো ।

---

✡ . Speech not corrected

✡শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, তিনিশ লৰাই ইয়াত ইণ্টাৰভিউ দিছিল যদিও তেওঁলোকে ২ লাখ ৫০ হাজাৰ টকাকৈ এই মেচিনটো কিনা সম্ভৱ হয় । গতিকে মন্ত্ৰী মহোদয়ে এই বিষয়টোত গুৰুত্ব দিব লাগে ।

✡শ্ৰীঅঞ্জন দত্ত (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এইটো কোম্পানীৰ ৰেট । গতিকে আমি কোম্পানীৰ ৰেট চেঞ্জ কৰিব নোৱাৰে ।

✡ডঃ জয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, পইন্ট অব অৰ্ডাৰ ছাৰ । আমাৰ অজ্ঞাতে আমি এখন বিল পাছ হব দিব নোৱাৰো ।

মাননীয় অধ্যক্ষ ঃ আগতে মন্ত্ৰীৰ উত্তৰ শেষ হবলৈ দিয়ক ।

✡শ্ৰীঅঞ্জন দত্ত (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিৰোধী দলৰ সদস্য সকলে আজি পৰিবহনৰ ওপৰত যিবোৰ এমেণ্ডমেন্ট আনিছে আৰু পৰিবহন বিভাগে ৰাজহুৱা স্বাৰ্থত যিবোৰ ব্যৱস্থা গ্ৰহণ কৰিছে সেইবোৰত নিশ্চয় মাননীয় সদস্য সকলে সন্তুষ্ট হৈছে । সেয়েহে মই তেওঁলোকক অনুৰোধ জনাব বিচাৰিছো যে তেওঁলোকে যিবোৰ এমেণ্ডমেন্ট আনিছে সেইবোৰ উইড্ৰ কৰিব লাগে ।

✡শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি এই বিলখনৰ বহু কেইটা ক্লজৰ ওপৰত যি ধৰণে ডিবেট হব লাগিছিল সেই ধৰণে হোৱা নাই । তাৰোপৰি এই বিলখনৰ যি কেইটা কথা টেক্স বঢ়োৱা সম্পৰ্কে সেই সম্পৰ্কে মাননীয় মন্ত্ৰী মহোদয়ে সদনত যি ধৰণে ব্যাখ্যা আগবঢ়াব লাগিছিল সেই ধৰণে উত্তৰ দান কৰিব পৰা নাই, এইটো অতি দুৰ্ভাগ্যজনক । অধ্যক্ষ মহোদয়, আগতে ওমনি বাছ বা ব্লু হিল্‌চৰ টেক্স আছিল দুশ টকা । কিন্তু এতিয়া দহ হাজাৰ টকা । কিন্তু টেক্স বাঢ়ি ১২ হাজাৰৰ পৰা ১৪ হাজাৰ টকা হৈছে ।

**Sri Pabindra Deka :** Sir, I beg to move in serial (a) and (b) in sub-clause 1 (A) of cluse 3 of the schedule of the proposed Bill shall be substituted by the followings.

| No. | Decription of Vehicles | Rate of one time Tax |
|---|---|---|
| (a) | Original cost price upto Rs.7.00 lakhs | 2% of the original cost |
| (b) | Original cost price above Rs.7.00 lakhs to 12.00 lakhs. | 4% of the original cost |

✡ Speech not corrected

**Sri Gunin Hazarika :** Sir, beg to move in serial 1, 2 and 3 of sub-clause 1 (B) of clause 3 of the schedule of the proposed Bill shall be substituted by the following figures --

| New Vehicle to be registered for the first time | Rate of one time Tax |
|---|---|
| 1. Less than 65 Kgs. Unladen weight | Rs.1,200/- |
| 2. From 65 Kgs. to 90 Kgs. Unladen weight | Rs.2,000/- |
| 3. From 90 Kgs. to 135 Kgs. Unladen weight | Rs.2,800/- |

**Sri Pabindra Deka :** Sir, beg to move in serial 1, 2, 3, 4, 5 and 6 of sub-clause 1 (B) of clause 3 of the schedule of the proposed Bill shall be substituted by the following figures --

| New Vehicle to be registered for the first time | Rate of one time Tax |
|---|---|
| 1. Less than 65 Kgs. Unladen weight | Rs.1,200/- |
| 2. From 65 Kgs. to 90 Kgs. Unladen weight | Rs.1,700/- |
| 3. From 90 Kgs. to 135 Kgs. Unladen weight | Rs.3,000/- |
| 4. More than 135 Kgs. | Rs.3,500/- |
| 5. Three wheelers | Rs.3,000/- |
| 6. Trailers / Side Care attached to 2/3 wheelers | Rs. 600/- |

**Sri Dilip Kumar Saikia :** Sir, I beg to move that in sub-clause C(II) of clause 2 of the Schedule the Annual Tax and

quarterly of Serials 4, 7 & 8 shall be substituted by the following amounts.

| | Description of Vehicle | Annual Tax | Quarterly Tax |
|---|---|---|---|
| 4. | 4 Wheelers Vehicles with passenger carrying capacity of 6 less and licenced to operate all over the state | Rs.4,500/- | Rs.1,125/- |
| 7. | Vehicles with passengers carrying capacity of 13 to 30 persons. | Rs.6,500/- + Rs.90/- for every seats above 30. | Rs.1,625/- + Rs.23/- for every addl. seat above 30. |
| 8. | Omni Tourist Bus | Rs.13,000/- | Rs.3,200/- |

**Sri Pabindra Deka :** Sir, I beg to move that in serial 1 to 10 of sub clause C (II) of clause 3 of the schedule of the proposed Bill shall be substituted by the followings -

অধ্যক্ষ মহোদয়, ১২ হেজাৰৰ পৰা ১৪ হেজাৰ কৰা হৈছে । কিছুমান স্লেব ঠিক হোৱা নাই । এইটো একজেম কৰি হাউচৰ জৰিয়তে অসমৰ বাইজক জনাব লাগে । ৮৪ কোটিৰ পৰা ১০২ কোটিলৈ ৰেভিনিউ বৃদ্ধি হৈছে এইটো ভাল কথা । কিন্তু বিষয়টো উত্তৰ পূৰ্বাঞ্চলৰ বাকীবোৰ ৰাজ্যৰ লগত আলোচনা কৰা হৈছেনে নাই ? নহলে খেলি-মেলি হ'ব ।

✡**শ্ৰীসৰ্বানন্দ সোনোৱাল** ঃ অধ্যক্ষ মহোদয়, মই পৰিবহন মন্ত্ৰী দৃষ্টি আকৰ্ষণ কৰি টেক্সৰ কথা এটা কব খুজিছো । আজি যিটো আলোচনা কৰা হৈছে – আমি কিয় সংশোধনী বিচাৰিছো – আজি বাছৰ পাৰ্মিট লৈ নিবনুৱা যুবকে, চাহ বাগানৰ বনুৱাই নিজৰ তথা পৰিয়ালৰ জীৱিকা উলিয়াইছে – এতিয়া ইমান টেক্স বঢ়ালে তেওঁলোক চলিব কেনেকৈ ? এইটো পজিটিভ ডেচক্ৰিমিনেচন হৈছে এই বিলখন সকলো দিশ চাই পুনৰ আনিব লাগে ।

✡ Speech not corrected

✡**ডঃ জয়নাথ শৰ্মা** ঃ অধ্যক্ষ মহোদয়, মই দুটামান কথা পৰিবহন মন্ত্ৰীৰ পৰা জানিব খুজিছো — প্ৰথম কথা হৈছে টেক্টৰত কিয় টেক্স লগোৱা হৈছে ? মিনি মোবাইল এম্বুলেঞ্চত কিয় টেক্স লগোৱা হৈছে — বৃদ্ধি দেখুৱা হৈছে টুৱ পৰা ফাইভ পাৰচেন্ট, কিন্তু ক্লেইম কৰিবলৈ দিয়া হৈছে চেভেন পাৰচেন্ট — এইটো কেনেকৈ হ'ব পাৰে ?

✡**শ্ৰীঅঞ্জন দত্ত, ৰাজ্যিক (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, মই উত্তৰ দিছোৱেই এম্বুলেঞ্চ, ডেদ বডি কেৰিং ভান আদিৰ ক্ষেত্ৰত টেক্স ৰেহাই দিয়া হৈছে । কিন্তু কিছুমানে ইয়াক দুই নম্বৰী ব্যৱসায় হিচাবে লোৱাত কিছু ষ্ট্ৰিক কৰা হৈছে। স্পেচিফিক অৰ্গেনাইজেচনৰ পৰা ৰিপ্ৰেজেন্টেচন পালে সেই ক্ষেত্ৰত বিভাগে বিচাৰ বিবেচনা কৰিব । অ'ট টেক্স লগোৱা হৈছে ৩০০ টকা । ঘূৰাই দিয়াৰ কথাটো ডেপ্ৰিচিয়েচনত লেখা আছে ।

✡**ডঃ জয়নাথ শৰ্মা** ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ক্লজ টুত চাইছে — তেখেতে চাব লাগে ক্লজ থ্ৰিত । টেক্স আছে টু টু ফাইভ পাৰচেন্ট কিন্তু ক্লেইম কৰিবলৈ দিয়া হৈছে চেভেন পাৰচেন্ট ।

✡**শ্ৰীঅঞ্জন দত্ত, (মন্ত্ৰী)** ঃ এইটো ভুল হৈছে ।

✡**ডঃ জয়নাথ শৰ্মা** ঃ অধ্যক্ষ মহোদয়, ক্লেইম কৰাৰ সময়ত ডিদাকচন দিয়া হ'ব বুলি কৈ চেভেন পাৰচেন্টৰ পৰা —

✡**শ্ৰীঅঞ্জন দত্ত, (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, মুঠ টেক্স চেভেন পাৰচেন্ট ৰাখি বাকীখিনি ঘূৰাই দিয়া হ'ব ।

**Mr. Speaker** : Dr. Sarma will you withdraw your amendment ? I now put the amendment before the House. The question is that -- "In sub clause (3) of clause I of the proposed Bill shall be substituted by the followings -- "It shall come into force on 1st day of April'2002". Those who are in favour, say, 'Ayes'. Those who are against, say, 'Noes'. 'Noes' have it, 'Noes' have it, 'Noes' have it, the amendment is lost.

Now I put clause I, Preamble Enacting Formula and short title of the Bill before the House for approval. The

✡ Speech not corrected

question is that --

Clause I, Preamble, Enacting Formula and short title do stand part of the Bill.

Those who are in favour, say, 'Ayes'

Those who are against, say, 'Noes'

'Ayes' haveit, 'Ayes' have it, 'Ayes' have it,

Clause I, Preamble, Enacting Formula and Short title do from part of the Bill.

Now item No.5(c) Hon'ble Minister, Transport to move.

**Shri Anjan Dutta (Minster) :** I beg to move that "The Assam Motor Vehicles Taxation (Amendment) Bill'2002" be passed.

**Mr. Speaker :** I now put the motion before the House for approval. The motion is that-

The Assam Motor Vehicles Taxation (Amendment)

Bill, 2002 be passed.

Those who are in favour, say, 'Ayes'

Those who are against, say, 'Noes'

'Ayes' have it, 'Ayes' have it, 'Ayes' have it,

The Motion is passed,

The Bill is passed.

## STATEMENT OF MINISTER

**✡শ্ৰী প্ৰদ্যুৎ বৰদলৈ (বাণিজ্যিক গৃহ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি সদনত গুপ্ত হত্যা সম্পৰ্কত বিৰোধী দলে কেইবাটাও কথা উত্থাপন কৰিছিল, আপুনি অনুমতি দিলে মই এই সম্পৰ্কত এটা স্পষ্টীকৰণ দিব খোজো।

---

✡ Speech not corrected

**মাননীয় অধ্যক্ষ ঃ** কালিলৈ দিয়াৰ কথা আছিল, যদি আজিয়েই দিব খোজে দিব পাৰে।

✡**শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (ৰাজ্যিকমন্ত্ৰী, গৃহ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেইদিনমানৰ আগতে এই সদনতে মই অসমত চলি থকা গুপ্ত হত্যা সম্পৰ্কত কিছু বক্তব্য ৰাখিছিলো। এইটো সচা যে অসমৰ সংবাদ মাধ্যমত ১৯৯৮-৯৯ চনৰ আগলৈকে গুপ্ত হত্যাৰ কথা তেনেকৈ প্ৰকাশ পোৱা নাছিল। কিন্তু ১৯৯৮-৯৯ চনৰ পৰা অসমত চলা গুপ্ত হত্যাৰ বাতৰি অসমৰ তথা বাহিৰৰ সংবাদ পত্ৰত সমানে প্ৰকাশিত হৈছিল। বিশ্লেষণ কৰিলে দেখা যায় যে আলফাৰ সম্পৰ্কীয় লোক বা তেওঁলোকৰ পৰিয়ালৰ লোক সাধাৰণতে এই গুপ্ত হত্যাৰ বলী হৈছিল। প্ৰফুল্ল কুমাৰ মহন্ত, আমাৰ আগৰ চৰকাৰৰ মুখ্যমন্ত্ৰী হৈ থকা সময়ত তেতিয়া আমাৰ দলৰ সদনৰ বিৰোধী দলপতি হিচাবে থকা নেতা চিলভিউচ কন্দপান ডাঙৰীয়াই এই বিধান সভাত এই গুপ্ত হত্যাৰ কথা আলোচনী কৰিছিল। তেতিয়াও আমাৰ জাতীয় কংগ্ৰেছ দলৰ অসমৰ নেতাই অসমত গুপ্ত হত্যা সংঘটিত হোৱাৰ কথা কৈছিল। গুপ্ত হত্যাকাণ্ডৰ ক্ষেত্ৰত যিবিলাক কথা কোৱা হৈছিল সাধাৰণতে কোনোবা উগ্ৰপন্থী সংগঠনৰ সদস্যৰ পৰিয়ালৰ নিৰীহ লোকক অনাহকতে কোনোবাই হত্যা কৰিছিল। কিন্তু সেই হত্যা কোনে কৰিছিল, কিয় কৰিছিল তাৰ একো খবৰ পোৱা নাছিল। এই হত্যাকাণ্ডই গোটেই অসমতেই জন মানসত এটা চাঞ্চাল্যকৰ পৰিস্থিতিৰ সৃষ্টি কৰিছিল।

✡**শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ** পইন্ট অৱ অৰ্ডাৰ চাৰ। আপুনি ষ্টেটমেন্ট এটা দিব বিচাৰিছে বুলিহে কৈছিল। এতিয়া ডিবেটলৈ যাব। গতিকে ষ্টেটমেন্ট দিব লাগে।

✡**শ্ৰীচন্দন কুমাৰ সৰকাৰ ঃ** চাৰ, ডিবেট কেনেকৈ হব। সদনত আগৰ চৰকাৰৰ কথা কলে বেয়া পায় কিয়?

✡**শ্ৰীহিতেন্দ নাথ গোস্বামী ঃ** চাৰ, বেয়া পাম কিয়? ষ্টেটমেন্ট মুলি কলে লিখিত টোকাহে পঢ়ি দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** মই ষ্টেটমেন্ট দিবলৈ কৈছো। বিবৃতি আৰু ডিচকাচন দুটা বেলেগ বস্তু।

✡**শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (মন্ত্ৰী) ঃ** চাৰ, মই এই কাৰণেই কবলৈ বিচাৰিছো যে এই গুপ্ত হত্যাৰ প্ৰসঙ্গটো যেতিয়া উৎথাপন কৰা হৈছিল আৰু সংবাদ মাধ্যমত

✡ Speech not corrected

বিশেষকৈ অসমৰ বাতৰি কাকত সমূহত যেতিয়া গুপ্ত হত্যাৰ কথা ওলাইছিল তেতিয়া চৰকাৰে এই সঙ্গাটো বিবেচনা কৰা নাছিল। এই লানি চাঞ্চল্যকৰ হত্যা কাণ্ডক গুপ্ত হত্যা বুলি ১৯৯৮-৯৯ চনত অসমৰ সংবাদ মাধ্যম সমূহে ব্যৱহাৰ কৰে। তেতিয়া সেই চাঞ্চল্যকৰ হত্যাকাণ্ড বিলাকক গুপ্ত হত্যা বুলি কৈছিল। সেই সময়ৰেই পৰা সমগ্ৰ অসমতেই যি এলানি হত্যাকাণ্ড সংঘটিত হৈছিল সেই বিষয়ে জন মানসত ভীষণ ক্ষোভ আৰু প্ৰতিবাদৰ জোৱাৰ তুলিছিল। আমি যেতিয়া বিৰোধী দলত আছিলো তেতিয়া এই গুপ্ত হত্যাৰ প্ৰাসঙ্গটো আমাৰ দলেই বিধান সভাত অৱতাৰণা কৰিছিল। মইও সেই গুপ্ত হত্যাৰ কথা কৈছিলো। এই যিবিলাক চঞ্চল্যকৰ গুপ্ত হত্যা সংঘটিত হৈছিল এই চঞ্চল্যকৰ গুপ্ত হত্যা বুলি চৰকাৰী ভাবে কোৱা নাছিল। সেই চঞ্চল্যকৰ হত্যাকাণ্ডবোৰ সংঘটিত হোৱাৰ পিচত জন সাধাৰণৰ মনত প্ৰচণ্ড ক্ষোভ আৰু বিৰুপ্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। সেই হত্যাকাণ্ডৰ বিলাক কোন বিলাক শক্তিয়ে সংঘটিত কৰিছে? চৰকাৰে সেই চঞ্চল্যকৰ হত্যাকাণ্ডৰ বিৰুদ্ধে তদন্ত আয়োগ গঠন কৰিছে আৰু জ্যোতিষ শৰ্মাৰ হত্যাকাণ্ডকে ধৰি তেনেকুৱা ১১ টা চঞ্চল্যকৰ হত্যাকাণ্ডৰ বিধুদ্ধে তদন্ত কৰিবলৈ দিছে। আজি আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আলফাৰ লগত আলোচনা এই প্ৰসঙ্গত কথা কওতে তেখেতে কৈছিল যে আমাৰ দলৰ চৰকাৰে একো কৰা নাই। তেতিয়া আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই কথা প্ৰসঙ্গত কৈছিল যে এই হত্যাকাণ্ড বিলাক আপোনালোকৰ চৰকাৰৰ দিনতেই সংঘটিত হৈছিল। সেইটো কোনেও অস্বীকাৰ কৰিব নোৱাৰে। সেই সময়ত আলফাৰ লগত আলোচনা হোৱাটো দূৰৰ কথা সেই চাঞ্চল্যকৰ হত্যাকাণ্ড বিলাকহে সংঘটিত হৈছিল। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই হত্যাকাণ্ড বিলাকত আপোনালোকে ব্যক্তিগত ভাবে জড়িত আছে বুলি কোৱা নাই। আপোনালোকৰ চৰকাৰৰ দিনত এই হত্যাকাণ্ড বিলাক সংঘটিত হোৱা বুলিহে কৈছে। এই ক্ষেত্ৰত মই ৰাজ্যিক গৃহমন্ত্ৰী হিচাবে এই ষ্টেটমেন্টটো ডাঙি ধৰিলো।

✡**শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই তেখেতৰ পৰা জানিব বিচাৰিছো যে মোৰ প্ৰশ্নটো আছিল চিক্ৰেট কিলিং আপোনালোকে কৰিছে বুলি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে। যিহেতু এওকুৱাৰী কমিচন গঠন কৰা হৈছে তাৰ ওপৰতে আমি বিপ্লাই বিচাৰিছিলো।

✡**শ্ৰীভৰত চন্দ্ৰ নৰ্হ্ৰ (মন্ত্ৰী)** ঃমাননীয় অধ্যক্ষ মহোদয়ে যেতিয়া বুলিং দিছে আৰু আমি এটা ষ্টেটমেন্ট দিব লাগে বুলি কৈছে তাৰ পিচত আমি মাননীয়

✡ Speech not corrected

মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰিছিলো। মাননীয় মুখ্যমন্ত্ৰীয়ে যিটো চাৰ্জ আনিছে সেইটো ড্ৰপ কৰিছিল। মাননীয় মন্ত্ৰীৰ ষ্টেটমেন্টত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আপোনালোকে কৰা নাই আপোনালোকৰ চৰকাৰৰ দিনত গুপ্ত হত্যাকাণ্ড সংঘটিত হৈছিল বুলিহে কৈছে। আপোনালোক জড়িত থকা বুলি কোৱা নাই।

✡**শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী** ঃ চাৰ, সেইটোকেই শুদ্ধ কৰি দিব লাগে।

✡**শ্ৰীভৰত চন্দ্ৰ নৰহ** ঃ মাননীয় অধ্যক্ষ মহোদয়, এ,জি,পি চৰকাৰৰ দিনত গুপ্ত হত্যাকাণ্ড সংঘটিত হৈছিল। সেই সময়ত যি সকল সদস্য আছিল তেওঁলোক জড়িত নহয়। আপোনালোক জড়িত নহয়।

✡**শ্ৰী বৃন্দাবন গোস্বামী** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটোৱে দূৰ্ভাগ্যজনক ভাবে এটা অস্বস্তিকৰ পৰিবেশ সৃষ্টি কৰিছে। ৰাজ্য চৰকাৰ খনৰ হাতত ক্ষমতা আছে। কিন্তু সেই সীমিত ক্ষমতাৰ মাজতহে তেওঁলোকে কাম খিনি কৰিব পাৰিব। কেন্দ্ৰীয় গৃহ সচিব কমল পাণ্ডেই অসম চৰকাৰৰ সম্পৰ্কত এখন বাতৰি কাকতত প্ৰকাশ কৰা মন্তব্যই ৰাজ্য চৰকাৰৰ স্থিতি সম্পৰ্কতো প্ৰশ্ন তুলিবলৈ বাধ্য কৰিছে। কেন্দ্ৰীয় সচিব গৰাকীয়ে তেনেকৈ কোৱাৰ কাৰণেহে এই কথাটো উত্থাপন কৰিছো। ইয়াত কাৰোবাৰ বিৰুদ্ধে যে অভিযোগ অনা হৈছে সেইটো নহয়। তেওঁলোকে ৰাজ্য চৰকাৰক দোষাৰোপ কৰা বুলি কৈছিল। আমি কাকো দোষাৰোপ কৰা নাই। ৰাজ্য চৰকাৰৰ ফালৰ পৰা এই বিষয়ে যেতিয়া আলোচনা কৰা হৈছিল তেতিয়া আমাৰ হাইচত ইমান হুলস্থূল হৈছিল যে মই কথাখিনি ক্লিয়াৰ কৰিব নোৱাৰিলো। কিন্তু গৃহ মন্ত্ৰী ডাঙৰীয়াই যিটো কথা কৈছে যে যোৱা বাৰ আমি শাসক দলত আছিলো আৰু তেওঁলোক বিৰোধী দলত আছিল আৰু বিৰোধী দলত থাকোতে তেওঁলোকে এই হত্যাকাণ্ডৰ কথা উত্থাপন কৰিছিল। সেই ক্ষেত্ৰত মই কব বিচাৰিছো যে সেই সময়ত সেই হত্যাকাণ্ডৰ ক্ষেত্ৰত আমিও মাত মাতিছিলো। ৰাকেশ শৰ্মাৰ হত্যাকাণ্ড সংঘটিত কৰা সম্পৰ্কত আমি ৰিজাইন দিব বিচাৰিছিলো। এনেকুৱা ধৰণৰ বিভিন্ন ঘটনা বিভিন্ন সময়ত সংঘটিত হৈছিল। আমাৰ যিটো আপত্তি আছিল আমি সেইটো কথাহে কৈছিলো আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক সজ উদ্দেশ্যৰেই আমি সেইটো কথা কৈছিলো। বৰ্ত্তমান সময়ত এই চাৰকাৰক দোষাৰোপ কৰাৰ আমাৰ উদ্দেশ্য নাছিল। কিন্তু তেখেতে যিটো কথা কলে আপোনালোকে চিক্ৰেট কিলিং কৰিছে সেই কথাটো ভৱিষ্যতে ইতিহাসত ৰৈ যাব। যিহেতু এওকুৱাৰী কমিচন গঠন কৰি দিছে সেই কমিচনে গোটেই কৰা বিলাক চালিজাৰি চাই প্ৰকৃত কথা বিলাক উলিয়াব পাৰিব। যিহেতু বিষয়টো চাবজুডিচ হৈ আছে সেয়েহে আজিৰ

কথাৰ লগত কোনো কাৰণতেই চিক্রেট কিলিং এই শব্দটো উলিওৱা নাই। মাননীয় মুখ্যমন্ত্রীয়ে কি কাৰণত এই শব্দ কেইটা ব্যৱহাৰ কৰিছে? যদি এঙকুৱাৰী কমিচনে আমাক দোষাৰোপ কৰে তেতিয়াহলে আমাৰ কবলগীয়া একো নাই। এতিয়াই মাননীয় মুখ্যমন্ত্রীয়ে এই শব্দ কেইটা কৈ দিছে। গতিকে এই শব্দ কেইটা উঠাই দিব আৰু এইটো শুধৰণি কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ এই বিষয়ে মই চালো। মাননীয় মুখ্যমন্ত্রীয়ে আপোনালোকক দোষাৰোপ কৰা নাছিল। আৰু আপোনালোকে চিক্রেট কৰা নাই বুলি কৈছে। কেৱল কথাটো কৈছিল চিক্রেট কিলিং যে হৈছিল, আপোনালোকে কি কৰিছিল? চাৰ্জ অনা নাই। চিক্রেট কিলিং কৰোতে আপোনালোকে কি কৰিছিল বুলিহে কৈছে।

**✡ডঃ জয়নাথ শৰ্মা** ঃ অধ্যক্ষ মহোদয়, চিক্রেট কিলিং শব্দটো এটা প্রশ্নৰ উত্তৰত চৰকাৰৰ মুৰব্বীয়েহে কৈছে ।

**✡শ্রীভৰত চন্দ্র নৰহ (মন্ত্রী)** ঃ অধ্যক্ষ মহোদয়, আপোনালোকক ব্যক্তিগত ভাৱে জৰিত বুলি কোৱা নাই । আপোনালোকৰ দিনতো গুপ্ত হত্যাকাণ্ড হোৱা বুলিহে কৈছে । আপোনালোকৰ দিনতো চিক্রেট কিলিং হৈছিল ।

**✡ডঃ জয়নাথ শৰ্মা** ঃ কোন কোন চৰকাৰৰ দিনত গুপ্ত হত্যা হৈছিল এইটো বেলেগ কথা । গুপ্ত হত্যাৰ কথাত আমাৰ চৰকাৰ জৰিত নাছিল ।

**✡শ্রী বাজেদ আলী চৌধুৰী** ঃ অধ্যক্ষ মহোদয়, আগৰ চৰকাৰৰ দিনতে হৈছে।

**✡শ্রী প্রদ্যুৎ বৰদলৈ (মন্ত্রী)** ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য জয়নাথ শৰ্মাদেৱে বুজিও নুবুজাৰ দৰে কথাটো কৈছে । চৰকাৰৰ ওচৰত গুপ্ত হত্যাৰ কোনো সংজ্ঞা নাই ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া আমাৰ এটা মৃত্যু প্রসঙ্গ আছে ।

**শ্রীসৰ্বানন্দ সোনোৱাল** ঃ অধ্যক্ষ মহোদয়, এই বিষয়টো লৈ সদনত আগতেও আলোচনা হৈছে আৰু আজিও হৈছে । চৰকাৰে কৈছে যে, সাংবিধানিক ভাৱে এই শব্দটো গ্রহন কৰা নাই । আৰু এই সংজ্ঞাতো ব্যৱহাৰ কৰা নাই ।

## OBITUARY REFERENCE

**মাননীয় অধ্যক্ষ** ঃ- গৃহ মন্ত্রীয়ে এইটো সংজ্ঞা চৰকাৰী ভাৱে নাই বুলি কৈছে। এতিয়া মৃত্যু প্রসঙ্গলৈ আহো ।

---

✡ Speech not corrected

অসম বিধান সভাৰ চলিত অধিবেশনৰ কালছোৱাত প্ৰথিতযশা সাহিত্যিক লুম্মেৰ দাইৰ যোৱা ৫ এপ্ৰিলৰ দিনা পৰলোক প্ৰাপ্তি ঘটে । মৃত্যুৰ সময়ত তেখেতৰ বয়স হৈছিল ৬২ বছৰ । লুম্মেৰ দাইৰ মৃত্যুত আজি এই পবিত্ৰ সদনত অতি দুখ আৰু ব্যথিত হৃদয়ৰে শোক প্ৰকাশ কৰিবলৈ লোৱা হৈছে ।

বিশিষ্ট সাহিত্যিক লুম্মেৰ দাইৰ জন্ম হৈছিল অৰুণাচল প্ৰদেশৰ পাছিঘাট অঞ্চলৰ চিলুক গাৱত ১৯৪০ চনত । পাছিঘাট উচ্চ মাধ্যমিক বিদ্যালয় আৰু পিছত কটন কলেজত শিক্ষা লাভ কৰা লুম্মেৰ দাইয়ে নিজৰ সাহিত্য সৃষ্টি আৰু প্ৰতিভাৰে অসমৰ সাহিত্য জগতৰ বৌদ্ধিক মহলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছিল । অৰুণাচল প্ৰদেশৰ পিছপৰা জনগোষ্ঠীয় পৰিয়ালৰ সন্তান লুম্মেৰ দাই কৃতিত্ব হ'ল অসমীয়া ভাষাত সাহিত্য চৰ্চা কৰি অসমীয়া সাহত্যিৰ জগতত এগৰাকী প্ৰতিভাবান লেখক হিচাবে এখন সুকীয়া স্থান দখল কৰিবলৈ সমৰ্থ হোৱাটো ।

তেখেতৰ লেখনীসমূহে প্ৰকৃততে অসম আৰু অৰুণাচল প্ৰদেশৰ বাইজৰ মাজত সামাজিক বান্ধোন সুদৃঢ় কৰাত সহায় কৰিছিল । ১৯৬০ চনত কটন কলেজত পঢ়ি থকা অৱস্থাতে প্ৰকাশ পোৱা 'পাহাৰৰ শিলে শিলে' আৰু 'পৃথিৱীৰ হাঁহি' তেখেতৰ অন্যতম শ্ৰেষ্ঠ সাহিত্য কীৰ্তি । অসম প্ৰকাশন পৰিষদ, ভাৰত চৰকাৰৰ প্ৰতিভাস-ধানী বটাঁ আৰু অসম সাহিত্য সভাৰ সীতানাথ ব্ৰহ্মচৌধুৰী বটাকে ধৰি ভালেমান বটাঁ বাহনেৰে সন্মানিত লুম্মেৰ দাই আছিল পাহাৰ আৰু ভৈয়ামৰ সম্প্ৰীতিৰ প্ৰতীক । তেখেত অৰুণাচল চৰকাৰৰ এগৰাকী কৃতী প্ৰশাসকো আছিল ।

এই গৰাকী প্ৰতিভাসম্পন্ন সাহিত্যিকৰ বিয়োগত সাহিত্য জগতৰ লগতে আমাৰ সমাজ জীৱনৰো পূৰাব নোৱাৰা ক্ষতি হ'ল ।

এতিয়া প্ৰয়াত লুম্মেৰ দাইৰ পৱিত্ৰ স্মৃতিত আৰু তেখেতৰ বিদেহী আত্মাৰ সদগতি আৰু চিৰশান্তি কামনা কৰি এক মিনিট কাল ঠিয় হৈ মৌনতা অৱলম্বন কৰিবলৈ এই সদনৰ মাননীয় সদস্যসকলৰ প্ৰতি অনুৰোধ জনালো ।

(The Hours stood in silence for one minute as a mark of respect to the departed soul.)

সদন অহা কালি ১-৪-২০০২ তাৰিখৰ পুৱা ৯ বজালৈ স্থগিত ৰখা হ'ল।

## ADJOURNMENT

The House then stood adjourned at 1.25 pm till 9 A.M. on Tuesday, the 9th April, 2002.

Dispur
The 8th April, 2002

M. K. Sarma
Secretary
Assam Legislative Assembly

## তালিকা 'ক'

### ২০০০-২০০১ চনৰ আৰ্চনিসমূহৰ আদায় দিব লগীয়া ধনৰ তথ্য

| আৰ্চনিৰ নাম | আৱন্টিত ধন | মোকোলাই দিয়া ধন | আদায় দিবলগীয়া ধন |
|---|---|---|---|
| ১) চুতিয়াকাৰী কবৰস্থানৰ পথ নিৰ্ম্মাণ – | ২০,০০০/- | ১৫,০০০/- | ৫,০০০/- |
| ২) এঙ্গাৰখোৱা শঙ্কৰদেৱ শিশু নিকেতনৰ গৃহনিৰ্ম্মাণ – | ৩০,০০০/- | ২৫,০০০/- | ৫,০০০/- |
| ৩) মাধৱভৱনৰ অডিটৰিয়াম নিৰ্ম্মাণ – | ২,০০,০০০/- | ১,৭৫,০০০/- | ২৫,০০০/- |
| ৪) এন এল চাৰ্কিট হাউচৰ সমুখৰ ৰাজহুৱা মঞ্চৰ গৃহ নিৰ্ম্মাণ – | ১,০০,০০০/- | ৯০,০০০/- | ১০,০০০/- |
| ৫) সোনাইগাওঁ বাওকাটা সমিতিৰ গৃহ নিৰ্ম্মাণ – | ৩০,০০০/- | ২৫,০০০/- | ৫,০০০/- |
| ৬) চতিয়াটিকা বাওকাটা সমিতিৰ গৃহ নিৰ্ম্মাণ – | ৩০,০০০/- | ২৫,০০০/- | ৫,০০০/- |
| ৭) শেনচোৱা গাওঁ যুৱক পথ নিৰ্ম্মাণ – | ৩০,০০০/- | ২৫,০০০/- | ৫,০০০/- |
| ৮) এ এচ টি চিৰ সমুখৰ পথ নিৰ্ম্মাণ – | ১,৫০,০০০/- | ১,১০,০০০/- | ৪০,০০০/- |
| ৯) জুনুবস্তি আদিবাসী মহিলা সমিতিৰ গৃহ নিৰ্ম্মাণ – | ৩০,০০০/- | ২৫,০০০/- | ৫,০০০/- |
| | ৬,২০,০০০/- | ৫,১৫,০০০/- | ১,০৫,০০০/- |

**LIST OF TADA UTPS AS ON 28.02.2002.**

1. Sri Pankaj Knowar
2. Sri Jackey Hazarika
3. Sri Tiken Choudhury
4. Sri Joydev Nath
5. Sri Probin Gogoi
6. Sri Lakhi Khanikar
7. Sri Biren Borah
8. Sri Jonaram Killing & Manik
9. Sri Pradip Gogoi
10. Sri Ananda Wary
11. Sri Sudhangshu Mohan Das
12. Sri Dharmendra Lalung
13. Sri Mukul Rava
14. Sri Bizu Deka & Lakheswar Nath
15. Sri Darsing Hanse
16. Sri Amarendra Bhagabati
17. Sri Sunil Gogoi
18. Sri Subal Boro

# GOVERNMENT OF ASSAM
# FINANCE (BUDGET) DEPARTMENT

...

No. BB.56/96/204 Date Dispur, th 11th November, 1996

## OFFICE MEMORENDUM

The Undersigned is directed to say that is has come to the notice of the Government that the leave vacancies are being filled up in different offices under various department of the Government, even though there is no specific provision for filling up of such leave vacancies.

After careful consideration of all aspects, it has been decided that, henceforth, no leave vacancy shall be filled up.

This will come into force with immediate of feet and all existing appointments against leave vacancy shall be tarminted with immediate effect.

Sd/- (S. C. Das)
Commissioner and Secretary to the
Envornment of Assam, Finance Deptt.

Memo No.BB.56/96/204-A Dated Dispur, the 11th November, 1996.

Copy for information and necessary action to :-

1) All Additional Chief Secretaries to the Govt. of Assam.
2) All Principal Secretaries / Commissioners & Secretaries / Secretaries the Govt. of Assam.
3) All Administrative Departments.
4) Chairman, Assam Administrative Tribunal, Guwahati-1.
5) Chairman, Assam Board of Revenue, Guwahati-1.
6) All Heads of Departments.

7) All Commissioners of Divisions.

8) All Deputy Commissioners.

9) All Pub-Divisional Officers.

10) Secretary, Assam Public Service, Commission, Bhangagarh, Guwahati.

11) Principal Secretary, Karbi Anglong Autonomous Council, Diphu / N. C. Hill in autonomous Council, Haflong.

12) Principal Secretary, Bodoland Autonomous Council, Kokrajhar / Rabha Autonomous Council, Dudhnoi, Goalpara Dist./Mising Autonomous Council Gogamukh, Dhemaji / Lalung (Tiwa) Autonomous Council, Morigaon.

13) Chief Executive of All Public Sector under taking under the Govt. of Assam.

14) Registrar, Gauhati High Court, Guwahati-1.

15) Secretary, Assam Legislative Assembly, Dispur.

16) Lok Ayokta, Assam, Guwahati.

17) Secretary, Assam State Human High Commission, Guwahati.

18) Secretary, Assam Backward Classes Commission, Guwahati.

19) Secretary, Assam State Commission for Women, Guwahati.

Copy for information to :-

1) The Secretry to the Governor of Assam, Guwahati, Dispur.
2) Commissioner & Secretary to Chief Minister, Assam, Dispur.
3) P. S. to all Ministers/Ministers of State, Assam, Dispur.
4) P. S. to Chief Secretary to the Govt. of Assam.

By order etc...,

Sd/-
Deputy Secretary to the Govt. of Assam
Finance (Budget) Department

| নিযুক্তি দিয়া বিভাগ সমূহৰ নাম | পদ সমূহৰ নাম |
|---|---|
| ১) জলসিঞ্চন বিভাগ | সহকাৰী অভিযন্তা, অনুৰেখক, নিম্ন বৰ্গৰ সহায়ক আৰু শাখা সহায়ক |
| ২) ভূমি সংৰক্ষণ বিভাগ | নিম্ন বৰ্গৰ সহায়ক, ভূমি সংৰক্ষণ প্ৰদৰ্শক, ভূমি সংৰক্ষণ কৰ্মী আৰু চতুৰ্থ বৰ্গৰ কৰ্ম্মচাৰী । |
| ৩) সচিবালয় প্ৰশাসন বিভাগ | মুদ্ৰা লেখন যন্ত্ৰী । |
| ৪) গৃহ (ক) বিভাগ | এ. বি. কনিষ্টবলচ্ । |
